গুরুর্গুরুতমো ধাম
NCTE

শিক্ষা মন্ত্রালয়
MINISTRY OF
EDUCATION

সত্যমেৱ জয়তে

NATIONAL MISSION FOR
MENTORING

# ৰাষ্ট্ৰীয়
# পৰামৰ্শ-দান অভিযান

## ব্লু-বুক

**Assamese**/অসমীয়া

ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ

G-7, চেক্টৰ-10, দ্বাৰকা, নতুন দিল্লী-110075

NMM

NATIONAL MISSION FOR MENTORING

*ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযান (NMM)ৰ প্ৰতীক চিহ্নত পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ সহযোগী সংস্থাক চিত্ৰিত কৰা হৈছে, য'ত পাৰস্পৰিক পেছাদাৰী বিকাশৰ বাবে সক্ষমতা গঢ়ি তোলাৰ দিশত শিক্ষণ, চিন্তা-চৰ্চা আৰু অংশীদাৰিত্বৰ মনোভাৱক দৰ্শোৱা হৈছে। এই প্ৰতীক চিহ্নৰ কমলা ৰঙে ইতিবাচকতা, আশা, গতিশীলতা, উৎসাহ আৰু আগ্ৰহক প্ৰতিনিধিত্ব কৰে আৰু গাঢ় নীলা ৰঙে জ্ঞান, নিৰ্ভৰযোগ্যতা, বিশ্বাসযোগ্যতা আৰু দায়বদ্ধতাক প্ৰতিনিধিত্ব কৰে। এই সকলোবোৰ গুণ পৰামৰ্শ দানৰ বাবে অপৰিহাৰ্য।*

**Dharmendra Pradhan**
Hon'ble Education Minister;
Skill Development and
Entrepreneurship
Government of India
Shastri Bhawan
New Delhi-110001

ধৰ্মেন্দ্ৰ প্ৰধান
মাননীয় শিক্ষা মন্ত্ৰী;
কৌশল বিকাশ আৰু উদ্যমিতা মন্ত্ৰী
ভাৰত চৰকাৰ
শাস্ত্ৰী ভৱন
নতুন দিল্লী - 110001



# বাৰ্তা

ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP) 2020ত এক পৰিবৰ্তনকামী শিক্ষা ব্যৱস্থাৰ কল্পনা কৰা হৈছে, যি শিক্ষকসকলক প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে এক সমাবেশী আৰু সমতাপূৰ্ণ শিকণ পৰিবেশ সৃষ্টি কৰিবলৈ সক্ষম কৰি কৰি তুলিব। কিন্তু এই পদক্ষেপ এক গুৰুত্বপূৰ্ণ উপাদানৰ ওপৰত নিৰ্ভৰশীল, আৰু সেয়া হৈছে সবল শিক্ষক।

আমাৰ দেশৰ ভৱিষ্যত গঢ় দিয়াৰ ক্ষেত্ৰত শিক্ষকে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাক এই আঁচনিয়ে স্বীকাৰ কৰে। এই আঁচনিৰ লগত সংগতি ৰাখি, ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযানে ভাৰতবৰ্ষৰ সকলো বিদ্যালয় শিক্ষকক পৰামৰ্শ দানৰ সহায় আগবঢ়োৱাৰ লক্ষ্য স্থিৰ কৰি লৈছে আৰু পৰামৰ্শ প্ৰদানকাৰীৰ এনে এক নেটৱৰ্ক গঢ়ি তুলিব বিচাৰিছে যি শিক্ষকসকলক শিক্ষণ অনুশীলন উন্নত কৰা আৰু তেওঁলোকৰ সামগ্ৰিক বৃত্তিগত বিকাশ আৰু উন্নয়ন শক্তিশালী কৰাত সহায় আৰু সমৰ্থন আগবঢ়াব। কঠোৰ আৰু অবিৰত পৰামৰ্শ দানৰ জৰিয়তে, শিক্ষকসকলে তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন শিকণ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবৰ বাবে বিভিন্ন কৌশল বিকাশ আৰু উন্নত কৰিব পাৰিব আৰু শিক্ষাৰ্থীৰ জীৱনত এক ইতিবাচক প্ৰভাৱ পেলাব পাৰিব।

ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ (NCTE)এ NMMৰ ওপৰত এই ব্লু-বুকখন প্ৰস্তুত কৰি উলিয়াইছে। এই বিশদ তথ্যপুস্তিকাখন এখন হাতপুথিতকৈও বেছি গুৰুত্বপূৰ্ণ; ই হৈছে উৎকৃষ্টতাৰ দিশলৈ আগুৱাই যোৱাৰ পথ-নিৰ্দেশনা, য'ত শিক্ষক আৰু পৰামৰ্শ প্ৰদানকাৰী উভয়ৰে বাবে স্পষ্ট উদ্দেশ্য, ফলপ্ৰসূ কৌশল আৰু ব্যৱহাৰিক নিৰ্দেশনা সন্নিবিষ্ট হৈ আছে। ই আমাৰ শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীসকলৰ তত্বাৱধানৰ বাবে আৰু লগতে সদা-পৰিৱৰ্তিত বিশ্বত কেৱল বৰ্তি থকাই নহয়, সফলতা লাভ কৰিবলৈ সক্ষম এটা প্ৰজন্ম গঢ়ি তোলাৰ বাবে প্ৰয়োজনীয় একবিংশ শতিকাৰ কৌশলৰে সজ্জিত হৈ উঠিব পৰাকৈ এটা সু-সংগঠিত আৰ্হি প্ৰদান কৰিছে।

এই পদক্ষেপৰ নেতৃত্ব দিয়াৰ বাবে NCTEক মই আন্তৰিক ধন্যবাদ জনাইছো। মই নিশ্চিত যে এই তথ্যপুস্তিকাখন শিক্ষক আৰু পৰামৰ্শ প্ৰদানকাৰী উভয়ৰে বাবে এক মূল্যৱান সম্পদ ৰূপে বিবেচিত হ'ব, আৰু তেওঁলোকক শিক্ষণ আৰু শিকণৰ ক্ষেত্ৰত উৎকৃষ্টতাৰ দিশে পথ-নিৰ্দেশনা প্ৰদান কৰিব।

**(ধৰ্মেন্দ্ৰ প্ৰধান)**

NMM
NATIONAL MISSION FOR
MENTORING

# বাৰ্তা



(অন্নপূৰ্ণা দেৱী)
মাননীয় শিক্ষা বিভাগৰ
ৰাজ্য মন্ত্ৰী, শিক্ষা মন্ত্ৰালয়,
ভাৰত চৰকাৰ

ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা প্ৰতিষ্ঠানে NMMৰ ওপৰত অতিশয় যত্ন সহকাৰে প্ৰস্তুত কৰি উলিওৱা এই ব্লু-বুকখন উদ্ভাৱনীমূলক মাইলৰ খুটি ৰূপে গৰিগণিত হৈছে। বিদ্যালয় শিক্ষকসকলক পৰামৰ্শ দানৰ বাবে বিভিন্ন পেছাদাৰী লোকক পৰামৰ্শ প্ৰদানকাৰী হিচাপে স্বীকৃতি প্ৰদান কৰি ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযানে শিক্ষাৰ ক্ষেত্ৰখনত এক পৰিবৰ্তনকাৰী দৃষ্টিভংগীৰ সূচনা কৰিছে। পৰামৰ্শ প্ৰদানকাৰী-পৰামৰ্শ গ্ৰহণকাৰীৰ গতিশীল ভাৱ-বিনিময়ৰ বাবে প্ৰযুক্তি ব্যৱহাৰ কৰি এই অভিযানে শিক্ষকসকলে ইজনে সিজনৰ পেছাদাৰী বিকাশ সাধন সম্ভৱ কৰি তোলাৰ ক্ষেত্ৰত অমূল্য ভূমিকা পালনত গুৰুত্ব আৰোপ কৰিছে। এই তথ্যপুস্তিকাই অভুতপূৰ্ব শিক্ষক-কেন্দ্ৰিক কৰ্মসূচীৰ ওপৰত বিস্তাৰিতভাৱে আলোচনা কৰিছে, আৰু ই NCTE দলটোৰ নিষ্ঠাকেই প্ৰতিফলিত কৰিছে।

তেওঁলোকৰ এই প্ৰচেষ্টাৰ মই শলাগ লৈছো আৰু আশা কৰিছো যে NMMএ শিক্ষকসকলক সবল কৰি তুলিব আৰু আমাৰ দেশত শিক্ষাৰ দিগন্ত প্ৰসাৰিত কৰি তুলিব।

সফলতা কামনা কৰিলো।

*******************************************************************************

# বাৰ্তা



(সঞ্জয় কুমাৰ আইএএছ)
সচিব
বিদ্যালয় শিক্ষা আৰু
সাক্ষৰতা বিভাগ
শিক্ষা মন্ত্ৰালয়
ভাৰত চৰকাৰ

ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP), 2020এ শিক্ষণ-শিকণ ব্যৱস্থাত শিথিলতা, সৃষ্টিশীলতা আৰু উদ্ভাৱনশীলতাৰ জৰিয়তে গুণগত শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। শিক্ষকসকলক লক্ষ্য কৰি আৰম্ভ কৰা ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযান (NMM)এ পেছাদাৰী আৰু বিশেষজ্ঞসকলক এনে এখন মঞ্চ প্ৰদান কৰিব য'ত তেওঁলোকে পৰামৰ্শ প্ৰদানকাৰী ৰূপে পৰামৰ্শ গ্ৰহণকাৰী শিক্ষকসকলৰ সৈতে জ্ঞান, কৌশল আৰু অভিজ্ঞতা আদান-প্ৰদান কৰিব আৰু সফল শিক্ষক সৃষ্টিৰ প্ৰক্ৰিয়াত অৱদান আগবঢ়াব। ৰাষ্ট্ৰীত পৰামৰ্শ দান অভিযানৰ এই ব্লু-বুকখনে পৰামৰ্শ দানৰ ধাৰণাৰ পৰা আৰম্ভ কৰি এই পৰামৰ্শ দান কাৰ্যসূচী কাৰ্যকৰী কৰালৈকে এক সামগ্ৰিক ধাৰণা আগবঢ়াব।

ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযানৰ ব্লু-বুকখন প্ৰস্তুত কৰিবলৈ আগবাঢ়ি অহাৰ বাবে NCTEক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শুভেচ্ছাৰে,

## বাৰ্তা



**(অধ্যাপক যোগেশ সিং)**

অধ্যক্ষ

NCTE, নতুন দিল্লী

NEP 2020এ শৈক্ষিক আকাংক্ষা পূৰণৰ ক্ষেত্ৰত শিক্ষকৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত যথাযথ গুৰুত্ব আৰোপ কৰিছে। পৰামৰ্শ দানে বিদ্যালয়ৰ শিক্ষক আৰু মুৰব্বীসকলৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰি একবিংশ শতিকাৰ প্ৰয়োজনীয়তাসমূহৰ সৈতে খাপ খুৱাবলৈ সহায় কৰে। ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযান (NMM)এ গঠনমূলক পৰামৰ্শ দানৰ সম্পৰ্কৰ জৰিয়তে প্ৰতিষ্ঠানিক সহায় আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ। NMMৰ এই ব্লু-বুকখনে ভৱিষ্যত গঢ়ি তুলিব পৰাকৈ, সমালোচনাত্মক দৃষ্টিভংগী আৰু অভিযোজন ক্ষমতাক শক্তিশালী কৰি তুলিব পৰাকৈ শিক্ষকসকলক সবল কৰি তুলিছে। এই সুযোগ গ্ৰহণ কৰিবলৈ আৰু এই অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ মই শিক্ষকসকলক আহ্বান জনাইছোঁ।

এই তথ্যপুস্তিকা প্ৰস্তুত কৰি NCTEৰ দলটোৱে যি অনুকৰণীয় কৰ্ম সম্পাদন কৰিলে, তাৰবাবে মই তেওঁলোকক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আমি সকলো একত্ৰিত হৈ আমাৰ বিদ্যালয়সমূহ আৰু বৃহত্তৰ শিক্ষক সম্প্ৰদায়ৰ মাজত পৰামৰ্শ দান আৰু সহযোগিতাৰ এক সংস্কৃতি গঢ়ি তোলো আহক।

*************************************************************************************

## বাৰ্তা



**(কেচাঙ ৱাই চেৰ্পা, আইআৰএছ)**

সদস্য সচিব

NCTE, নতুন দিল্লী

শিক্ষকসকলক ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP) 2020ৰ মূলস্তম্ভ ৰূপে বিবেচনা কৰি NCTEএ ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযান (NMM)ৰ শুভাৰম্ভ কৰিছে। এই অভিযানে শিক্ষকৰ বাবে সহায় আৰু সমৰ্থনৰ উপলব্ধতাৰ ক্ষেত্ৰত এক আমূল পৰিবৰ্তনৰ সূচনা কৰিব। প্ৰযুক্তিৰ ব্যৱহাৰ কৰি NMMএ ভৌগোলিক সীমা অতিক্ৰম কৰি আৰু আন বাধাসমূহ আঁতৰাই 'পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰী'ৰ নিৰৱচ্ছিন্ন সংযোগক প্ৰসাৰিত কৰিছে। এনে ডিজিটেল সম্বন্ধই ব্যক্তিৰ বাবে প্ৰয়োজনীয় এক নিকট আৰু নিৰৱচ্ছিন্ন পৰামৰ্শ দান ব্যৱস্থা গঢ়ি তুলিছে। অভিজ্ঞ পেছাদাৰীসকলে এই ভাৰ্চুৱেল পৰামৰ্শ আৰু সহযোগিতা মঞ্চৰ জৰিয়তে পৰামৰ্শ গ্ৰহণকাৰীসকলক পথ প্ৰদৰ্শন কৰিবলৈ গুৰু হিচাপে কাম কৰিব। NMMৰ ব্লু-বুকখনে এই কাৰ্যসূচীৰ ওপৰত বিশদ অন্তৰ্দৃষ্টি আগবঢ়াইছে।

# সূচীপত্ৰ


| | |
|---|---|
| পাতনি | I-V |
| সূচীপত্ৰ | VII |
| চিত্ৰসমূহৰ সূচী | X |
| তালিকাসমূহৰ সূচী | X |
| কাৰ্যকৰী সাৰাংশ | XI |
| **অধ্যায় I : ভাৰতবৰ্ষত শিক্ষা** | |
| 1.1. ভাৰতবৰ্ষত শিক্ষা: সাম্প্ৰতিক অৱস্থা | 2 |
| 1.2. শিক্ষকৰ ভূমিকা | 3 |
| 1.3. জটিল আৰু বৰ্ধিত প্ৰত্যাহ্বানসমূহ | 4 |
| 1.4. প্ৰাসংগিকতা আৰু পৃষ্ঠভূমি | 4 |
| 1.5. ৰাষ্ট্ৰীয় শিক্ষা নীতি (2020) পৰামৰ্শ দানৰ কৰ্ম-আঁচনি | 4 |
| 1.5.1. শিক্ষাৰ্থীৰ বাবে | 5 |
| 1.5.2. শিক্ষকসকলৰ বাবে | 5 |
| 1.5.3. বিদ্যালয়ৰ মুৰব্বীসকলৰ বাবে | 5 |
| 1.5.4. শৈক্ষিক মুৰব্বী আৰু অনুষ্ঠানসমূহৰ বাবে | 5 |
| **অধ্যায় II: পৰামৰ্শ দানৰ পৰিচয়** | |
| 2.1. পৰামৰ্শ দানৰ ধাৰণা | 8 |
| 2.2. পৰামৰ্শ দানৰ নীতিসমূহ | 9 |
| 2.3. পৰামৰ্শ দানৰ সৈতে জড়িত সাধাৰণ ভ্ৰান্তিসমূহ | 10 |
| **অধ্যায় III: ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযানৰ পৰিচয়** | |
| 3.1. ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযানৰ প্ৰয়োজনীয়তা | 12 |
| 3.2. এই অভিযান কেনেকৈ সফল কৰিব পৰা যাব? | 12 |
| 3.3. এই অভিযানৰ আকাংক্ষিত ফলাফলসমূহ কি? | 15 |
| **অধ্যায় IV: পৰামৰ্শ দানৰ সমাধানসমূহ** | |
| 4.1. পৰামৰ্শ প্ৰদানকাৰীৰ নিৰ্বাচন | 18 |
| 4.1.1. পৰামৰ্শ প্ৰদানকাৰীৰ নিৰ্বাচন প্ৰক্ৰিয়া | 18 |

4.2. পৰামৰ্শ প্ৰদানকাৰীৰ গুণসমূহ 18
4.3. পৰামৰ্শ গ্ৰহণকাৰীৰ গুণসমূহ 21
4.4. পৰামৰ্শ প্ৰদানকাৰী বিকাশ 22
4.4.1. পৰামৰ্শ প্ৰদানকাৰী প্ৰশিক্ষণ কাৰ্যসূচী 22
*4.4.1.1. পৰামৰ্শ দানৰ ভেটি (মূল দক্ষতাসমূহ)* 22
*4.4.1.2. পৰামৰ্শ দানৰ প্ৰকাৰ* 23
4.4.2. পৰামৰ্শ প্ৰদানকাৰীসকলৰ নিৰন্তৰ পেছাদাৰী বিকাশ 25
4.5. পৰামৰ্শ দানৰ ক্ষেত্ৰসমূহ 26
4.6. পৰামৰ্শ দানমূলক আলাপ-আলোচনা 29
**অধ্যায় V: পৰামৰ্শ দান কাৰ্যসূচীৰ উপাদানসমূহ**
5.1. কাৰ্যসূচীৰ আৰ্হি প্ৰস্তুত আৰু পৰিকল্পনা 32
5.1.1. পৰামৰ্শ প্ৰদানকাৰীৰ অগ্ৰগতি 32
5.2. কাৰ্যসূচী ব্যৱস্থাপনা 33
5.3. কাৰ্যসূচী কাৰ্যকৰীকৰণ 33
5.3.1. ভূমিকা আৰু দায়িত্ব 34
5.3.2. পৰামৰ্শ দান কাৰ্যসূচীৰ বিভিন্ন স্তৰসমূহ কাৰ্যকৰী কৰাৰ বাবে পৰামৰ্শাৱলী 34
5.4. কাৰ্যসূচীৰ মূল্যায়ন 36
5.5. প্ৰতিষ্ঠানিকীকৰণ 39
5.6. উৎসাহ প্ৰদান 39
5.7. পৰামৰ্শ দান কাৰ্যসূচীৰ প্ৰত্যাহ্বানসমূহ 40
5.8. অভিযোগ নিবাৰণ ব্যৱস্থাৱলী 42
**অধ্যায় VI: ৰাষ্ট্ৰীয় পৰামৰ্শ দান আন্তঃগাঁথনি**
6.1. পৰিচয় 44
6.2. আৰ্হি নীতিসমূহ 44
6.3. পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ ক্ৰিয়াকলাপ সক্ষমকৰণ 46
6.4. প্ৰযুক্তিমূলক উপাদানসমূহ 46

6.5. সংহত পৰামৰ্শ দান ইণ্টাৰফেচ 48

6.5.1. আবিষ্কাৰযোগ্যতা 48

6.5.2. বিশ্বাস 48

6.6. সংহত পৰামৰ্শ দান নেটৱৰ্ক 48

6.7. প্লেটফৰ্ম ব্যৱস্থাপন 48

**অধ্যায় VII: যাত্ৰা আৰু আগুৱাই যোৱাৰ পথ**

7.1. ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযান (NMM)ৰ যাত্ৰা 52

7.2. আগুৱাই যোৱাৰ পথ 52

**গ্ৰন্থপঞ্জী 54**

**পৰিশিষ্টসমূহ 55**

পৰিশিষ্ট - I 56

পৰিশিষ্ট - II 59

পৰিশিষ্ট - III 61

পৰিশিষ্ট - IV 62

## চিত্ৰসমূহৰ সূচী


চিত্ৰ 1.1: ভাৰতবৰ্ষত শিক্ষা 2
চিত্ৰ 1.2: শিক্ষকৰ ভূমিকা 3

চিত্ৰ 3.1: কাৰকসমূহৰ মাজৰ পাৰস্পৰিক ক্ৰিয়াকলাপ আৰু এটা গোট ৰূপে লক্ষ্য প্ৰাপ্তিৰ চেষ্টা 13
চিত্ৰ 3.2: পৰামৰ্শ দানৰ কাৰকসমূহ 14
চিত্ৰ 3.3: অংশীদাৰসকলৰ মাজত হোৱা পাৰস্পৰিক আলোচনাৰ নীতি 14
চিত্ৰ 3.4: অভিযানৰ মূল স্তৰসমূহ 15

চিত্ৰ 5.1: পৰামৰ্শ প্ৰদানকাৰীৰ অগ্ৰগতি 33
চিত্ৰ 5.2: পৰামৰ্শ দানৰ মূল্যায়ন মেট্ৰিকসমূহ 36

চিত্ৰ 6.1: ৰাষ্ট্ৰীয় পৰামৰ্শ দান আন্তঃগাঁথনিৰ আৰ্হি নীতি 44
চিত্ৰ 6.2: প্ৰযুক্তিৰ আন্তঃগাঁথনিত সক্ষমিত মূল কাৰ্য্যসমূহ 46
চিত্ৰ 6.3: সংহত পৰামৰ্শ দান নেটৱৰ্ক (UMW) – উপাদান পৰ্যায়ৰ দৃশ্য 47

চিত্ৰ 7.1: আগুৱাই যোৱাৰ পথ 53


## তালিকাসমূহৰ সূচী


তালিকা 4.1: দক্ষতা, উপাদান আৰু বিৱৰণ 22
তালিকা 4.2: পৰামৰ্শ দানৰ পদ্ধতিসমূহ 25
তালিকা 4.3: পৰামৰ্শ প্ৰদানকাৰীৰ প্ৰশিক্ষণ আৰু কৌশলৰ স্তৰ 26
তালিকা 4.4: পৰামৰ্শ দানৰ ক্ষেত্ৰসমূহ আৰু সংজ্ঞা 26

তালিকা 5.1: অংশীদাৰসকল আৰু দায়িত্বসমূহ 34
তালিকা 5.2: উদ্দেশ্য আৰু প্ৰভাৱৰ সূচক 38
তালিকা 5.3: উৎসাহৰ প্ৰকাৰসমূহ 39

তালিকা 6.1: অৰ্হতা আৰু প্ৰশ্নাৱলী 49

# *কাৰ্যকৰী সাৰাংশ*

ভাৰতবৰ্ষৰ বিভিন্ন স্তৰৰ শিক্ষা কৰ্মীসকলে উপলব্ধি কৰিছে যে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ বৃহত্তৰ অভিযানত ফলদায়কভাৱে অৰিহণা যোগাবলৈ শিক্ষকসকলৰ অবিৰত শিকণ আৰু বিকাশৰ অতীব প্ৰয়োজন। এই ক্ৰমবৰ্ধিত প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ হাতত লোৱা প্ৰচেষ্টাৰেই ফল হৈছে এই 'পৰামৰ্শ দানৰ ব্লু-বুক'। এই ব্লু-বুকখনৰ মূল হিচাপে পৰিগণিত 'পৰামৰ্শ দান' (Mentoring) হৈছে পৰামৰ্শ প্ৰদানৰ অভিজ্ঞতা থকা এজন ব্যক্তি (Mentor) আৰু সেই পৰামৰ্শৰ পৰা শিকিব বিচৰা কোনোবা ব্যক্তিৰ (Mantee)ৰ মাজৰ পাৰস্পৰিক ক্ৰিয়াকলাপৰ প্ৰণালীক বুজাবলৈ ব্যৱহাৰ কৰা শব্দ। ই ব্যৱস্থাটোৰ মাজত উপলব্ধ বিশেষজ্ঞতাৰ সুযোগ গ্ৰহণ কৰি 'পৰামৰ্শ দান'ক এক সমস্যা সমাধানৰ উপাদান ৰূপে গণ্য কৰি শিক্ষা পৰিক্ষেত্ৰৰ বিভিন্ন অংশীদাৰৰ পথ-প্ৰদৰ্শক হিচাপে সেৱা আগবঢ়োৱাৰ প্ৰয়াস কৰে।

এই ব্লু-বুকখনক মুঠ *সাতটা অধ্যায়ত* বিভক্ত কৰা হৈছে –

*প্ৰথম অধ্যায়ত* ভাৰতবৰ্ষত শিক্ষা সম্পৰ্কীয় চমু তথ্যৰে প্ৰসংগ নিৰ্ধাৰণ কৰা হৈছে। ইয়াত এতিয়ালৈকে চৰকাৰী পদক্ষেপসমূহৰ সফলতাসমূহ সামৰি লোৱা হৈছে, শিক্ষাৰ ক্ষেত্ৰত প্ৰচলিত দেশজোৰা নীতি আৰু প্ৰকল্পসমূহৰ কিছুমান প্ৰভাৱ সূচকাংক আৰু লক্ষ্যসমূহৰ ওপৰত আলোকপাত কৰা হৈছে। ইয়াৰ উপৰিও শিক্ষা ব্যৱস্থাৰ বৰ্ধিত প্ৰত্যাহ্বানসমূহৰ লগতে NEP 2020ৰ সৈতে খোজ মিলাবলৈ পথ প্ৰদৰ্শনৰ প্ৰয়োজনীয়তাৰ ওপৰতো আলোকপাত কৰা হৈছে।

*দ্বিতীয় অধ্যায়ত* পৰামৰ্শ দানৰ ধাৰণাটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰা হৈছে। ইয়াত যিবোৰ নীতিৰ ভিত্তিত পৰামৰ্শ দান কাৰ্যসূচীৰ কল্পনা কৰা হৈছে সেইবোৰৰ ওপৰত আলোকপাত কৰা হৈছে। পৰামৰ্শ দান সম্বন্ধে থকা সাধাৰণ ভ্ৰান্তিবোৰৰ বিষয়েও এই অধ্যায়ত উল্লেখ কৰা হৈছে।

*তৃতীয় অধ্যায়ত* 'ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযান'ৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হৈছে। ইয়াত 'পৰামৰ্শ প্ৰদানকাৰী', 'পৰামৰ্শ গ্ৰহণকাৰী' আৰু 'প্ৰশাসন'ক পৰামৰ্শ দান সংৰচনাৰ তিনিটা মূল উপাদান হিচাপে চিনাক্ত কৰা হৈছে আৰু ইহঁতৰ মাজৰ পাৰস্পৰিক ক্ৰিয়াকলাপৰ বিষয়ে উল্লেখ কৰা হৈছে।

*চতুৰ্থ অধ্যায়ত* পৰামৰ্শ প্ৰদানকাৰীৰ নিৰ্বাচন, পৰামৰ্শ প্ৰদানকাৰীৰ বৈশিষ্ট্য আৰু পৰামৰ্শ গ্ৰহণকাৰী আদি বিভিন্ন দিশৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হৈছে। ইয়াৰ উপৰিও ইয়াত পৰামৰ্শ দান সম্বন্ধীয় কৌশলৰ ভেটি, পৰামৰ্শ দানৰ প্ৰকাৰ, আৰু পৰামৰ্শ প্ৰদানকাৰীৰ অবিৰত পেছাদাৰী বিকাশৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। এই খণ্ডত পৰামৰ্শ দান কৰিব পৰা গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ ওপৰতো আলোকপাত কৰা হৈছে।

*পঞ্চম অধ্যায়ত* কাৰ্যসূচীৰ ডিজাইন আৰু পৰিকল্পনা, কাৰ্যসূচী পৰিচালনা, অংশীদাৰসকলৰ ভূমিকা আৰু দায়িত্ব, নিৰ্দেশনা কাৰ্যসূচীৰ বিভিন্ন পৰ্যায় পৰিচালনাৰ বাবে পৰামৰ্শ, কাৰ্যসূচীৰ মূল্যায়ন আৰু বিদ্যালয়/প্ৰতিষ্ঠানসমূহৰ ওপৰত কাৰ্যসূচীৰ প্ৰভাৱৰ ওপৰত আলোকপাত কৰা হৈছে। ইয়াৰ উপৰিও কাৰ্যসূচীৰ আনুষ্ঠানিকীকৰণ আৰু প্ৰচাৰৰ ওপৰতো আলোকপাত কৰা হৈছে।

*ষষ্ঠ অধ্যায়ত* ৰাষ্ট্ৰীয় পৰামৰ্শ দান আন্তঃগাঁথনি (NMI) সৃষ্টি, ইয়াৰ আৰ্হিৰ নীতিসমূহ আৰু প্ৰযুক্তিৰ উপাদানসমূহৰ ওপৰত আলোকপাত কৰা হৈছে; ইয়াৰ উপৰিও ইয়াত একত্ৰিত পৰামৰ্শ দান ইণ্টাৰফেচ (UMI)ৰ বিষয়েও উল্লেখ কৰা হৈছে।

*সপ্তম অধ্যায়ত* ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযানৰ যাত্ৰা আৰু ভৱিষ্যতৰ গতিপথৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰা হৈছে।

অধ্যায়
I

# ভাৰতবৰ্ষত শিক্ষা



# অধ্যায় - I: ভাৰতবৰ্ষত শিক্ষা

## 1.1. ভাৰতবৰ্ষত শিক্ষা: সাম্প্ৰতিক অৱস্থা

ভাৰতবৰ্ষৰ শৈক্ষিক পদক্ষেপসমূহ অত্যন্ত সুবিবেচিত নীতিৰ দ্বাৰা পৰিচালিত হৈ আহিছে যাতে ইয়াৰ যোগেদি প্ৰগতিৰ বাবে অতি গুৰুত্বপূৰ্ণ ফলাফল লাভ কৰিব পাৰি। ইতিপূৰ্বেও শিক্ষাৰ বহু ক্ষেত্ৰত বহুতো উদ্ভাৱনীমূলক পদক্ষেপ গ্ৰহণ কৰা হৈছিল আৰু কাৰ্যকৰীকৰণৰ জটিলতা নিৰ্বিশেষে এই পদক্ষেপসমূহে শিক্ষা খণ্ডত ইতিবাচক পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হৈছিল। ইয়াত প্ৰাথমিক শিক্ষা পৰ্যায়ত সুদৃঢ় ভেটি নিশ্চিত কৰাৰ সমান্তৰালভাৱে শিক্ষাক সাৰ্বজনীনভাৱে উপলব্ধ কৰি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। শিশুসকলৰ বাবে এনে এক অনুকূল স্থানৰ পৰিকল্পনা কৰা হৈছিল, যি তেওঁলোকক সু-সামঞ্জস্যপূৰ্ণ, আত্মবিশ্বাসী প্ৰাপ্তবয়স্কলৈ ৰূপান্তৰিত হোৱাৰ অভ্যাস গঢ়ি তুলিব। তদুপৰি, শিক্ষাৰ্থীসকলৰ অগ্ৰগতি মূল্যায়নৰ বাবে সহায়ক হোৱাকৈ এনে এক সংৰচনা গঢ়ি তোলা হৈছে, যি শিক্ষকসকলক সুযোগ প্ৰদানকাৰী হিচাপে প্ৰক্ষেপ কৰাৰ লগতে সহযোগিতামূলক পৰিৱেশ সৃষ্টিৰ বাবে ফলপ্ৰসূ ৰূপে পৰিগণিত হৈছে।

শিক্ষা ব্যৱস্থাৰ পৰিৱেশ সলনি কৰি গুণগত মান, সুগমতা আৰু সমতা সৃষ্টিৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ ব্যৱস্থাটোক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা এক অপৰিহাৰ্য কাৰক ৰূপে পৰিগণিত হৈ আহিছে। UDISEৰ আনুমানিক তথ্য অনুসৰি ভাৰতবৰ্ষৰ বিদ্যালয়সমূহত স্থায়ী, ঠিকা-ভিত্তিক আৰু অৰ্ধ-শিক্ষক (শিক্ষা মিত্ৰ আৰু নিয়োজিত শিক্ষক)সকলক ধৰি প্ৰায় 95 লাখ শিক্ষক আছে। শিক্ষকসকলৰ যোগ্যতা আৰু চৰিত্ৰই শিক্ষাৰ গুণগত মানদণ্ড আৰু ৰাষ্ট্ৰীত বিকাশত ইয়াৰ অৱদান নিৰ্ধাৰণ কৰাতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। NEP, 2020এ শিক্ষকসকলৰ অবিৰত বৃত্তিগত বিকাশ আৰু প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ বাবে শিক্ষক শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম সংৰচনা (NCFTE) প্ৰস্তুত কৰি উলিওৱা হৈছে, যাতে শিক্ষক শিক্ষণৰ কাৰ্যসূচীসমূহৰ বিভিন্ন দিশসমূহ সুচাৰুৰূপে পৰিচালনা কৰিব পাৰি। একেদৰে, 'শিক্ষক সৱলীকৰণৰ প্ৰসাৰ'ৰ ওপৰতো যথাযথ গুৰুত্ব প্ৰদান কৰা হৈছে, যি মূলতঃ শিক্ষকসকলক বিদ্যালয়ৰ লক্ষ্য আৰু নীতি নিৰ্ধাৰণত অংশগ্ৰহণ কৰিবলৈ আৰু *কি আৰু কেনেকৈ শিকাব* সেই সম্পৰ্কে তেওঁলোকৰ পেছাদাৰী বিচাৰ বা অভিজ্ঞতা ব্যৱহাৰ কৰিবলৈ অধিকাৰ প্ৰদান কৰিছে।

**ৰাষ্ট্ৰীয় শিক্ষা নীতি**

- সাৰ্বজনীন গুণগত শিক্ষা
- জীৱনজোৰা শিকণ

**বহনক্ষম উন্নয়নৰ লক্ষ্য**

- সুলভ আৰু গুণগত শিক্ষাৰ সুবিধা উন্নত কৰা
- শিক্ষাত বৈষম্য দূৰীকৰণ
- সাক্ষৰতা আৰু বুনিয়াদী সংখ্যাজ্ঞান অৰ্জন

**সমগ্ৰ শিক্ষা আৰু নিপুণ ভাৰত**

- সকলো শিক্ষাৰ্থীৰ বাবে সাৰ্বজনীন গুণগত শিক্ষাৰ নিশ্চিতকৰণ
- পুষ্টিজনিত সাহায্য
- উচ্চ শিক্ষা
- শিক্ষকৰ প্ৰশিক্ষণ
- ডিজিটেল, আন্তঃগাঁথনি আৰু সক্ষমতা বৃদ্ধিৰ পাঠ্যগোট


চিত্ৰ 1.1: ভাৰতবৰ্ষত শিক্ষা

NEP আৰু ৰাষ্ট্ৰ সংঘৰ বহনক্ষম উন্নয়ন লক্ষ্য 4এ সাৰ্বজনীন গুণগত শিক্ষা আৰু জীৱনজোৰা শিক্ষাৰ লক্ষ্য স্থিৰ কৰি লৈছে। তদুপৰি, বহনক্ষম উন্নয়ন লক্ষ্য 4এ সুলভ আৰু গুণগত শিক্ষা, শিক্ষাত বৈষম্যৰ দূৰীকৰণ আৰু বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাজ্ঞান অৰ্জন ওপৰতো গুৰুত্ব আৰোপ কৰিছে। ভাৰত চৰকাৰৰ প্ৰধান আঁচনিসমূহ, সমগ্ৰ শিক্ষা আৰু নিপুণ ভাৰতৰ যোগেদি সকলো শিক্ষাৰ্থীয়ে সাৰ্বজনীন গুণগত শিক্ষা লাভৰ লক্ষ্য বান্ধি লোৱা হৈছে। পুষ্টি সম্বন্ধীয় সাহায্য, উচ্চ শিক্ষা আৰু শিক্ষকৰ প্ৰশিক্ষণ আদি লক্ষ্য নিৰ্দিষ্ট আঁচনিসমূহ এনে প্ৰচেষ্টাৰে পৰিপূৰক। ডিজিটেল শিক্ষণ, আন্তঃগাঁথনি আৰু সক্ষমতা সৃষ্টিৰ বাবে পাঠ্যগোটসমূহৰ সৃষ্টি কৰি আন্তঃগাঁথনিমূলক বাধাসমূহ নিৰ্মূল কৰিবলৈ সম্পদসমূহৰ ব্যৱহাৰ কৰা হৈছে।

বিদ্যালয়সমূহ বন্ধ হৈ থকাৰ সময়ৰ ডিজিটেল সম্পদসমূহ শিক্ষাৰ জীৱনৰেখা হিচাপে পৰিগণিত হৈছিল আৰু মহামাৰীয়ে এই ব্যৱস্থাক অনলাইন শিক্ষণৰ লগত ক্ষীপ্ৰতাৰে খাপ খাই পৰিবলৈ বাধ্য কৰিছিল। এই ডিজিটেল প্ৰযুক্তিয়ে যি সম্ভাৱনাৰ সৃষ্টি কৰিছিল, সি মহামাৰীৰ কালত অস্থায়ী সমাধান হিচাপে সেৱা আগবঢ়োৱাৰ পৰৱৰ্তী সময়তো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। জনসাধাৰণে কি, কেনেকৈ আৰু ক’ত শিকিব, সেই বিষয়ে শিক্ষক, নেতা আৰু সামগ্ৰিকভাবে সমাজৰ উপলব্ধিৰ ক্ৰমবিকাশত অৰিহণা আগবঢ়াইছিল। জ্ঞান প্ৰদানৰ পৰা আৰম্ভ কৰি জ্ঞানৰ সহ-সৃষ্টিকৰ্তা, পথ-প্ৰদৰ্শক, পৰামৰ্শ প্ৰদানকাৰী আৰু মূল্যায়নকাৰীলৈ শিক্ষকৰ ভূমিকাৰ বিকাশ ঘটিছে।

## 1.2. শিক্ষকৰ ভূমিকা

শিক্ষাৰ্থীসকলক কেন্দ্ৰ কৰি শিক্ষণৰ ফলাফল অৰ্জনৰ দায়িত্ব সাধাৰণতে শিক্ষকসকলৰ ওপৰত ন্যস্ত থাকে। তদুপৰি নিজ নিজ বিদ্যালয়ৰ সাংস্কৃতিক ধাৰা বা তেওঁলোকৰ অঞ্চলসমূহত বিদ্যালয়ক সংজ্ঞায়িত কৰাৰ ক্ষেত্ৰত গুৰুত্বপুৰ্ণ ভূমিকা পালন কৰে। যিকোনো প্ৰত্যাহ্বানক কৌশলগতভাৱে মোকাবিলা কৰিবৰ বাবে তেওঁলোকে নিজৰ পদক্ষেপসমূহক প্ৰতিক্ৰিয়ামূলকৰ পৰা সক্ৰিয়তামূলকলৈ অবিৰতভাৱে সলনি কৰি থাকিব লাগিব। সাধাৰণতে আশা কৰা হয় যে শিক্ষকে গঠনমূলক পৰিবৰ্তনৰ সুবিধা প্ৰদান কৰিব আৰু সেই পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা সালসলনি সঠিকভাৱে পৰিচালনা কৰিব। আন্তঃগাঁথনি, নীতি, বোৰ্ড বা বিদ্যালয়ত প্ৰচলিত প্ৰথা অনুসৰি শিক্ষকসকলে শিক্ষণ-শিকণ প্ৰক্ৰিয়াত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।




চিত্ৰ 1.2: শিক্ষকৰ ভূমিকা

অতীতৰ অভিজ্ঞতাই অবিৰত শিকণ আৰু দক্ষতা গঢ়ি তোলাৰ প্ৰয়োজনীয়তা সম্বন্ধে পুনৰ সোঁৱৰাই দিয়ে। বিগত সময়ত এই ক্ষেত্ৰত কেইবাটাও পদক্ষেপ আৰম্ভ কৰা হৈছে যি শিক্ষকসকলৰ সামৰ্থ্য বিকাশ আৰু অবিৰত পেছাদাৰী বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। এনেদৰে সৃষ্ট বহুতো পদ্ধতিয়ে নিৰন্তৰ শিকণ আৰু বিকাশৰ পৰিসৰ সম্ভৱ কৰি তোলাৰ পিছতো শিক্ষকসকল এতিয়াও কিছুমান প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আছে, যি বিকেন্দ্ৰীকৃত আৰু প্ৰাসংগিক সামৰ্থ্য নিৰ্মাণত বাধা হিচাপে থিয় দিয়ে।

## 1.3. জটিল আৰু বৰ্ধিত প্ৰত্যাহ্বানসমূহ

সময়ৰ প্ৰয়োজনীয়তা অনুসৰি শিক্ষকসকলৰ শিকণ সুবিধাসমূহৰ নক্সা প্ৰস্তুত আৰু নিৰ্ধাৰিত কৰা হৈছিল। অৱশ্যে তেওঁলোকে বৃত্তিগত বিকাশৰ অংশ হিচাপে আলোচনা, কৰ্ম-বৈঠক, শিকণ মহল বাছি লোৱাৰ ক্ষেত্ৰত খুব কমেইহে সুবিধা লাভ কৰে। তেওঁলোকৰ মাজত থকা বিশেষজ্ঞসকলক নিষ্ক্ৰিয় অৱস্থাতহে পোৱা যায়, আৰু সেইবাবে তেওঁলোকে লাভান্বিত হোৱাটো জটিল হৈ পৰে।

শিকণৰ প্ৰতি আগ্ৰহী শিক্ষকসকল পৃথক আৰু ভিন্ন পৃষ্ঠভূমিৰ পৰা অহা। গতিকে এনে শিক্ষকসকলে একে ধৰণৰ সমস্যাৰ সন্মুখীন হ'লেও সেই সমস্যাসমূহ নিৰাময়ৰ বাবে একত্ৰিতভাৱে কাম কৰা, আলোচনা কৰা আৰু নিজা নৈপুণ্য বিকাশ কৰাটো তেওঁলোকৰ বাবে কঠিন হৈ পৰে। এটা কঠিন, নতুন আৰু ক্ৰমবিকশিত সমস্যাৰ সতে মোকাবিলা কৰোঁতে কোনোৱে অকলশৰীয়া আৰু নিৰুৎসাহিত অনুভৱ কৰিলে পৰিৱেশটো অধিক জটিল হৈ পৰে। মহামাৰীয়ে এইকথা পুনৰ প্ৰমাণ কৰিলে যে উমৈহতীয়া সমস্যাসমূহ সমাধানৰ বাবে শিকণ, অভিজ্ঞতা, প্ৰত্যাহ্বানৰ সম্বন্ধে নিৰন্তৰ আলোচনা কৰিব পৰাকৈ এক সম্প্ৰদায়ৰ প্ৰয়োজন আছে। কোনো সময়ত দেখা পোৱা যায় প্ৰত্যাহ্বানসমূহৰ সমাধান উলিওৱাত শিক্ষকসকল নিজেই পিছ পৰি ৰয়। ইয়াৰ মূল কাৰণটো হ'ল যে কোনো বিশেষ সহায় লাভৰ বাবে তেওঁলোকে যিদৰে প্লেটফৰ্ম, প্ৰযুক্তি বা নিপুণতা লাভ কৰিব লাগে, সেয়া লাভৰ ক্ষেত্ৰত শিক্ষকসকলৰ মাজত সজাগতাৰ অভাৱ দেখা পোৱা যায়।

শিক্ষকসকলে বিভিন্ন ধৰণৰ দায়িত্ব পালন কৰিব লগা হয়। গতিকে এনে পৰিৱেশত তেওঁলোকে পালন কৰা দায়িত্বসমূহৰ মাজত ভাৰসাম্যতা বৰ্তাই ৰখাৰ সমান্তৰালভাৱে বৃত্তিগত বিকাশ আৰু সক্ষমতা বাবে, যিদিহে তেওঁলোকৰ শাৰীৰিক উপস্থিতিৰ প্ৰয়োজন হয়, সময় উলিওৱাটো অত্যন্ত প্ৰত্যাহ্বানজনক হৈ পৰে।

## 1.4. প্ৰাসংগিকতা আৰু পৃষ্ঠভূমি

বিভিন্ন ভৌগোলিক অঞ্চল, ভূমিকা আৰু ক্ষেত্ৰৰ শিক্ষকসকলৰ পেছাদাৰী বিকাশৰ প্ৰয়োজনীয়তা তেওঁলোকৰ প্ৰসংগ, প্ৰত্যাহ্বান আৰু আগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰি ভিন্ন হ'ব পাৰে। সেইকাৰণে, প্ৰতিজন শিক্ষকেই তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে পৃথক ধৰণৰ দিকদৰ্শন বা নেটৱৰ্কৰ সন্ধান কৰিব পাৰে। কিছুমান শিক্ষকে তেওঁলোকৰ সতীৰ্থসকলৰ পৰা প্ৰত্যক্ষভাৱে শিকিবলৈ পছন্দ কৰাৰ বিপৰীতে আনসকলে একে ধৰণৰ সমস্যাৰ সন্মুখীন হোৱা এক বৃহত্তৰ গোটৰ সৈতে সংযুক্ত হ'ব খোজে। কিছুমান পৰিস্থিতিত বিশেষজ্ঞসকলৰ মতামতে তেওঁলোকক সহায় কৰিব পাৰে। সেয়ে শিক্ষকসকলে বৃত্তিগত ক্ষেত্ৰত সহায় লাভ কৰিব পৰাকৈ এখন মঞ্চ গঢ়ি তুলিব লাগিব।

## 1.5. ৰাষ্ট্ৰীত শিক্ষা নীতি (2020) পৰামৰ্শ দানৰ কৰ্ম-আঁচনি

NEP 2020এ গুণগত শিক্ষাৰ SDG 4ৰ সৈতে সংগতি ৰাখি শিক্ষা গাঁথনিৰ সকলো দিশ পুনৰুজ্জীৱিত কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে।[1] ইয়াত ফলাফলৰ মান উন্নত কৰিবলৈ বিভিন্ন স্তৰত পৰামৰ্শ দানক এক সমাধান হিচাপে প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

[1] মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয় (2020, 29 জুলাই). ৰাষ্ট্ৰীয় শিক্ষা নীতি 2020, ভাৰত চৰকাৰ।

### 1.5.1 শিক্ষাৰ্থীৰ বাবে

শিক্ষাৰ্থীৰ বিদ্যালয় ত্যাগৰ হাৰ হ্ৰাস কৰিবলৈ আৰু সকলোৰে শিক্ষাৰ সুবিধা সুনিশ্চিত কৰিবলৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰাক্তন ছাত্ৰ আৰু সমাজৰ লোকসকলৰ দ্বাৰা পৰামৰ্শ দানৰ ব্যৱস্থা কৰোৱা হ'ব, যি শিকণৰ ফলাফল বৃদ্ধি কৰিব আৰু আগ্ৰহ বৰ্তাই ৰাখিব।

### 1.5.2 শিক্ষকসকলৰ বাবে

শিক্ষক প্ৰস্তুতিৰ প্ৰক্ৰিয়াটোক প্ৰয়োজনীয় বুলি স্বীকৃতি দি NEP 2020ত উল্লেখ কৰা হৈছে যে, ই "*বহুবিষয়ভিত্তিক দৃষ্টিভংগী আৰু জ্ঞান, স্বভাৱ আৰু মূল্যবোধৰ গঠন আৰু শ্ৰেষ্ঠ পৰামৰ্শদাতাৰ অধীনত বিকাশৰ অনুশীলন*"[2]। সেয়েহে ই সমগ্ৰ ব'ৰ্ডতে শিক্ষকৰ বিকাশৰ বাবে সহায়ক হোৱাকৈ পৰামৰ্শ-দানৰ প্ৰস্তাৱ আগবঢ়াইছে।

a. ইয়াত বিদ্যালয় শিক্ষা বিভাগৰ ক্লাষ্টাৰ ৰিচ'ৰ্চ চেণ্টাৰৰ দ্বাৰা অংগনবাদী/বালভাটিকাৰ ECCE শিক্ষকসকলৰ বাবে পৰামৰ্শ দানৰ ব্যৱস্থা স্থাপন কৰাৰ লগতে নিৰন্তৰ মূল্যায়নৰ বাবে মাহেকীয়া বৈঠকৰ পৰামৰ্শ দিয়া হৈছে। পেছাদাৰীভাবে যোগ্যতাসম্পন্ন ECCE শিক্ষক প্ৰস্তুতিৰ দীৰ্ঘম্যাদী প্ৰস্তাৱত পেছাদাৰী প্ৰশিক্ষণ, পৰামৰ্শ দানৰ ব্যৱস্থাৱলী আৰু কেৰিয়াৰ মেপিঙৰ সংমিশ্ৰণ কৰাৰ বিষয়ে উল্লেখ কৰা হৈছে।

b. যিসকল কৰ্মৰত শিক্ষকে নিজৰ দক্ষতা বৃদ্ধিৰ লক্ষ্য বান্ধি লৈছে, তেনে কৰ্মৰত শিক্ষকৰ বাবে ব্যৱহাৰিক প্ৰশিক্ষণৰ উপৰিও এক উপযুক্ত, শক্তিশালী পৰামৰ্শ দান ব্যৱস্থা গঢ়ি তোলা হ'ব।

c. সৰ্বোৎকৃষ্ট পেছাদাৰী গোটৰ দ্বাৰা শিক্ষকসকলৰ দীৰ্ঘম্যাদী বৃত্তিগত সহায়ৰ আগবঢ়োৱাৰ উদ্দেশ্যে এক ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযান (National Mission for Mentoring) প্ৰতিষ্ঠা কৰা হ'ব।

### 1.5.3 বিদ্যালয়ৰ মুৰব্বীসকলৰ বাবে

ইয়াত শিক্ষণ-শিকণ প্ৰক্ৰিয়াক পৰিচালনা কৰিবলৈ শৈক্ষিক মুৰব্বীসকলক শিক্ষাদান বিষয়ক মুৰব্বী হিচাপে সক্ষমতা বৃদ্ধিৰ বাবে পৰামৰ্শ দানৰ ব্যৱস্থা, অবিৰত গুণগত উন্নতিৰ বাবে মান প্ৰতিষ্ঠা, শিক্ষকৰ বিকাশৰ বাবে ধাৰাবাহিক সহযোগিতা প্ৰদান আৰু সহযোগিতামূলক শিকণ সংস্থা সৃষ্টিৰ পৰামৰ্শ আগবঢ়োৱা হৈছে।

### 1.5.4 শৈক্ষিক মুৰব্বী আৰু অনুষ্ঠানসমূহৰ বাবে

NEP 2020এ শৈক্ষিক নেতৃবৰ্গক জড়িত কৰি সকলো শিক্ষানুষ্ঠানতে পৰামৰ্শ দানৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহৰ ক্ষেত্ৰত NEP 2020এ প্ৰদান কৰা প্ৰাথমিক গুৰুত্বটো হ'ল যে, ফলপ্ৰসূ প্ৰশাসন আৰু উপযুক্ত নেতৃত্বৰ যোগেদি এনে অনুষ্ঠানসমূহৰ পুনৰ্গঠন আৰু একত্ৰীকৰণ কৰা।

[2] মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয় (2020, 29 জুলাই). ৰাষ্ট্ৰীয় শিক্ষা নীতি 2020, ভাৰত চৰকাৰ.

## পৰামৰ্শ দানৰ ব্লু-বুক

a. উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত সৰলীকৰণ আৰু স্বায়ত্বশাসিত উদ্ভাৱনৰ সংস্কৃতি গঢ়ি তুলিবলৈ এক গ্ৰেড ভিত্তিক স্বীকৃতি প্ৰদানৰ ব্যৱস্থাৱলী আৰম্ভ কৰা হ'ব, যাৰ যোগেদি মহাবিদ্যালয়সমূহক এক নিৰ্ধাৰিত মানৰ ওপৰলৈ উন্নীত কৰাৰ বাবে পৰামৰ্শ দান কৰা হ'ব। প্ৰতিখন বিশ্ববিদ্যালয়ে ইয়াৰ অনুমোদিত মহাবিদ্যালয়সমূহক "শৈক্ষিক আৰু পাঠ্যক্ৰমৰ বিষয়সমূহত, শিক্ষণ আৰু মূল্যায়ন, প্ৰশাসনৰ সংস্কাৰ, আৰ্থিক সুদৃঢ়তা, আৰু প্ৰশাসনীয় দক্ষতা"ৰ সক্ষমতা বিকাশৰ বাবে সহায় আগবঢ়াব, আৰু ইয়াৰ ফলত এই অনুষ্ঠানসমূহ ডিগ্ৰী প্ৰদান কৰিব পৰা স্বায়ত্বশাসিত মহাবিদ্যালয়লৈ ৰূপান্তৰিত হৈ পৰিব।

b. তদুপৰি, NRFৰ এটা প্ৰধান দায়িত্ব হ'ল ই শৈক্ষিক অনুষ্ঠানসমূহক সকলো ক্ষেত্ৰতে গুণগত শৈক্ষিক গৱেষণাৰ অনুঘটক হিচাপে কাম কৰিবলৈ পৰামৰ্শ দান কৰিব।

NEP 2020ত আগবঢ়োৱা পৰামৰ্শৱলীৰ উপৰিও ভাৰতবৰ্ষৰ শিক্ষাৰ পৰিবেশতন্ত্ৰৰ সকলোতে বিভিন্ন উদ্দেশ্য সাধনৰ বাবে পৰামৰ্শ দান ব্যৱস্থা আৰম্ভ কৰাৰ যথেষ্ট সুযোগ আছে। শিক্ষাৰ পৰিবেশতন্ত্ৰৰ বিভিন্ন পৰ্যায়ৰ কৰ্মীসকলৰ মাজত তথ্যৰ বহুল প্ৰচাৰ আৰু ফলপ্ৰসূ আৰু দক্ষতাপূৰ্ণ পথ-প্ৰদৰ্শন বাবে জ্ঞান আৰু অভিজ্ঞতাৰ সম্পদেৰে সমৃদ্ধ বিভিন্ন অংশীদাৰসকলৰ সহায় ল'ব পৰা যায়।

অধ্যায় II

# পৰামৰ্শ দানৰ পৰিচয়



## অধ্যায়-II: পৰামৰ্শ দানৰ পৰিচয়

### 2.1. পৰামৰ্শ দানৰ ধাৰণা

পৰামৰ্শ দান - এই শব্দটো নিজৰ কামত অভিজ্ঞ ব্যক্তি আৰু সেই অভিজ্ঞতাৰ পৰা জ্ঞান অৰ্জন কৰিব খোজা আন এজন ব্যক্তিৰ মাজত হোৱা আলোচনাক বুজাবলৈ ব্যৱহাৰ কৰা হয়। বিশ্বাস কৰা হয় যে পৰামৰ্শ প্ৰদানকাৰী (Mentor) আৰু পৰামৰ্শ গ্ৰহণকাৰী (Mentee) উভয়ৰে ব্যক্তিগত আৰু বৃত্তিগত বিকাশৰ বাবে এইটোৱেই হৈছে উত্তম উপায়[3]। এই পাৰস্পৰিক আলোচনাই পৰামৰ্শ গ্ৰহণকাৰীৰ প্ৰশ্নৰ উত্তৰ দিয়া, সমৰ্থন আগবঢ়োৱা, বিশদ পৰামৰ্শ দিয়া, জটিল আৰু প্ৰত্যাহ্বানমূলক সমস্যাসমূহ সমাধান কৰা আদি সামৰি ল'ব পাৰে। পৰামৰ্শ দানৰ সম্পৰ্কটো হৈছে দীৰ্ঘম্যাদী, সু-সংগঠিত সহজীৱীমূলক সম্পৰ্ক, আৰু ই একেধৰণৰ ক্ষেত্ৰৰ পেছাদাৰীসকলৰ মাজত পাৰস্পৰিক আলোচনাৰ ভিত্তিত গঢ় লৈ উঠে যি মূলতঃ পৰামৰ্শ গ্ৰহণকাৰীৰ পেছাদাৰী বিকাশৰ লক্ষ্য পূৰণ কৰে।

**পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ সম্পৰ্কৰ কাহিনী**

বিশ্বৰ সকলো পুৰণি ইতিহাসত পৰামৰ্শ-দানৰ উল্লেখ পোৱা যায়। ইংৰাজীত ব্যৱহৃত "Mentor" শব্দৰ প্ৰথম ব্যৱহাৰ গ্ৰীক গ্ৰন্থসমূহত পোৱা গৈছিল। মহাভাৰতত শ্ৰীকৃষ্ণই অৰ্জুনক ধৰ্মৰ পথ অনুসৰণ কৰি যুদ্ধক্ষেত্ৰত নিজ দায়িত্ব পালনৰ পৰামৰ্শ দান কৰিছিল। বৌদ্ধ ধৰ্মৰ পদ্ম সূত্ৰতো পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ সম্পৰ্কক প্ৰধান হিচাপে গণ্য কৰা হয়, য'ত "*মানুহৰ সুখৰ বাবে একেলগে কাম কৰা আৰু তেওঁলোকক দুখৰ পৰা মুক্ত কৰাৰ এক অংশীদাৰিত্বমূলক প্ৰতিশ্ৰুতি*"[4] জড়িত হৈ থাকে।

পৰামৰ্শ দানক ব্যক্তিৰ মাজৰ অংশীদাৰিত্বমূলক আলোচনা হিচাপে উপস্থাপন কৰা হয়, য'ত এজনে চিন্তা উদ্ৰেককাৰী প্ৰশ্ন উত্থাপন কৰে আৰু আনসকলে নিজে নিজক প্ৰশ্ন সোধাত প্ৰবৃত্ত হয়, যিটো চক্ৰেটিক পদ্ধতিত আলোচনাৰ মাধ্যমেদি সমালোচনাত্মক চিন্তাধাৰাক প্ৰসাৰিত কৰাৰ দৰেই। তদুপৰি, গুৰুকুল ব্যৱস্থাৰ জৰিয়তে শিক্ষাত পৰামৰ্শ দান ব্যৱস্থাই ভাৰতীয় ইতিহাসত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। পৰামৰ্শ প্ৰদানকাৰী হ'ল গুৰু আৰু পৰামৰ্শ গ্ৰহণকাৰীজন হ'ল শিষ্য। এই ব্যৱস্থাত শিষ্যজনক উৎসাহ আৰু অনুপ্ৰেৰণাৰ যোগেদি পথ প্ৰদৰ্শন কৰা হয় যাতে তেওঁলোকে নিজৰ সক্ষমতাসমূহ অনুধাৱন কৰিব পাৰে।[5] চন্দ্ৰগুপ্ত মৌৰ্যক পাটলিপুত্ৰৰ ৰজা আৰু পৰৱৰ্তী সময়ত এজন মহান সম্ৰাট হ'বলৈ চাণক্যই দিয়া পৰামৰ্শৰ বিষয়ে বিভিন্ন সাহিত্যত উল্লেখ আছে।

প্ৰাচীন ইতিহাসৰ পৰা আঁতৰি আহি চালে দেখা পাম যে, আধুনিক ইতিহাসৰ সকলো সফল ৰাজহুৱা ব্যক্তিৰ জীৱনত পৰামৰ্শ প্ৰদানকাৰীসকলে মুখ্য ভূমিকা পালন কৰিছে – আলেকজেণ্ডাৰ দ্য গ্ৰেটক পৰামৰ্শ দিয়া এৰিষ্ট'টলৰ পৰা আৰম্ভ কৰি মাৰ্টিন লুথাৰ কিঙক পৰামৰ্শ দিয়া ড° বেঞ্জামিন এলিজা মেইছলৈকে। গতিকে এতিয়া শিকণ আৰু দক্ষতা-নিৰ্মাণ বৃদ্ধিৰ এক গুৰুত্বপূৰ্ণ আৰু ফলপ্ৰসূ উপায় হিচাপে পৰামৰ্শ দানৰ পুনৰ উত্থান হ'বলৈ আৰম্ভ কৰিছে।[6]

---

[3] Together Platform. "Mentor Handbook." Together Platform.

[4] সোকা গক্কাই. (2020). The Oneness of Mentor and Disciple. Soka Gakkai (Global).

[5] কুকৰেজা, এছ., অৰোৰা, আৰ., আৰু সিং, টি. (2020). Mentorship Program: Modern Outlook of Traditional Knowledge. International Journal of Applied & Basic Medical Research.

[6] হানচমেন, চি.এ. (2002). Critical Perspectives on Mentoring. Center on Education and Training for Employment, College of Education, The Ohio State University.

ব্যক্তিগত আৰু বৃত্তিগত প্ৰয়োজনীয়তা অনুসৰি ব্যৱহাৰ কৰিব পৰাকৈ পৰামৰ্শ দানৰ শিথিল অভিযোজন আছে যদিও ইয়াক ইয়াক এটা গাঁথনি হিচাপে সংজ্ঞায়িত কৰি তোলা হৈছে যাতে "*মানুহক তেওঁলোকৰ শিকণ পৰিচালনা কৰিবলৈ সমৰ্থন আৰু উৎসাহিত কৰিব পৰা যায় যাৰ যোগেদি তেওঁলোকে নিজৰ সম্ভাৱনাসমূহক সৰ্বাধিক কৰি তুলিব পাৰে, দক্ষতা বিকাশ কৰিব পাৰে, নিজৰ প্ৰদৰ্শন উন্নত কৰিব পাৰে আৰু তেওঁলোকে নিজে বিচৰা ধৰণে নিজৰ ব্যক্তিত্ব গঢ়ি তুলিব পাৰে।*"[7]

## 2.2 পৰামৰ্শ দানৰ নীতিসমূহ

ভাৱৰ আদান-প্ৰদানৰ সময়ত অংশগ্ৰহণকাৰীসকলৰ প্ৰয়োজনীয়তাৰ লগত খাপ খোৱাকৈ পৰামৰ্শ দান বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। গতিকে কিছুমান নিৰ্দেশনাত্মক নীতিয়ে এই গাঁথনিটোৰ মূল ভাৱাৰ্থ বৰ্তাই ৰখাত সহায় কৰিব। পৰামৰ্শ দানৰ গাঁথনিটো তেতিয়াহে অধিক সফল হ'ব যেতিয়া পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীয়ে এই প্ৰক্ৰিয়াত নিজকে নিয়োগ কৰিব। তলত দিয়া নীতিসমূহৰ তালিকাখন ন'লেছে[8] উল্লেখ কৰা প্ৰাপ্তবয়স্ক-শিকণ নীতিসমূহৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে প্ৰস্তুত কৰা হৈছে, যাতে এই নীতিসমূহে এটা পৰামৰ্শ দান গাঁথনিত অংশগ্ৰহণকাৰীসকলৰ প্ৰয়োজনীয় ক্ষেত্ৰত উদগনি যোগাব।

a. **পৰামৰ্শ গ্ৰহণকাৰী নিৰ্দেশিত:** পৰামৰ্শ গ্ৰহণকাৰীসকল পৰিকল্পনা, কাৰ্যকৰীকৰণৰ লগতে তেওঁলোকৰ শিকণ কাৰ্যৰ মূল্যায়নৰ লগত জড়িত হোৱা উচিত। পৰামৰ্শ গ্ৰহণকাৰীসকলে এই সম্পৰ্কটোক নেতৃত্ব প্ৰদান কৰাৰ লগতে তেওঁলোকৰ বিকাশৰ বাবে অধিক দায়িত্ব গ্ৰহণ কৰিবলৈ উৎসাহী হৈ থকা উচিত। এজন পৰামৰ্শ প্ৰদানকাৰীয়ে পৰামৰ্শ গ্ৰহণকাৰীসকলক তেওঁলোকৰ লক্ষ্য স্থিৰ কৰি ল'বলৈ, প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰিবলৈ আৰু পৰামৰ্শ গ্ৰহণকাৰীসকলৰ প্ৰয়োজনীতা অনুসৰি অগ্ৰাধিকাৰ দিবলৈ পথ প্ৰদৰ্শন কৰা উচিত।

b. **ব্যুৎপন্ন:** পৰামৰ্শ দান প্ৰক্ৰিয়াত পৰামৰ্শ গ্ৰহণকাৰীসকলৰ জীৱনৰ অভিজ্ঞতাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা উচিত। ইয়াৰ যোগেদি পৰামৰ্শ গ্ৰহণকাৰীসকলে তেওঁলোকৰ অভিজ্ঞতাসমূহ দাঙি ধৰিব পাৰিব।

c. **প্ৰয়োগমুখী:** পৰামৰ্শ দান প্ৰক্ৰিয়াই প্ৰকৃত জীৱনৰ সমস্যাৱলী আৰু/বা কাৰ্যপ্ৰণালীসমূহৰ অন্তৰ্দৃষ্টিসমূহ কাৰ্যকৰী কৰা উচিত।

d. **সহজসাধ্যকৰণ:** পৰামৰ্শ প্ৰদানকাৰীসকলে এনে পৰিবেশ ৰচনা কৰাত গুৰুত্ব আৰোপ কৰিব লাগে যি স্ব-নিৰ্দেশিত, ব্যুৎপন্ন আৰু প্ৰয়োগমুখী পৰামৰ্শ দান অভিজ্ঞতাৰ বাবে প্ৰয়োজনীয় চৰ্তসমূহক উৎসাহিত আৰু সমৰ্থন কৰে।

e. **সুৰক্ষিত:** যদিও মাৰ্গদৰ্শনৰ অভিজ্ঞতা সকলো অংশগ্ৰহণকাৰীৰ বাবে স্বেচ্ছামূলক হ'ব লাগে, কিন্তু স্থানসমূহ নিৰাপদ কৰাৰ বাবে প্ৰচেষ্টা চলাব লাগে। গাঁথনিটোৱে বিশ্বাস, গোপনীয়তা, পাৰস্পৰিক সন্মান আৰু সংবেদনশীলতা নিশ্চিত কৰিবলৈ সুবিধা প্ৰদান কৰিব লাগে। পৰামৰ্শ প্ৰদানকাৰীসকলে

[7] পাৰ্ছল', ই., আৰু লিধাম, এম. (2009). Coaching and mentoring: Practical conversations to improve learning. Kogan Page Publishers.

[8] ন'লেছ, এম.এছ. (1980). The modern practice of adult education: From pedagogy to andragogy। Englewood Cliffs, NJ: Cambridge Adult Education.

আৰম্ভণিতে পৰামৰ্শ গ্ৰহণকাৰীসকলৰ সৈতে সীমা আৰু বিশ্বাসযোগ্য সমলসমূহৰ ক্ষেত্ৰত সন্মত হ'ব লাগিব যাতে তেওঁলোকৰ মাজত যিকোনো ক্ষমতাৰ পাৰ্থক্যসমূহ অতিক্ৰম কৰিব পৰা যায়।

f. **সহজীৱীতা:** পৰামৰ্শ দান প্ৰক্ৰিয়াটোৱে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীসকল উভয়ৰে অবিৰত বিকাশৰ ওপৰত গুৰুত্ব দিয়া উচিত। যেতিয়াই প্ৰয়োজন হয়, তেতিয়াই তেওঁলোকে তেওঁলোকৰ পৰামৰ্শ দানমূলক আলোচনাসমূহ আগুৱাই নিবলৈ পৰামৰ্শ আৰু/বা সহায় বিচাৰিব পাৰে। এই প্ৰক্ৰিয়াৰ পৰা পৰামৰ্শ প্ৰদানকাৰীয়ে লাভান্বিত হ'ব বুলি স্বীকাৰ কৰি ল'লে তেওঁলোক এনে আলোচনাৰ পৰা সৰ্বাধিক উপকৃত হ'ব।

## 2.3. পৰামৰ্শ দানৰ সৈতে জড়িত সাধাৰণ ভ্ৰান্তিসমূহ

পৰামৰ্শ দানৰ সৈতে নিম্নোল্লিখিত সাধাৰণ বিশ্বাসমূহ জড়িত হৈ থকা দেখা পোৱা যায়:

a. **পৰামৰ্শ দানৰ সম্পৰ্কৰ পৰা কেৱল পৰামৰ্শ গ্ৰহণকাৰীহে লাভান্বিত হয়।** পৰামৰ্শ দানৰ ব্যৱস্থাটো এক সহজীৱীমূলক ব্যৱস্থা য'ত পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰী উভয়ে ইজনে সিজনৰ পৰা শিকে, যদিও এই ব্যৱস্থাত আপাতঃ দৃষ্টিত এজন পৰামৰ্শ গ্ৰহণকাৰী অধিক লাভান্বিত হয়।

b. **এক পৰামৰ্শ দানৰ সম্পৰ্ক ব্যক্তিগত পৰ্যায়ত হোৱা প্ৰয়োজন।** পৰামৰ্শ দানৰ বাবে এক মুখামুখি আলোচনাৰ নিজস্ব লাভ আছে। অৱশ্যে এক পৰামৰ্শ দানৰ সম্পৰ্ক প্ৰতিষ্ঠা কাৰণে, অসমসাময়িক আৰু অনলাইন পদ্ধতি ব্যৱহাৰ কৰিব পৰা যায়।

c. **এক নিৰ্দিষ্ট সময়ত এজন পৰামৰ্শ গ্ৰহণকাৰীৰ কেৱল এজন পৰামৰ্শ প্ৰদানকাৰী থকা প্ৰয়োজন।** বিভিন্ন পৰামৰ্শ প্ৰদানকাৰীয়ে পৰামৰ্শ দানত তেওঁলোকৰ বিশেষ জ্ঞান আৰু কৌশলসমূহ প্ৰয়োগ কৰে আৰু ই কোনো এজন ব্যক্তিৰ বৃত্তিগত অভিজ্ঞতা প্ৰভূত পৰিমাণে বৃদ্ধি কৰে।


d. **এটা পৰামৰ্শ দানৰ সম্পৰ্ক যেতিয়াই প্ৰয়োজন তেতিয়াই লাভ কৰিব পাৰি।** এটা পৰামৰ্শ দান সম্পৰ্ক স্বাভাৱিকভাৱে গঢ়ি উঠে আৰু প্ৰয়োজন অনুসাৰে ইয়াক লাভ কৰিব পাৰি। এটা পদ্ধতিগত পৰামৰ্শ দানৰ সম্পৰ্কত এক পূৰ্ব নিৰ্ধাৰিত সঘনতা আৰু শেষত সম্পূৰ্ণ কৰিব লগা উদ্দেশ্যসমূহৰ এক তালিকা অন্তৰ্ভূক্ত হৈ থাকে।

e. **পৰামৰ্শ প্ৰদানকাৰী নিশ্চিতভাৱে পৰামৰ্শ গ্ৰহণকাৰীতকৈ জ্যেষ্ঠ হ'ব লাগে।** কোনো এজন পৰামৰ্শ প্ৰদানকাৰীক তেওঁৰ বিশেষজ্ঞতা, সক্ষমতা, বিশ্বাসযোগ্যতা আৰু একেলগে শিকাৰ মানসিকতাৰ ওপৰত নিৰ্ভৰ কৰি নিৰ্বাচন কৰিব লাগে।

f. **এজন ব্যক্তি হয় পৰামৰ্শ প্ৰদানকাৰী নতুবা পৰামৰ্শ গ্ৰহণকাৰী হ'ব পাৰে।** নিজাববীয়াকৈ ফলপ্ৰসূ পৰামৰ্শ দানৰ সম্পৰ্ক গঢ়ি তোলাৰ প্ৰয়োজনীয় কৌশল আয়ত্ব কৰিবৰ বাবে এজন পৰামৰ্শ প্ৰদানকাৰীক নিজৰো এজন পৰামৰ্শ প্ৰদানকাৰীৰ প্ৰয়োজন। পৰামৰ্শ প্ৰদানকাৰীসকলৰ নিজস্ব এজন পৰামৰ্শ প্ৰদানকাৰী থাকে যি তেওঁলোকৰ পেছাদাৰী বিকাশৰ পথত সহায় আগবঢ়ায়।

অধ্যায়
III

# ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযানৰ পৰিচয়



## অধ্যায় - III: ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযানৰ পৰিচয়

পাৰস্পৰিক পেছাদাৰী বিকাশৰ বাবে ধাৰণাসমূহৰ পদ্ধতিগত আদান-প্ৰদান প্ৰসাৰিত কৰিবলৈ ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযানে (NMM) মজুত সম্পদসমূহৰ উত্তৰণ ঘটাই ভাৰতীয় শিক্ষা ব্যৱস্থাৰ দ্ৰুত বিকাশত সহায় কৰিব। ইয়াৰ লগত সংগতি ৰাখি NCTEএ বিদ্যালয়ৰ শিক্ষকসকলৰ মাজত জ্ঞান, দক্ষতা আৰু মূল্যবোধৰ আহৰণ আৰু ভাগ-বতৰা সম্ভৱ কৰি তোলাৰ বাবে দেশজোৰা অভিযানৰ প্ৰস্তাৱ আগবঢ়াইছে।

### 3.1. ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযানৰ প্ৰয়োজনীয়তা


বৰ্তমান অভূতপূৰ্ব দাবী আৰু প্ৰত্যাহ্বানসমূহৰ লগত মোকাবিলা কৰিবলৈ শিক্ষকসকলক নতুন সমাধানৰ প্ৰয়োজন। শিক্ষকসকলৰ সমাজখন এনে বিশেষজ্ঞৰে সমৃদ্ধ যিসকলৰ সমস্যা সমাধান আৰু সহকৰ্মীসকলৰ সামৰ্থ্য বিকাশত অৰিহণা যোগাব পৰা জ্ঞান আৰু দক্ষতা আছে। যিবোৰ ব্যৱস্থাই নিৰন্তৰ পৰিৱৰ্তিত পৰিৱেশৰ সৈতে খাপ খাব পাৰে, সেইবোৰে নাগৰিকসকলক পূৰ্ণ তৃপ্তিদায়ক ব্যক্তিগত আৰু পেছাদাৰী জীৱন যাপন সক্ষম কৰিব তুলিবলৈ দক্ষতাসমূহৰ সঠিক মিশ্ৰণ প্ৰদান কৰিব পাৰে। ইয়াৰ ফলত সৰ্বাংগীন আৰু বহনক্ষম অৰ্থনীতিৰ বিকাশ সম্ভৱ হৈ উঠে। গতিকে এক পৰামৰ্শ দান ব্যৱস্থাই বৰ্তমানৰ অভাৱসমূহ অধিক বিকেন্দ্ৰীকৃত পদ্ধতিৰে দূৰ কৰাৰ পথ প্ৰশস্ত কৰি তোলে। সেই অভাৱসমূহ বিশেষজ্ঞতা অৰ্জন, অবিৰত পেছাদাৰিত্বৰ বিকাশ, একে পৃষ্ঠভূমিৰ সতীৰ্থসকলৰ সৈতে সংযোগ স্থাপন আৰু ক্ৰছ-লাৰ্নিঙৰ লাভ অৰ্জন কৰিবলৈ উপযুক্ত মঞ্চৰ অনুপস্থিতি আদিৰ ক্ষেত্ৰত দেখা পোৱা যায়। পৰামৰ্শ দানে ব্যক্তিসকলক অভিজ্ঞ পেছাদাৰী ব্যক্তিৰ সৈতে শিকণ কাৰ্যত জড়িত হোৱাৰ সুযোগ প্ৰদান কৰে। পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ মাজৰ ভাৱৰ আদান-প্ৰদানে শিক্ষকসকলৰ দক্ষতা আৰু সামৰ্থ্যৰ বিকাশ সাধন কৰিব পাৰে। ই বিশেষজ্ঞসকলৰ লগত নেটৱৰ্ক গঢ়ি তোলাৰ সুযোগ প্ৰদান কৰে, উত্তম অনুশীলন আৰু শিকণ বিনিময়ৰ মঞ্চসমূহত জড়িত হ'ব পাৰে, আৰু বিভিন্ন ক্ষেত্ৰত যেনে বিদ্যালয়ৰ নেতৃত্ব আৰু পৰিচালনা, পাঠ্যক্ৰম, শিক্ষাবিজ্ঞান, শৈক্ষিক নীতি আৰু মূল্যায়ন আদি বিভিন্ন খণ্ডৰ ফলাফলসমূহ বহুলভাবে প্ৰচাৰিত কৰিব পাৰে।

প্ৰশিক্ষণ কাৰ্যসূচীৰ বাবে প্ৰস্তুত কৰা তথ্য আৰু শিকণৰ পদানুক্ৰমিক, একদিশীয়, ওপৰৰ পৰা তললৈ ব্যাপ্ত প্ৰৱাহ, বৰ্তমান শিক্ষা ব্যৱস্থাৰ প্ৰচলিত সমস্যা। পৰামৰ্শ প্ৰদানে পদানুক্ৰমিক সীমাসমূহ নৰম কৰি তোলে আৰু এক মৌলিক পৰিবৰ্তনৰ সূচনা কৰে। ইয়াৰ ফলত শিকণ প্ৰক্ৰিয়া অধিক সতীৰ্থ আৰু সমাজভিত্তিক হ'ব। তদুপৰি ই শিকণ কাৰ্যক অধিক ব্যক্তিগত আৰু অবিৰত কৰি তুলিব।

*পৰামৰ্শ দানে অংশীদাৰসকলৰ বাবে এটা সহযোগিতামূলক সংস্থাৰ জন্ম দিয়ে য'ত সমাজে সক্ষমতা বৃদ্ধিৰ বাবে শিকণ, চিন্তা-চৰ্চা আৰু অংশীদাৰিত্বৰ এটা মনোভাৱ গঢ়ি তোলে।*

### 3.2. এই অভিযান কেনেকৈ সফল কৰিব পৰা যাব?

এই অভিযানক এটা উমৈহতীয়া উদ্দেশ্য সাধনৰ লক্ষ্যৰে কেইবাটাও কাৰকৰ পাৰস্পৰিক ক্ৰিয়া-কলাপ বুলি বৰ্ণনা কৰিব পাৰি। ইয়াক শিক্ষা খণ্ডৰ সকলো স্তৰতে কাৰ্যকৰী কৰিব পৰা যাব।





চিত্ৰ 3.1: কাৰকসমূহৰ মাজৰ পাৰস্পৰিক ক্ৰিয়াকলাপ আৰু এটা গোট ৰূপে লক্ষ্য প্ৰাপ্তিৰ চেষ্টা

## কাৰকসমূহ

এই পৰামৰ্শ দান অভিযানত প্ৰধান ভূমিকা গ্ৰহণ কৰা উপাদানসমূহ হ'ল পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰী। পৰামৰ্শ গ্ৰহণকাৰীসকল হ'ল শিক্ষা খণ্ডৰ বিভিন্ন স্তৰৰ পৰা অহা ব্যক্তি যি কোনো এটা ক্ষেত্ৰত বৃত্তিগত বিকাশৰ প্ৰয়াস কৰে। পৰামৰ্শ প্ৰদানকাৰীসকল হ'ল একে বা উৰ্ধতন স্তৰৰ ব্যক্তি, যি কিছু সময়ৰ পৰা একেটা ক্ষেত্ৰতে বৃত্তিগত বিকাশ কৰিব বিচাৰিছে আৰু *"অন্বেষণ"*ৰ বাবে উপযুক্ত আলোচনা আৰু ভাৱ-বিনিময়ৰ সুবিধা প্ৰদান কৰাত দক্ষ।


ক্ষুদ্ৰ পৰিসৰৰ পৰামৰ্শ দানৰ কাৰ্য্যকলাপ চলাবলৈ পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ ভূমিকাই যথেষ্ট হ'ব পাৰে যদিও এই অভিযানৰ বৃহৎ পৰিসৰৰ পৰামৰ্শ দান গাঁথনিক সহজসাধ্য আৰু সম্ভৱ কৰি তুলিবৰ বাবে এটা তৃতীয় উপাদান অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰশাসকসকল (ব্যক্তিগত বা গোট ৰূপে) পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ মাজত হোৱা সকলো পাৰস্পৰিক ক্ৰিয়াৰ মানদণ্ড আৰু পৌনঃপুনিকতা নিৰন্তৰভাৱে উন্নত কৰাৰ বাবে দায়বদ্ধ। ইয়াৰ উপৰিও, পৰিবেশতন্ত্ৰ দ্বাৰা পৰামৰ্শ দান সংৰচনা আৰু ইয়াৰ প্ৰতিষ্ঠানিকৰণৰ অবিৰত বিকাশ সুনিশ্চিত কৰে। যিহেতু শিক্ষাৰ পৰিবেশতন্ত্ৰত পৰামৰ্শ দান কাৰ্যসূচীৰ পৰিসৰ বিশাল হোৱাৰ সম্ভাৱনা আছে, গতিকে আন ব্যৱস্থাৰ অংশীদাৰসকলৰ বাবে প্ৰযুক্তি আৰু অনলাইন প্লেটফৰ্ম বিকশিত কৰাৰ অপৰিসীম সুযোগ আছে যাতে পৰামৰ্শ দানক সকলো কাৰকৰ বাবে এক নিৰৱচ্ছিন্ন অভিজ্ঞতা হিচাপে গঢ়ি তুলিব পৰা যায়।




চিত্ৰ 3.2: পৰামৰ্শ দানৰ কাৰকসমূহ

এই কাৰকসকলৰ মাজত হোৱা পাৰস্পৰিক আলোচনাত মূলতঃ জ্ঞান, দক্ষতা, মূল্যবোধ আৰু উত্তম পদ্ধতিসমূহৰ বিনিময়ৰ ওপৰত গুৰুত্ব দিয়া হ'ব। উদাহৰণস্বৰূপে, পৰামৰ্শ প্ৰদানকাৰীয়ে নতুন শিক্ষকসকলৰ দিকদৰ্শনৰ বাবে উত্তম পদ্ধতিসমূহৰ বিষয়ে আলোচনা সহজসাধ্য কৰি তুলিবৰ বাবে এটা পৰামৰ্শ গ্ৰহণকাৰী গোটৰ সৈতে মিলিত হয়, এই গাঁথনিৰ এজন প্ৰশাসকে দক্ষতা বৃদ্ধিৰ বৈঠকৰ জৰিয়তে কেনেকৈ বিষয় ভিত্তিক আলোচনাসমূহ সহজসাধ্য কৰি তুলিব পাৰি, তাৰ বাবে পৰামৰ্শ প্ৰদানকাৰীসকলক জড়িত কৰে।

এনে আলোচনাৰ ফলপ্ৰসূতা মূলতঃ চাৰিটা উপাদানৰ দ্বাৰা পৰিচালিত হয় – সেইসমূহ হ'ল নিশ্চয়তা, সৰ্বসন্মতি, গাঁথনি আৰু আহিলাসমূহ।





চিত্ৰ 3.3: অংশীদাৰসকলৰ মাজত হোৱা পাৰস্পৰিক আলোচনাৰ নীতি

## 3.3. এই অভিযানৰ আকাংক্ষিত ফলাফলসমূহ কি?

এই কাৰকসমূহৰ এটাই আনটোৰ লগত ভাৱৰ আদান প্ৰদানৰ জৰিয়তে ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাত জ্ঞান, দক্ষতা আৰু মূল্যবোধৰ অৰ্জন আৰু হস্তান্তৰকৰণৰ এটা উমৈহতীয়া লক্ষ্যত উপনীত হ'ব বিচাৰিছে। এই লক্ষ্যত উপনীত হ'বৰ বাবে শিক্ষা পৰিবেশতন্ত্ৰত বৃহৎ পৰিসৰৰ, বিকেন্দ্ৰীকৃত, প্ৰযুক্তি-আধাৰিত পৰামৰ্শ দান গাঁথনি অন্তৰ্ভুক্ত কৰা হৈছে।

ইয়াৰ চূড়ান্ত লক্ষ্য হৈছে শিক্ষাৰ ক্ষেত্ৰত বৰ্ধিত, বিকেন্দ্ৰীকৃত নেতৃত্বৰ জৰিয়তে স্কুলীয়া শিক্ষাৰ উন্নতি সাধন কৰা। উদাহৰণস্বৰূপে, জ্ঞানৰ পৰিসৰ বিস্তাৰ কৰিবলৈ, তেওঁলোকৰ দক্ষতা বিকাশ কৰিবলৈ, আৰু শ্ৰেণীকোঠাত প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ পৰামৰ্শ দানৰ জৰিয়তে শিক্ষকসকলৰ দক্ষতাৰ বিকাশ ত্বৰান্বিত কৰিব পাৰি, যাৰ যোগেদি একাংশ শিক্ষাৰ্থীৰ দৈনিক শিক্ষা প্ৰক্ৰিয়া উন্নত কৰিব পাৰি। এনে দ্ৰুত আৰু ফলপ্ৰসূ পদক্ষেপৰ দ্বাৰাই বিদ্যালয়সমূহ শিকণৰ মহান প্ৰতিষ্ঠানলৈ ৰূপান্তৰিত হৈ উঠিব পাৰে। এই অভিযানে ৰাজ্য বা জিলা পৰ্যায়ৰ সংশ্লিষ্ট অংশীদাৰ/প্ৰতিষ্ঠানসমূহক পৰামৰ্শ দান ব্যৱস্থাৰ প্ৰসাৰৰ ক্ষেত্ৰত ভূমিকা ল'বলৈ অনুমতি দি সামৰ্থ্য বিকাশৰ ক্ষেত্ৰত অধিক বিকেন্দ্ৰীকৃত দৃষ্টিভংগীৰ দৃষ্টান্ত প্ৰদৰ্শন কৰিছে। তদুপৰি পৰৱৰ্তী সময়ত বিদ্যালয়ৰ মুৰব্বী আৰু শৈক্ষিক প্ৰশাসকসকলক পৰামৰ্শ দানৰ বাবেও এই অভিযান সম্প্ৰসাৰিত হ'ব পাৰে। যদিও এই লক্ষ্যসমূহৰ প্ৰাপ্তি এক অবিৰত যাত্ৰা, তথাপিও এই অভিযানত এনে কিছুমান স্পষ্ট স্তৰ আছে, যিয়ে ইয়াৰ অগ্ৰগতিৰ ইংগিত দিবলৈ সক্ষম হ'ব।




**চিত্ৰ 3.4: অভিযানৰ মূল স্তৰসমূহ**

### স্তৰ 1: প্ৰস্তুতি

এটা ব্যৱস্থাৰ অংশীদাৰসকলে পেছাদাৰী বিকাশৰ ***প্ৰয়োজনীয়তাসমূহৰ মূল্যায়ন*** কৰিব পাৰে আৰু প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবৰ বাবে পৰামৰ্শ দান কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ পৰ্যাপ্ত সম্পদৰ বাবে পৰিদৃশ্যৰ মানচিত্ৰ প্ৰস্তুত কৰিব পাৰে। এই সময়ত, কৰ্মপ্ৰণালীৰ কাৰকসমূহে বৃহৎ পৰিসৰত পৰামৰ্শ দান কাৰ্যসূচীৰ কাৰ্যকৰীকৰণৰ দিশত নিজকে দিকদৰ্শন কৰিবৰ বাবে এই ব্লু-বুকৰ দৰে সম্পদৰ ব্যৱহাৰ কৰিব পাৰে।

### স্তৰ 2: সক্ষমতা বৃদ্ধি

যেতিয়া এজন পৰামৰ্শ প্ৰদানকাৰীক নিয়োগ কৰা হ'ব, তেতিয়া এই স্তৰত তেওঁলোকৰ প্ৰাসংগিক ক্ষেত্ৰখনত দক্ষতাৰ লগতে নৈপুণ্যতা আৰু কৌশলৰ সক্ষমতা বৃদ্ধিৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব।

### স্তৰ 3: সুপৰিচিতি

এই স্তৰত পৰামৰ্শ প্ৰদানকাৰীসকলে দ্বিতীয় স্তৰত শিকি অহা কৌশলসমূহ এক নিয়ন্ত্ৰিত পৰিবেশত অভ্যাস কৰিব পাৰে। পৰামৰ্শ দানৰ আলোচনাৰ সময়ত আগবঢ়োৱা গুণগত মান আৰু মূল্যৰ ওপৰত পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীসকলৰ পৰা পোৱা মতামতৰ ভিত্তিত দ্বিতীয় স্তৰত সামৰ্থ্য বিকাশৰ বাবে ব্যৱহৃত পদ্ধতিসমূহক পৰিশোধন কৰিবলৈও সুপৰিচিতি স্তৰটো ব্যৱহাৰ কৰিব পাৰি।

### স্তৰ 4: শক্তিশালীকৰণ

এবাৰ যেতিয়া কাৰকসমূহে পৰামৰ্শ দান গাঁথনিটো নিয়ন্ত্ৰিত পৰিবেশত বিশ্বাসযোগ্যভাৱে কাৰ্যকৰী কৰে, তেতিয়াই পৰামৰ্শ প্ৰদানকাৰীসকলে তেওঁলোকৰ ক্ষেত্ৰসমূহত পৰামৰ্শ দানৰ অভিজ্ঞতা অৰ্জন কৰিবলৈ আৰম্ভ কৰে। এইটো স্তৰত সক্ষমতা বৃদ্ধিৰ বৈঠকসমূহৰ যোগেদি পৰামৰ্শ প্ৰদানকাৰীসকলৰ অবিৰত বিকাশ সাধন কৰা হয়। এই সময়ত, পৰামৰ্শ দান সম্পৰ্কৰ শেষ ফলাফলৰ বাবে সূচক সংখ্যা অনুসৰণ কৰাটোৱে পৰামৰ্শ দানৰ গাঁথনিৰ ফলপ্ৰসূতা বুজিবলৈ সহায় কৰিব আৰু ইয়াক পুনৰ সংৰেখন কৰি নিৰ্ধাৰিত ফলাফল লাভ কৰিব পৰা যাব।

ফলাফলসমূহ পৰামৰ্শ দান কাৰ্যসূচীৰ আকাংক্ষিত লক্ষ্যৰ সৈতে মিলিব লাগে। উদাহৰণস্বৰূপে, শিক্ষকৰ সতীৰ্থ পৰামৰ্শ দান চক্ৰৰ জৰিয়তে মৌলিক সাক্ষৰতা আৰু বুনিয়াদী সংখ্যাজ্ঞানত ছাত্ৰৰ শিকণ বৃদ্ধিৰ কাৰ্যসূচীত শিক্ষাৰ্থীৰ মৌলিক সাক্ষৰতা আৰু বুনিয়াদী সংখ্যাজ্ঞানৰ পাৰদৰ্শিতাৰ ফলাফল শতকৰা হাৰৰ (%) বৃদ্ধিৰ জৰিয়তে মূল্যায়ন কৰা হয়।

### স্তৰ 5: বিকাশ আৰু বহনক্ষমতা

এই স্তৰত পৰামৰ্শ দান গাঁথনি পৰীক্ষাৰ পৰা পৰামৰ্শ দানত অংশগ্ৰহণ কৰা সম্প্ৰদায় সৃষ্টিৰ দিশলৈ মনোযোগ স্থানান্তৰিত হয়। এই ব্যৱস্থাটোত সকলো প্ৰাসংগিক অংশীদাৰৰ অংশগ্ৰহণ আৰু ইয়াৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ অব্যাহত ৰখাটো নিশ্চিত কৰিবলৈ পৰামৰ্শ দান গাঁথনি শক্তিশালী কৰি তোলা হয়। নিম্নোল্লিখিত ব্যৱস্থাসমূহ ৰূপায়ণ কৰি ইয়াক সম্ভৱ কৰিব পাৰি:

a. গুণগত মানদণ্ডৰ প্ৰস্তাৱ আগবঢ়াই অংশগ্ৰহণৰ প্ৰয়োজনীয়তাক প্ৰসাৰিত কৰিব পাৰি,

b. সকলোৱে অংশগ্ৰহণ সক্ষম কৰি তুলিবলৈ প্ৰতিষ্ঠানিকৰণ কৰা আৰু

c. প্ৰাসংগিক উদগনিৰ যোগেদি গাঁথনিমূহত অংশগ্ৰহণ অব্যাহত ৰাখিবলৈ কাৰকসকলক অনুপ্ৰাণিত কৰা।

তলৰ খণ্ডসমূহত ওপৰত উল্লেখ কৰা এই অভিযানৰ পৰ্যায়ভিত্তিক প্ৰসাৰক আগুৱাই নিবৰ বাবে পৰামৰ্শ দান ব্যৱস্থাৰ সকলো কাৰকৰ মাজত পাৰস্পৰিক আলোচনাৰ গুৰুত্ব কাৰ্যকৰীভাৱে বৃদ্ধি কৰিবলৈ কিছুমান বিষয় বৰ্ণনা কৰা হৈছে।

অধ্যায়
IV

# পৰামৰ্শ দানৰ সমাধানসমূহ



## অধ্যায় -IV: পৰামৰ্শ দানৰ সমাধান

### 4.1 পৰামৰ্শ প্ৰদানকাৰীৰ নিৰ্বাচন

পৰামৰ্শ দান গাঁথনিত গঠনসমূহ সহজ কৰি তুলিবলৈ আৰু প্ৰক্ৰিয়াটো দীৰ্ঘম্যাদীভাৱে চলাই ৰাখিবলৈ এজন প্ৰশাসক (ব্যক্তি বা সত্তা)ৰ উপৰিও এজন নিৰ্দিষ্ট পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ প্ৰয়োজন হয়। এই খণ্ডত পৰামৰ্শ প্ৰদানকাৰীৰ নিৰ্বাচন প্ৰক্ৰিয়া কেনেকুৱা হ'ব পাৰে আৰু পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ কি কি গুণ থাকিব লাগে সেই বিষয়ে আলোকপাত কৰা হৈছে।

#### 4.1.1 পৰামৰ্শ প্ৰদানকাৰীৰ নিৰ্বাচন প্ৰক্ৰিয়া

পৰামৰ্শ দান সম্পৰ্কত পৰামৰ্শ প্ৰদানকাৰীজনক এই সংৰচনাত অন্তৰ্ভুক্ত অংশীদাৰসকলে বিশ্বাসত ল'ব পাৰিব লাগিব। পৰামৰ্শ প্ৰদানকাৰীজনক নিৰ্বাচন কৰিবৰ বাবে যি প্ৰক্ৰিয়া গ্ৰহণ কৰা যায়, সিয়েই তেওঁৰ ওপৰত পৰামৰ্শ গ্ৰহণকাৰীসকলৰ বিশ্বাস গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব আৰু ইয়াৰ ফলশ্ৰুতিত পৰামৰ্শ দান ক্ৰিয়াকলাপক সহজ কৰি তুলিব পৰা যাব। এইটো গুৰুত্বপূৰ্ণ যে পৰামৰ্শ প্ৰদানকাৰীৰ নিৰ্বাচন প্ৰক্ৰিয়া তলত উল্লেখ কৰা ধৰণে সম্পন্ন কৰিব পাৰি:

a. সতীৰ্থৰ দ্বাৰা মনোনয়ন আৰু/বা সম্ভাব্য প্ৰাৰ্থীৰ আগ্ৰহ প্ৰকাশ

b. পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচনৰ মাপকাঠিৰ জৰিয়তে প্ৰাৰ্থীৰ আবেদনৰ মূল্যায়ন

c. পৰামৰ্শ প্ৰদানকাৰীসকলৰ লক্ষ্য নিৰ্ধাৰণ আৰু সক্ষমতা বিকাশ

বিভিন্ন ক্ষেত্ৰ/শাখাৰ সমাজবিজ্ঞানী, মনোবিজ্ঞানী আৰু শিক্ষাবিদসকলকো জড়িত কৰি পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচন প্ৰক্ৰিয়াৰ উপযুক্ত আৰ্হি প্ৰস্তুত কৰিব পাৰি। ইয়াৰ দ্বাৰা এই ব্যৱস্থাৰ প্ৰয়োজনীয়তা অনুসৰি নিৰ্বাচন প্ৰক্ৰিয়াক অৰ্থবহ কৰি তুলিব পাৰি।

সকলো আগ্ৰহী প্ৰাৰ্থীৰ বাবে পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচনী প্ৰক্ৰিয়াটো সহজ হ'ব লাগে। উদাহৰণস্বৰূপে, এনে এজন সাম্ভাব্য প্ৰাৰ্থী থাকিব পাৰে যি প্ৰযুক্তি ব্যৱহাৰত স্বাচ্ছন্দ্য অনুভৱ নকৰে বা প্ৰযুক্তি তেওঁৰ বাবে সহজলভ্য নহয়। একেদৰে, যদিহে পৰামৰ্শ প্ৰদানকাৰী গাঁথনিয়ে পৰামৰ্শ প্ৰদানকাৰীসকলক আন ক্ষেত্ৰ যেনে সৰ্বভাৰতীয়/ ৰাজ্য সেৰা বিষয়াৰ মাজৰ পৰা নিৰ্বাচন কৰিবলৈ ইচ্ছা কৰে, তেতিয়াহ'লে তেওঁলোকে আবেদন কৰাৰ সময়তে নিৰ্বাচন প্ৰক্ৰিয়াৰ বিষয়ে অৱগত হ'ব লাগিব। কোনো সাম্ভব্য প্ৰাৰ্থীয়ে আবেদন কৰাৰ ক্ষেত্ৰত পৰামৰ্শ প্ৰদানকাৰীৰ নিৰ্বাচন প্ৰক্ৰিয়াটো বাধা হৈ থিয় হ'ব নালাগে।

### 4.2 পৰামৰ্শ প্ৰদানকাৰীৰ গুণসমূহ

এই ব্যৱস্থাৰ পৰা সৰ্বাধিক লাভ অৰ্জন কৰিবলৈ হ'লে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীসকল কিছুমান বিশেষ গুণৰ অধিকাৰী হ'ব লাগিব আৰু এই প্ৰক্ৰিয়াৰ সময়ত আৰু পূৰ্বে তেওঁলোকে এই গুণসমূহ আহৰণ কৰিব লাগিব। পৰামৰ্শ প্ৰদানকাৰীসকলৰ এনে গুণসম্পন্ন হ'ব লাগিব যি এই কাৰ্যসূচীক আকাংক্ষিত শিকণ ফলাফলৰ দিশে আগুৱাই লৈ যাব। পৰামৰ্শ দান সম্পৰ্কৰ ক্ষেত্ৰত কিছুমান গুণক অপৰিহাৰ্য ৰূপে গণ্য কৰা হয়, কিন্তু ইয়াৰ বিপৰীতে এনে কিছুমান অন্য গুণ আছে যিবোৰ পৰামৰ্শ প্ৰদানকাৰীৰ প্ৰশিক্ষণৰ সমান্তৰালভাৱে আৰু অবিৰত সক্ষমতা বৃদ্ধিৰ কাৰ্যসূচীৰ যোগেদি বিকশিত কৰি তুলিব পাৰি।

পৰামৰ্শ দান পৰিৱেশৰ পৃষ্ঠভূমিৰ ওপৰত ভিত্তি কৰি গুণসমূহৰ এখন সূচী প্ৰস্তুত কৰা হৈছে যি পৰামৰ্শ প্ৰদানকাৰীৰ নিৰ্বাচন আৰু পৰৱৰ্তী সময়ত তেওঁলোকৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত সন্দৰ্ভ ৰূপে কাম কৰিব পাৰে।

a. **বৈচিত্ৰৰ প্ৰতি সজাগতা:** এই সন্দৰ্ভত বৈচিত্ৰৰ প্ৰতি সজাগ হোৱাৰ অৰ্থ হ'ল পৰামৰ্শ দান কাৰ্যসূচীৰ এটা নিৰ্দিষ্ট পৰিবেশত বিভিন্ন মানুহ, গোট আৰু মতামতৰ অস্তিত্বৰ প্ৰতি সজাগ হোৱা। এইবোৰে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ আৰ্থ-সামাজিক পৃষ্ঠভূমি, লিংগ, বয়স, সংস্কৃতি, জাতি, ধৰ্ম আৰু অন্য ক্ষেত্ৰত ব্যক্তিৰ মাজৰ পাৰ্থক্য আৰু সচেতনতাক সামৰি লয়।

b. **ফলপ্ৰসূ যোগাযোগ:** ফলপ্ৰসূ যোগাযোগ হ'ল এজন পৰামৰ্শ প্ৰদানকাৰীৰ এটা গুৰুত্বপূৰ্ণ গুণ। ই হ'ল আদৰ্শ, ধাৰণা, জ্ঞান, চিন্তা আৰু অনুভূতিসমূহৰ লগত স্পষ্ট আৰু বিশ্বাসযোগ্য ধৰণে যোগাযোগ কৰাৰ সক্ষমতা। ইয়াৰোপৰি, পৰামৰ্শ প্ৰদানকাৰীসকলৰ সক্ৰিয় শ্ৰৱণ, বোধগম্যতা আৰু আন লোকৰ প্ৰতি সঁহাৰিও সমানে গুৰুত্বপূৰ্ণ। সেইকাৰণে, কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে ফলপ্ৰসূ যোগাযোগ অত্যন্ত গুৰুত্বপূৰ্ণ।

c. **সহমৰ্মিতা:** পৰামৰ্শ প্ৰদানকাৰীসকল পৰামৰ্শ গ্ৰহণকাৰীৰ প্ৰতি সহানুভূতিশীল হ'ব লাগে, তেওঁলোকৰ দৃষ্টিভংগী, অনুভূতি, চিন্তা আৰু অভিজ্ঞতাসমূহ বুজিব লাগে আৰু সেইসমূহৰ সৈতে সংযোগ স্থাপন কৰিব পাৰিব লাগে। ই পৰামৰ্শ প্ৰদানকাৰীসকলক সহযোগিতা আৰু পথপ্ৰদৰ্শনত সহায় কৰিব।

d. **অভিজ্ঞতা:** কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰী উভয়েই গুৰুত্বপূৰ্ণ উপাদান, গতিকে এনে ক্ষেত্ৰত অভিজ্ঞতাই গুৰুত্ব লাভ কৰে। অভিজ্ঞতাই জ্ঞান, কৌশল আৰু সামৰ্থ্যক বুজাইছে, আৰু পৰামৰ্শ প্ৰদানকাৰীয়ে নিজৰ বৃত্তিগত বিকাশৰ সময়ছোৱাত এইসমূহ অৰ্জন কৰে। পৰামৰ্শ গ্ৰহণকাৰীয়ে মুখামুখি হোৱা প্ৰত্যাহ্বান আৰু পৰিবেশৰ লগত সংযোগ স্থাপনৰ বাবে আৰু উত্তম পদ্ধতিৰ উদাহৰণসমূহ বিচাৰি সেইসমূহ বিনিময় কৰিবলৈ পৰামৰ্শ প্ৰদানকাৰীসকলে একে স্তৰত পৰামৰ্শ গ্ৰহণকাৰী হিচাপে যি চহকী অভিজ্ঞতা অৰ্জন কৰিছিল, সেয়া অতিশয় প্ৰয়োজনীয়।

e. **বিশেষজ্ঞতা:** কোনো এটা বিষয়, বৃত্তি বা ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ জ্ঞান, কৌশল বা দক্ষতা থকা ব্যক্তিক বুজাবলৈ বিশেষজ্ঞতা শব্দটো ব্যৱহাৰ কৰা হয়। পৰামৰ্শ গ্ৰহণকাৰীয়ে নিজৰ ক্ষেত্ৰখনৰ বিষয়ে গভীৰভাবে অনুধাৱন কৰিবলৈ হ'লে পৰামৰ্শ প্ৰদানকাৰীজন সেই নিৰ্দিষ্ট বিষয় বা প্ৰভাৱক্ষেত্ৰৰ বিশেষজ্ঞ হ'ব লাগিব আৰু লগতে অন্তৰ্দৃষ্টি আৰু উত্তম পদ্ধতি আগবঢ়াব পাৰিব লাগিব।

f. **নমনীয়তা:** পৰামৰ্শ দানৰ ক্ষেত্ৰত পৰামৰ্শ প্ৰদানকাৰীজনৰ নমনীয় গুণ থকাটো অত্যন্ত গুৰুত্বপূৰ্ণ। পৰামৰ্শ দান কাৰ্যসূচীৰ সময়ত পৰামৰ্শ প্ৰদানকাৰীজনে বিষয়বস্তু আৰু পদ্ধতি পৰামৰ্শ গ্ৰহণকাৰীজনৰ প্ৰয়োজনীয়তাৰ লগত খাপ খুৱাই পৰিৱৰ্তন সাধন কৰিব পাৰিব লাগিব। সকলো পৰামৰ্শ গ্ৰহণকাৰীৰ বাবেই যাতে বিষয়বস্তু সহজলভ্য হয়, সেইকাৰণে বিষয়বস্ত বিভিন্ন দিশৰ পৰা উপস্থাপন কৰাৰ সক্ষমতা থাকিব লাগিব। প্ৰক্ৰিয়া আৰু পদ্ধতিৰ নমনীয়তা – এই দুয়োটাই পৰামৰ্শ দান কাৰ্যসূচীত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

g. **অনুপ্ৰেৰণামূলক:** এজন সফল পৰামৰ্শ প্ৰদানকাৰী প্ৰেৰণাদায়ক গুণৰ অধিকাৰী হ'ব লাগিব। পৰামৰ্শ গ্ৰহণকাৰীক অনুপ্ৰাণিত কৰা পৰামৰ্শ প্ৰদানকাৰীয়ে তেওঁলোকৰ আৱেগ, উৎসাহ আৰু প্ৰেৰণাৰ ভাৱ জগাই তুলি তেওঁলোকৰ সামগ্ৰিক বিকাশত সহায় কৰে। এজন প্ৰেৰণাদায়ক পৰামৰ্শ প্ৰদানকাৰীয়ে পৰামৰ্শ গ্ৰহণকাৰীক মহান হোৱাৰ বাবে চেষ্টা কৰিবলৈ অনুপ্ৰাণিত কৰে আৰু পাৰদৰ্শিতাৰ প্ৰতি উচ্চ আকাংক্ষা পোষণ কৰে। নিজৰ কাৰ্য্য আৰু সফলতাৰ জৰিয়তে মহান স্বীকৃতি যে লাভ কৰিব পাৰি তাৰ উদাহৰণ দি তেওঁলোকে নিজৰ পৰামৰ্শ গ্ৰহণকাৰীক তেওঁলোকৰ আৰামদায়ক পৰিমণ্ডলৰ পৰা আঁতৰি আহি নিজৰ উদ্দেশ্য সফল কৰিবলৈ অনুপ্ৰাণিত কৰে।

h. **নেতৃত্বৰ কৌশল:** আনক এটা উমৈহতীয়া লক্ষ্য বা উদ্দেশ্যৰ দিশত নেতৃত্ব দি আগুৱাই নিবলৈ, প্ৰভাৱিত কৰিবলৈ আৰু অনুপ্ৰাণিত কৰিবলৈ পৰামৰ্শ প্ৰদানকাৰীজন নেতৃত্বৰ গুণ আৰু আচৰণৰ অধিকাৰী হ'ব লাগিব।

i. **সমালোচনাত্মক চিন্তধাৰা:** পৰামৰ্শ প্ৰদানকাৰীয়ে আদৰ্শ, চিন্তাধাৰা, পৰিৱেশ ইত্যাদি যুক্তি আৰু তৰ্কৰ ভিত্তিত পৰ্যালোচনা কৰাটো অত্যন্ত প্ৰয়োজনীয়। পৰামৰ্শ প্ৰদানকাৰীয়ে সমস্যাসমূহ সদায় যুক্তিৰে সমাধান কৰে আৰু কোনো প্ৰমাণ অবিহনে তথ্য আৰু বাস্তৱতাক গ্ৰহণ কৰাৰ পৰিবৰ্তে পৃথক দৃষ্টিভংগীসমূহকহে বিবেচনা কৰিব লাগে। সমালোচনাত্মক চিন্তাধাৰাই পৰামৰ্শ প্ৰদানকাৰীক প্ৰত্যাহ্বান আৰু বাধাসমূহ নিয়ন্ত্ৰণ কৰা, সেইসমূহৰ পদ্ধতিৰ মূল্যায়ন, পৰিস্থিতিৰ সৈতে খাপ খুৱাই লোৱা আৰু উপযুক্তভাৱে সঁহাৰি জনোৱাত পৰামৰ্শ গ্ৰহণকাৰীক সহায় কৰিবলৈ সক্ষম কৰি তোলে।

j. **সৃষ্টিশীলতা:** সৃষ্টিশীলতাই পৰামৰ্শ প্ৰদানকাৰীসকলক নতুন ধাৰণা সৃষ্টি কৰিবলৈ আৰু নতুন সমাধান সৃষ্টি কৰিবলৈ সক্ষম কৰি তোলে যাতে পৰামৰ্শ গ্ৰহণকাৰীসকলক প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাত সহায় কৰিব পাৰে। পৰামৰ্শ প্ৰদানকাৰীসকলে পৰামৰ্শ গ্ৰহণকাৰীসকলক বিভিন্ন দৃষ্টিভংগী অন্বেষণ কৰিবলৈ আৰু নতুন আদৰ্শ, ধাৰণা আৰু পদ্ধতিৰ সৈতে পৰীক্ষা-নিৰীক্ষা কৰিবলৈ উৎসাহিত কৰাটোও অতি গুৰুত্বপূৰ্ণ, যাতে তেওঁলোকে নতুন সমাধান উলিয়াব পাৰে।

k. **চিন্তা-চৰ্চা:** চিন্তা-চৰ্চা কৰাৰ দক্ষতাই পৰামৰ্শ প্ৰদানকাৰীসকলক আত্ম-চিন্তা কৰাৰ বাবে নিজৰ চিন্তা আৰু ধাৰণাসমূহ সংসাধন কৰিবলৈ, পৰামৰ্শ দান বৈঠকসমূহৰ মূল্যায়ন কৰিবলৈ, পৰামৰ্শ গ্ৰহণকাৰীসকলৰ পৰা সক্ৰিয়ভাৱে মতামত বিচাৰিবলৈ আৰু পৰামৰ্শ প্ৰদানকাৰী হিচাপে নিজকে নিৰন্তৰ বিকশিত কৰি তুলিবলৈ সক্ষম কৰে। ই পৰামৰ্শ প্ৰদানকাৰীজনৰ নিজৰ কৌশলসমূহ পৰিশোধন কৰাত সহায় কৰে, পৰামৰ্শ গ্ৰহণকাৰীজনৰ প্ৰয়োজনীয়তাৰ বিষয়ে তেওঁৰ গভীৰভাৱে অনুধাৱন কৰে, আৰু অৰ্থপূৰ্ণ পথ প্ৰদৰ্শন আৰু সমৰ্থন প্ৰদানত সহায় কৰে।

ওপৰত উল্লেখ কৰা গুণসমূহৰ উপৰিও, এজন পৰামৰ্শ প্ৰদানকাৰীৰ আৱেগিক ক্ষমতা উচ্চ হ'ব লাগিব যাতে তেওঁৰ পৰামৰ্শ গ্ৰহণকাৰীসকলৰ প্ৰত্যাহ্বানসমূহ উপলব্ধি কৰি তেওঁলোকক পৰ্যাপ্তভাৱে সমৰ্থন কৰিব পাৰে। তলত পৰামৰ্শ প্ৰদানকাৰী ব্যক্তিত্বৰ কিছুমান উদাহৰণ দিয়া হ'ল:

**পৰামৰ্শ প্ৰদানকাৰীৰ ব্যক্তিত্ব 1**

শ্ৰীমতী অস্মিতা পন্ত কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ। যোৱা 20 বছৰে দুখন বিদ্যালয়ত মুৰব্বী হিচাপে কাম কৰাৰ অভিজ্ঞতা থকা শ্ৰীমতী পন্তে 10 বছৰ পূৰ্বে কেন্দ্ৰীয় বিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰিছিল। শিক্ষয়িত্ৰী হিচাপে তেওঁ সময়ৰ লগে লগে শিক্ষাদানৰ বিশেষজ্ঞ হৈ পৰিছিল আৰু তেওঁ নিজৰ জ্ঞান আৰু অভিজ্ঞতা ব্যৱহাৰ কৰি সমগ্ৰ বিদ্যালয়ক উন্নতিৰ শিখৰলৈ আগুৱাই নিব বিচাৰিছিল। আৰম্ভণিতে তেওঁ নেতৃত্বৰ গুণ সম্বন্ধীয় কিছুমান মডিউল সম্পূৰ্ণ কৰি আৰু দল আৰু সংস্থা পৰিচালনাৰ বিষয়ে নিজৰ বোধ শক্তি বৃদ্ধি কৰিছিল। তেওঁ নিজৰ বিদ্যালয়ৰ শিক্ষক আৰু কৰ্মচাৰীৰ কথা শুনি উন্নতিৰ দৰকাৰী ক্ষেত্ৰসমূহ চিনাক্ত কৰিছিল। শিক্ষক আৰু কৰ্মচাৰীৰ লগত প্ৰত্যাহ্বানমূলক ক্ষেত্ৰৰ বিষয়ে মুকলি মনেৰে আলোচনা কৰিছিল, আৰু বুজিবলৈ চেষ্টা কৰিছিল যে প্ৰত্যেকৰে শক্তি পৃথক আৰু বিকাশৰ ক্ষেত্ৰও পৃথক। মতামত দিওঁতে তেওঁ গঠনমূলক সমালোচনাৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে বিকাশৰ বাবে শক্তি আৰু ক্ষেত্ৰ উভয়কে চিনাক্ত কৰা আৰু প্ৰমাণ দিয়াটো সুনিশ্চিত কৰিছিল। তেখেতে প্ৰায়ে নিজৰ কাৰ্য্য আৰু তাৰ পৰিণতিৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ লগতে প্ৰয়োজন অনুসৰি নিজ কাৰ্য্যধাৰাৰো সাল-সলনি কৰিছিল আৰু

তেখেতে অদক্ষতা আৰু নেতিবাচকতা সৃষ্টি কৰা কিছুমান ব্যৱস্থা আতৰাই পেলাইছিল। সদায় অধিক শিকিবলৈ আগ্ৰহী তেওঁ আনকো শিকিবলৈ অনুপ্ৰাণিত কৰিছিল, তেওঁ বিদ্যালয়ৰ কৰ্মচাৰীসকলৰ বাবে কৰ্মশালা অনুষ্ঠিত কৰি অবিৰত শিকণে কেনেকৈ উন্নতিৰ দিশত আগবঢ়াই নিব পাৰে তাৰ উদাহৰণ দাঙি ধৰিছিল। শিক্ষকসকলৰ বাবে নিৰাপদ আৰু আৰামদায়ক পৰিবেশ এটা গঢ়ি উঠাটো নিশ্চিত কৰিবলৈ তেখেতে যৎপৰোনাস্তি চেষ্টা কৰিছিল আৰু প্ৰয়োজনৰ সময়ত সদায় সহায় আগবঢ়াবলৈ আগ্ৰহী আছিল। তেওঁৰ বক্তৃতা দিয়াৰ দক্ষতাই সকলোকে তেওঁৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল আৰু পদক্ষেপ ল'বলৈ অনুপ্ৰাণিত কৰিছিল। বিদ্যালয় উন্নয়ন প্ৰকল্পৰ নেতৃত্ব লোৱাৰ বহু বছৰৰ অভিজ্ঞতাপুষ্ট এগৰাকী বিদ্যালয় মুৰব্বী হিচাপে এতিয়া তেওঁ সমগ্ৰ দেশৰ বিদ্যালয়ৰ মুৰব্বীসকলক বিভিন্ন পৰিবেশৰ পৰা শিক্ষা আহৰণ কৰা আৰু বিদ্যালয়ক উন্নতিৰ দিশত আগবঢ়াই লৈ যোৱাৰ যাত্ৰাত পথ প্ৰদৰ্শন কৰিবলৈ আগ্ৰহী।

**পৰামৰ্শ প্ৰদানকাৰীৰ ব্যক্তিত্ব 2**

অমৰপাল বালেং চিবিএছইৰ লগত জড়িত এখন বিদ্যালয়ৰ ভূগোল শিক্ষক। 20 বছৰ ধৰি শিক্ষকতা কৰি অহা তেখেতে নিজৰ বিদ্যালয়ৰ আন শিক্ষকসকলৰ বাবে প্ৰেৰণাৰ উৎস হৈ আহিছে। শিক্ষক হিচাপে নিজৰ দক্ষতাৰ উপৰিও তেওঁ প্ৰায়ে আন শিক্ষকৰ কথা শুনে আৰু নতুন শিক্ষকক স্কুল সংস্কৃতি গ্ৰহণ কৰি লোৱাত সহায় কৰে। তেওঁ প্ৰতিষ্ঠানৰ সকলো কৰ্মচাৰীৰ বাবে এটা সহায়ক, নিৰাপদ স্থান সৃষ্টি কৰাৰ লগতে তেনে পৰিবেশ বৰ্তাই ৰাখিব বিচাৰে আৰু তেওঁ এগৰাকী প্ৰেৰণাদায়ক মুৰব্বী হিচাপে বহুলভাৱে স্বীকৃত। তেওঁ কৰ্মক্ষেত্ৰত উচ্চ মানদণ্ড, পেছাদাৰিত্ব আৰু কৰ্মনীতিৰ গুৰুত্ব বুজি পায় আৰু তেওঁ নিজৰ কাৰ্য্যৰ জৰিয়তে এই কথা স্পষ্ট কৰি দিয়ে। এতিয়া তেওঁ নিজৰ বিশেষজ্ঞতাক ব্যৱহাৰ কৰি আন শিক্ষকসকলক বিদ্যালয়ত সমৰ্থিত, নিৰ্দেশিত আৰু আৰামদায়ক অনুভৱ কৰাত সহায় কৰিব বিচাৰে আৰু পেছাদাৰী জীৱনৰ যাত্ৰাত তেওঁলোকৰ অংশীদাৰ হ'ব বিচাৰে।

## 4.3 পৰামৰ্শ গ্ৰহণকাৰীৰ গুণসমূহ

পৰামৰ্শ দান সম্পৰ্ক সফল হ'বলৈ হ'লে পৰামৰ্শ গ্ৰহণকাৰীজন লক্ষ্যমুখী হ'ব লাগিব, উদ্যোগ ল'ব লাগিব, প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব, শিকাৰ প্ৰতি উৎসাহ দেখুৱাব লাগিব আৰু দায়িত্ব গ্ৰহণ কৰিব লাগিব। তেওঁলোকে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব লাগিব, মানসিক আৰু কায়িকভাৱে সামৰ্থবান হ'ব লাগিব, জ্ঞানৰ উপৰিও নতুন সক্ষমতাৰ সন্ধান আৰু দায়িত্ব গ্ৰহণ কৰিব লাগিব, আৰু সফলতাৰ বাবে একাধিক প্ৰভাৱৰ প্ৰতি মুকলি হৈ থাকিব লাগিব।[9] পৰামৰ্শ গ্ৰহণকাৰীৰ গুণসমূহৰ কিছুমান উদাহৰণ তলত উল্লেখ কৰা হ'ল:

**পৰামৰ্শ গ্ৰহণকাৰীৰ ব্যক্তিত্ব 1**

চেলভা কুমাৰ কেন্দ্ৰীয় বিদ্যালয়ৰ শিক্ষক। 12 বছৰ ধৰি বিদ্যালয়ত শিক্ষক হিচাপে কাম কৰি আহিছে। অধিক শিকিবলৈ আৰু নিজৰ ভূমিকাক বিকশিত কৰাৰ ইচ্ছাই তেখেতক স্কুলীয়া শিক্ষাৰ কিছুমান পাঠ্যক্ৰম গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছে। বিদ্যালয়খনক মধ্যমীয়াৰ পৰা উৎকৃষ্টলৈ লৈ যোৱাৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে এক বিশাল অভিজ্ঞতা সৃষ্টি কৰাৰ ক্ষেত্ৰত তেখেতে যথেষ্ট সম্ভাৱনা দেখিছে। এতিয়া তেওঁ নিজৰ বিদ্যালয়খনৰ উত্তৰণৰ যাত্ৰাত পৰামৰ্শ প্ৰদানকাৰীৰ পৰা মাৰ্গদৰ্শন বিচাৰিছে আৰু এই সময়ছোৱাত তেওঁ নিজে শিকিবলৈও উৎসাহী হৈ আছে।

[9] ৰাষ্ট্ৰীয় কাৰিকৰী শিক্ষক প্ৰশিক্ষণ আৰু গৱেষণা প্ৰতিষ্ঠান. (2020, ছেপ্তেম্বৰ) Making Mentoring Relevant: NEP2020 PERSPECTIVE.

**পৰামৰ্শ গ্ৰহণকাৰীৰ ব্যক্তিত্ব 2**

শ্ৰীমতী সংগীতা প্ৰধান জৱাহৰ নৱোদয় বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ শিক্ষয়িত্ৰী। শিক্ষকতাৰ পেছাদাৰী প্ৰশিক্ষণৰ পিছত শিক্ষক হিচাপে এইটোৱেই তেওঁৰ প্ৰথম পূৰ্ণকালীন চাকৰি। তেওঁ বিদ্যালয়ত কাম কৰিবলৈ আৰম্ভ কৰোতে প্ৰশিক্ষণৰ সময়ত লাভ কৰা অভিজ্ঞতা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈছিল। সপ্তম আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে শ্ৰেণীকোঠাত কাম কৰাৰ প্ৰত্যাহ্বানো বহুত আছিল, য'ত পৃথক পৃথক স্তৰৰ শিক্ষাৰ্থীসকলক সম্বোধন কৰিব লাগিছিল। শ্ৰীমতী প্ৰধানে সময় উলিয়াই নিজকে খাপ খুৱাই লোৱাৰ লগতে সহায়ৰ বাবে বিদ্যালয়খনৰ আৰু নিজৰ চিনাকি আন শিক্ষকসকলৰ সৈতে আলোচনা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ শিকিবলৈ আগ্ৰহী আছিল আৰু নিজৰ সতীৰ্থসকলৰ সৈতে হোৱা পাৰস্পৰিক আলাপ-আলোচনা, অংশগ্ৰহণ কৰা কৰ্মশালা আৰু অবিৰত চিন্তা-চৰ্চাৰ জৰিয়তে শ্ৰেণীকোঠাৰ অসুবিধাসমূহ অতিক্ৰম কৰিবলৈ সক্ষম হৈছিল।

## 4.4 পৰামৰ্শ প্ৰদানকাৰী বিকাশ

সফল পৰামৰ্শ দানৰ সম্পৰ্ক সৰ্বাধিক আৰু সক্ষম কৰিবলৈ পৰামৰ্শ প্ৰদানকাৰীসকলক সঁজুলি আৰু সুযোগ প্ৰদান কৰিব লাগে। পৰামৰ্শ প্ৰদানকাৰীসকলৰ বিকাশৰ দুটা স্তৰ যিকোনো পৰামৰ্শ দান কাৰ্যসূচীত অন্তৰ্ভূক্ত হ'ব লাগে:

a. পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচিত কৰাৰ পিছত পৰামৰ্শ প্ৰদানকাৰী প্ৰশিক্ষণ কাৰ্যসূচীয়ে তেওঁলোকক পৰামৰ্শ সম্বন্ধীয় আলোচনা সুবিধাজনক কৰি তুলিবলৈ উত্তম ৰূপত প্ৰস্তুত হোৱাত সহায় কৰে।

b. পৰামৰ্শ দান প্ৰক্ৰিয়া আগবঢ়াৰ লগে লগে, অবিৰত পেছাদাৰী বিকাশ (CPD)ৰ কিছুমান সুবিধাই পৰামৰ্শ প্ৰদানকাৰীক সমৰ্থন কৰাৰ লগতে নিজকে বিকশিত কৰাত সহায় কৰে।

### 4.4.1 পৰামৰ্শ প্ৰদানকাৰী প্ৰশিক্ষণ কাৰ্যসূচী

পৰামৰ্শ প্ৰদানকাৰীসকল বিভিন্ন ধৰণৰ পেছাদাৰী দক্ষতা যেনে অনুশাসনমূলক বিশেষজ্ঞতা, যোগাযোগ, সহানুভূতি আৰু আৱেগিক বুদ্ধিমত্তা, সমস্যা সমাধানৰ দক্ষতা, সময় ব্যৱস্থাপনা, আৰু নেতৃত্বৰ দক্ষতাৰে পৰিপুষ্ট। এই পেছাদাৰী দক্ষতাসমূহে তেওঁলোকক পৰামৰ্শ দান কাৰ্যসূচীৰ সময়ত তেওঁলোকৰ পৰামৰ্শ প্ৰদানকাৰীসকলক সহায় বা পথ প্ৰদৰ্শন কৰিবলৈ সক্ষম কৰি তোলে। পৰামৰ্শ প্ৰদানকাৰীসকলৰ প্ৰশিক্ষণ কাৰ্যসূচীয়ে পৰামৰ্শ প্ৰদানকাৰীসকলক দুটা ক্ষেত্ৰত বিকশিত কৰাত সহায় কৰে: বুনিয়াদী পৰামৰ্শ দান কৌশল বিকাশ আৰু পৰামৰ্শ দানৰ প্ৰকাৰৰ ক্ষেত্ৰত দিকদৰ্শন।

#### 4.4.1.1 পৰামৰ্শ দানৰ ভেটি (মূল দক্ষতাসমূহ)

এই প্ৰশিক্ষণৰ জৰিয়তে বিকশিত কৰিব পৰা কিছুমান দক্ষতা হ'ল:

**তালিকা 4.1: দক্ষতা, উপাদান আৰু বিৱৰণ**

| কৌশল | উপাদান | বিৱৰণ |
|---|---|---|
| যোগাযোগ | সক্ৰিয়তাৰে শ্ৰৱণ | পৰামৰ্শ দান, জটিল কথোপকথন ইত্যাদিৰ গুৰুত্বপূৰ্ণ আৰু মূল উপাদানসমূহ সক্ৰিয়ভাৱে শুনা |

| | | |
|---|---|---|
| | চিন্তাশীল আৰু অনুসন্ধানমূলক প্ৰশ্ন কৰা | বিভিন্ন পৰিস্থিতিত বিভিন্ন ধৰণৰ প্ৰশ্ন কৰি অৰ্থপূৰ্ণ কথোপকথনৰ নেতৃত্ব দিয়া |
| | মতামত দিয়া আৰু লোৱা | গঠনমূলক মতামত লোৱা আৰু দিয়াৰ কৌশলসমূহ |
| **নেতৃত্ব** | ৰূপান্তৰ প্ৰক্ৰিয়াৰ ব্যৱস্থাপনা | সাংগঠনিক পৰিৱৰ্তন আৰু ইয়াৰ বিষয়ে যোগাযোগৰ জৰিয়তে মানুহক ইতিবাচকভাৱে নেতৃত্ব আৰু প্ৰেৰণা দিয়াৰ উপায় |
| | দৃষ্টিভংগী আৰু লক্ষ্য নিৰ্ধাৰণ কৰা | এটা পৰামৰ্শ দান সম্পৰ্কৰ বাবে এটা অৰ্থপূৰ্ণ দৃষ্টিভংগী আৰু SMART লক্ষ্য নিৰ্ধাৰণ কৰা |
| | দায়বদ্ধতা সৃষ্টি কৰা | দলসমূহত জবাবদিহিতা সফলতাৰে গঢ়ি তোলা আৰু প্ৰত্যয়, নিৰীক্ষণ, আৰু মতামত প্ৰদানৰ দক্ষতা প্ৰদৰ্শন কৰা। |
| | এক উন্নত মানসিকতাৰ বিকাশ | উন্নত মানসিকতাৰ প্ৰয়োজনীয়তা স্পষ্ট কৰা আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ উন্নত মানসিকতা বিকাশ কৰিবলৈ সহযোগিতামূলক কৌশল সৃষ্টি কৰা |
| | ৰূপান্তৰ প্ৰক্ৰিয়াৰ ব্যৱস্থাপনা | সাংগঠনিক পৰিৱৰ্তন আৰু ইয়াৰ বিষয়ে যোগাযোগৰ জৰিয়তে মানুহক ইতিবাচকভাৱে নেতৃত্ব আৰু প্ৰেৰণা দিয়াৰ উপায়। |
| | সংস্কৃতি নিৰ্মাণ | উপযুক্ত দল/পৰামৰ্শ গ্ৰহণকাৰীৰ গোট সংস্কৃতি গঢ়ি তুলিবৰ বাবে পথৰ সন্ধান কৰা আৰু সেইবোৰ কাৰ্যকৰী কৰা |
| **অন্য নব্য কৌশল** | নেটৱৰ্কিং | উদ্দেশ্যপূৰ্ণ সমস্যা সমাধানৰ বাবে নেটৱৰ্কিঙৰ গুৰুত্ব অনুধাৱন কৰা |
| | পৰামৰ্শ দান আৰু ইয়াৰ সাৰমৰ্ম | পৰামৰ্শ দান আৰু ইয়াৰ গুৰুত্বৰ সংজ্ঞা আগবঢ়োৱাৰ লগতে পৰামৰ্শ দানৰ পদ্ধতিসমূহ উল্লেখ কৰা |

### 4.4.1.2 পৰামৰ্শ দানৰ প্ৰকাৰ

পৰামৰ্শ দানৰ আলোচনাসমূহ ভাৰ্চুৱেল আৰু শাৰীৰিক দুয়োটা পদ্ধতিতে সমকালীন বা পৃথকভাৱে অনুষ্ঠিত কৰিব পৰা যায়। পৰামৰ্শ দান ব্যৱস্থাক তলত উল্লেখ কৰা তিনিটা প্ৰকাৰত বিভক্ত কৰিব পাৰি:

পৰামৰ্শ দানৰ অভিজ্ঞতা পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ বাবে গঠনমূলক হৈ পৰে যেতিয়া ভাৱৰ আদান-প্ৰদানে চাৰিটা মূল কাৰ্য্যক অনুঘটিত কৰে; *শিকণ, বিতৰণ, সমাধান আৰু সংযোগ,* যাতে নিজ নিজ প্ৰসংগত সমস্যা সমাধানৰ বাবে পৰামৰ্শ গ্ৰহণকাৰীৰ কাৰ্য সম্পাদনত সহায়ক মাধ্যমসমূহ পুনৰুদ্ধাৰ কৰিব পৰা যায়। তলত দিয়াৰ দৰে ইয়াক বিভিন্ন ধৰণৰ পৰামৰ্শ দানৰ জৰিয়তে সক্ষম কৰি তুলিব পাৰি:

### a. ব্যক্তিগত পৰামৰ্শ দান

ব্যক্তিগত পৰামৰ্শ দান হৈছে অংশগ্ৰহণকাৰীয়ে নিজৰ পছন্দৰ বিষয় এটাৰ ওপৰত কৰা ব্যক্তিগত, জ্ঞান-বিনিময় কৰা কথোপকথন। ই এজন পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ মাজত হোৱা বিশেষ আলোচনা। পৰামৰ্শ গ্ৰহণকাৰীয়ে বিনিময়, শিকণ আৰু আলোচনা কৰিবলৈ বিশ্বাসযোগ্য ব্যক্তি (পৰামৰ্শ প্ৰদানকাৰী বা সমনীয়া)ৰ সৈতে সংযোগ স্থাপন কৰিবলৈ বিকল্প সুযোগ লাভ কৰে। পৰামৰ্শ প্ৰদানকাৰীয়ে পৰামৰ্শ গ্ৰহণকাৰীক তেওঁলোকে আহৰণ কৰা দক্ষতা আৰু জ্ঞান শক্তিশালী কৰি তোলাত সহায় কৰে আৰু তেওঁলোকে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰাত জ্ঞান আৰু দক্ষতা কেনেকৈ প্ৰয়োগ

কৰিব লাগে সেয়া অৱগত কৰে। এজনৰ দ্বাৰা আন এজনক পৰামৰ্শ দানৰ প্ৰক্ৰিয়া পৰামৰ্শ গ্ৰহণকাৰীৰ বাবে এক ব্যৱহাৰিক যাত্ৰা হৈ পৰে কাৰণ ই তেওঁলোকক ব্যক্তিগতভাৱে আৰু পেছাগতভাৱে বিকাশ সাধন কৰাত সহায় কৰাৰ লগতে নিজ সামৰ্থ্যৰ ওপৰত অধিক আত্মবিশ্বাস গঢ়ি তোলাত সহায় কৰে। পৰামৰ্শ প্ৰদানকাৰীয়ে ইয়াৰ যোগেদি সমাজলৈ অৰিহণা আগবঢ়োৱাৰ সুযোগ লাভ কৰে।

### b. সামূহিক পৰামৰ্শ দান

সামূহিক পৰামৰ্শ দান ব্যৱস্থাত একে ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা পৰামৰ্শ গ্ৰহণকাৰীৰ জড়িত হৈ থাকে। ই সহকৰ্মীৰ পৰা শিকিব আৰু সংযোগ স্থাপন কৰিব খোজা পৰামৰ্শ গ্ৰহণকাৰীৰ বাবে সহায়ক।

#### i. আলোচনা চক্ৰ (জ্ঞান হস্তান্তৰমূলক পৰামৰ্শ দান)

আলোচনা চক্ৰ (পৰামৰ্শ দান চক্ৰ)ৰ জৰিয়তে, ধাৰণা (নীতি, পৰিকল্পনা আদি) আৰু সম্প্ৰদায়ৰ প্ৰয়োজনীয়তাৰ সৈতে জড়িত উত্তম পদ্ধতিসমূহ সহজ কৰি তুলিব পাৰি। এই ক্ষেত্ৰসমূহ বিশেষজ্ঞসকলৰ বাবে মুকলি কৰিব পাৰি যি তেওঁলোকৰ জ্ঞান, অভিজ্ঞতা আৰু শিকণসমূহ বিনিময় কৰাৰ বাবে পৰামৰ্শ প্ৰদানকাৰী হিচাপে কাম কৰে। পৰামৰ্শ দান চক্ৰসমূহে পৰামৰ্শ দানৰ সৌন্দৰ্যক কাৰ্যব্যৱস্থা সম্বন্ধীয় শিকণৰ উপাদানসমূহৰ সৈতে সংযুক্ত কৰে। এই চক্ৰসমূহৰ সহায়ত পৰামৰ্শ গ্ৰহণকাৰীক সামূহিকভাৱে শিকিবলৈ আৰু আগবাঢ়ি যাবলৈ প্ৰেৰণা দিব পাৰি। ইয়াৰ ফলত একেধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা বা সামূহিকভাৱে জ্ঞান অৰ্জন কৰিব বিচৰা লোকসকলে একত্ৰিত হৈ অন্বেষণ আৰু আলোচনা কৰাটো সহজ হৈ পৰে, একে সময়তে সেই বিশেষ ধাৰণাটোৰ জ্ঞান, অভিজ্ঞতা আৰু বিশেষজ্ঞতা থকা কোনোবা এজনৰ দ্বাৰা পৰামৰ্শ দান কৰা হয় আৰু পথ-নিৰ্দেশনা প্ৰদান কৰা হয়। তদুপৰি, তেওঁলোকে যি পৰামৰ্শ দান চক্ৰৰ অংশীদাৰ হ'ব বিচাৰে, সেয়া বাছি লোৱাৰ সুযোগে পৰামৰ্শ প্ৰদানকাৰীক তেওঁলোকে কি শিকিব বিচাৰে আৰু কাৰ পৰা শিকিব বিচাৰে, সেয়া নিৰ্বাচন কৰাৰ স্বাধীনতা প্ৰদান কৰে।

#### ii. সতীৰ্থৰ পৰামৰ্শ দান

এই ক্ষেত্ৰত নিৰ্দিষ্ট প্ৰত্যাহ্বানসমূহ সফলতাৰে মোকাবিলা বা কিছুমান বিশেষ ক্ষেত্ৰত বিশেষজ্ঞতা বিকশিত কৰা পেছাদাৰীসকলৰ এটা দলে আলোচনাৰ নেতৃত্ব দিয়ে আৰু তেওঁলোকৰ সতীৰ্থসকলক পৰামৰ্শ দান কৰে। সতীৰ্থৰ পৰামৰ্শ দানৰ বৈঠকত বিভিন্ন দৃষ্টিকোণৰ পৰা জ্ঞান আৰু অভিজ্ঞতা বিনিময় কৰি সতীৰ্থৰ মাজত সহযোগিতামূলক সম্পৰ্ক বৃদ্ধি কৰাৰ সুবিধা থাকে। ই একে পটভূমিৰ পৰামৰ্শ গ্ৰহণকাৰীক এক বিশ্বাসযোগ্য নেটৱৰ্ক প্ৰদান কৰে যাতে তেওঁলোকে উত্তম পদ্ধতিসমূহ বিনিময় কৰাৰ লগতে জ্ঞান আহৰণ কৰিব পাৰে। সতীৰ্থক পৰামৰ্শ দানৰ অৰ্থ হৈছে দুই-দিশীয়, উমৈহতীয়াভাৱে উপকাৰী শিকণ প্ৰক্ৰিয়া। পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰী দুয়োৰে জ্ঞান আৰু অভিজ্ঞতা বিনিময় কৰাৰ বাবে ই দুয়োপক্ষৰ বাবে উপকাৰী। সতীৰ্থ পৰামৰ্শ প্ৰদানকাৰীয়ে পৰামৰ্শ গ্ৰহণকাৰীসকলক পথ প্ৰদৰ্শন আৰু সমৰ্থন কৰাৰ বাবে পৰামৰ্শ প্ৰদানকাৰীসকলে পৃথক পৃথক উপায়েৰে সেই জ্ঞান উপলব্ধি কৰিবলৈ আৰু ইয়াক প্ৰয়োগ কৰিবলৈ প্ৰয়াস কৰা দেখা পোৱা যায়। ই 'উত্তম পদ্ধতি বিতৰণ' মঞ্চ হিচাপেও কাম কৰা দেখা পোৱা যায়।

#### iii. বিষয়-ভিত্তিক আলোচনাসমূহ (পৰিস্থিতিগত পৰামৰ্শ দান)

এই ক্ষেত্ৰত, পৰামৰ্শ গ্ৰহণকাৰীয়ে তেওঁলোকে সন্মুখীন হোৱা এটা নিৰ্দিষ্ট উমৈহতীয়া সমস্যাৰ সমাধান বিচাৰি নেটৱৰ্ক/পৰামৰ্শ প্ৰদানকাৰীৰ কাষ চাপে। ই সমূহীয়া সমস্যা সমাধানৰ এক উত্তম পথ ৰূপে বিবেচিত হৈছে।

**iv. সংক্ষিপ্ত পৰামৰ্শ দান**

সংক্ষিপ্ত পৰামৰ্শ দান হৈছে এক হ্রস্বম্যাদী পৰামৰ্শ দান ব্যৱস্থা যিটো এক নিৰ্দিষ্ট আৰু সংক্ষিপ্ত সময়ৰ বাবে অনুষ্ঠিত কৰা হয়। সাধাৰণতে ইয়াক এনে পৰিস্থিতিত ব্যৱহাৰ কৰা হয় য'ত ব্যক্তিক কোনো নিৰ্দিষ্ট বিষয় বা পাঠৰ ওপৰত দ্রুত নিৰ্দেশনা আৰু সহায়ৰ প্ৰয়োজন হয়। ই হৈছে কম সময়ৰ ভিতৰতে মূল্যৱান অন্তৰ্দৃষ্টি আৰু সহায় লাভ কৰাৰ এক নমনীয় আৰু ফলপ্ৰসূ উপায়।

যদিও ওপৰত বৰ্ণনা কৰা প্ৰকাৰসমূহৰ উদ্দেশ্য হৈছে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ মাজত ভাৱ-বিনিময়ক উৎসাহিত কৰা, তথাপিও পৰামৰ্শ দানৰ পাৰস্পৰিক আদান-প্ৰদান সম্পন্ন কৰাৰ অতিৰিক্ত উপায়ো সম্ভৱ। সমসাময়িক বা পৃথক পৃথক পদ্ধতি ব্যৱহাৰ কৰি, ইয়াক অনলাইন আৰু অফলাইন উপায়ৰ সংমিশ্ৰণৰ দ্বাৰা পৰিচালনা কৰিব পাৰি। নিম্নলিখিত টেবুলখনত এই বিষয়ে দেখুওৱা হৈছে:

**তালিকা 4.2: পৰামৰ্শ দানৰ পদ্ধতিসমূহ**

| পদ্ধতি→<br>মাধ্যম↓ | সমকালীন | পৃথক |
|---|---|---|
| **অনলাইন** | ওপৰত বৰ্ণিত সকলো পদ্ধতি, অনলাইন কনফাৰেন্সিং সঁজুলি ব্যৱহাৰ কৰি<br><br>*বৃহৎ পৰিসৰৰ পৰামৰ্শ দান কাৰ্যসূচীৰ বাবে এইটো আটাইতকৈ উপযোগী সংমিশ্ৰণ হ'ব পাৰে, য'ত ব্যক্তিগত আলোচনা সম্ভৱ নহ'বও পাৰে কাৰণ পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰী বিভিন্ন ভৌগলিক স্থানত থাকিব পাৰে।* | প্ৰদানিত কাম আৰু মতামত বিনিময়ৰ বাবে অনলাইন আহিলা, যেনে চিন্তাশীল পাঠভিত্তিক প্ৰকল্প, আনুসংগিক প্ৰশ্নৰ সৈতে বিষয় বস্তুৰ অধ্যয়ন<br><br>*ইয়াৰ সহায়ত অনলাইন-সমকালীন কাৰ্যসূচীৰ উপৰিও আত্ম-চিন্তা আৰু আত্ম-শিকণৰ সময়ৰ বাবে উৎসাহিত কৰিব পাৰি।* |
| **অফলাইন** | ওপৰত বৰ্ণনা কৰা সকলো পদ্ধতি এক ব্যক্তিগত পৰিবেশত ব্যৱহাৰ কৰি<br><br>*এই সংমিশ্ৰণ ক্ষুদ্ৰ পৰিসৰৰ কাৰ্যসূচীৰ বাবে আটাইতকৈ অধিক উপযোগী আৰু যোগাযোগক অনলাইন পদ্ধতিতে সীমাবদ্ধ কৰি নাৰাখি ই পৰামৰ্শ দান কাৰ্যকলাপক উন্নত কৰিব।* | অফলাইন সঁজুলি যেনে কিতাপ, কাৰ্যকলাপৰ টোপোলা, অভিজ্ঞতামূলক কাৰ্যসূচী ইত্যাদি ব্যৱহাৰ কৰিব পাৰি<br><br>*অনলাইন/অফলাইন-সমকালীন পৰামৰ্শ দান কাৰ্যসূচীৰ উপৰিও এই সংমিশ্ৰণটো স্ব-শিকণক উৎসাহিত কৰিবলৈ কিছু সালসলনি কৰি ব্যৱহাৰ কৰিব পাৰি।* |

## 4.4.2 পৰামৰ্শ প্ৰদানকাৰীসকলৰ নিৰন্তৰ পেছাদাৰী বিকাশ

পৰামৰ্শ প্ৰদানকাৰীয়ে অধিক পৰামৰ্শ দান কাৰ্যসূচী সম্পন্ন কৰাৰ সৈতে তেওঁলোকৰ প্ৰশিক্ষণ সলনি আৰু উন্নত কৰিব লাগে। উদাহৰণ স্বৰূপে, পৰামৰ্শ প্ৰদানকাৰীক বিভিন্ন দক্ষতাৰ সৈতে পৰিচয় কৰি দিবলৈ পৰামৰ্শ প্ৰদানকাৰীৰ প্ৰশিক্ষণ বিভিন্ন স্তৰত হ'ব পাৰে আৰু পৰৱৰ্তী উপাদানসমূহে তেওঁলোকৰ ক্ষমতা বৃদ্ধিত সহায় কৰিব পাৰে:

তালিকা 4.3: পৰামৰ্শ প্ৰদানকাৰীৰ প্ৰশিক্ষণ আৰু কৌশলৰ স্তৰ

| স্তৰ 1 | স্তৰ 2 | স্তৰ 3 |
|---|---|---|
| পৰামৰ্শ দান আৰু ইয়াৰ সাৰমৰ্ম | আলোচনা চক্ৰ | দায়বদ্ধতা গঢ়ি তোলা |
| ভৱিষ্যত পৰিকল্পনা আৰু লক্ষ্য নিৰ্ধাৰণ | সংস্কৃতি গঢ়ি তোলা | নেটৱৰ্কিং |
| দলীয় সুবিধা | ব্যক্তিগত পৰামৰ্শ দান | সতীৰ্থ পৰামৰ্শ দান |
| বিষয়-ভিত্তিক আলোচনা | অনুসন্ধানী প্ৰশ্ন সোধা | ৰূপান্তৰ |
| সমকালীন সুবিধা | মতামত দিয়া আৰু লোৱা | বিকাশ মানসিকতা |
| সক্ৰিয়ভাৱে শুনা | | সময় ব্যৱস্থাপনা |
| পৃথক পৃথক সুবিধা | | |
| অনুসন্ধানী প্ৰশ্ন সোধা | | |

অতিৰিক্তভাৱে, প্ৰশাসনীয় প্ৰতিষ্ঠানসমূহে প্ৰদান কৰা সুযোগৰ বাহিৰেও পৰামৰ্শ প্ৰদানকাৰীয়ে অন্য সুযোগ লাভ কৰিব লাগে যাতে তেওঁলোকে সামৰ্থ্য বিকাশ কৰিব পাৰে, যাতে পৰামৰ্শ গ্ৰহণকাৰীৰ সৈতে আলোচনাৰ পৰিসৰ বহল কৰিব পাৰে আৰু নতুন দৃষ্টিভংগী সংযোজন কৰিব পাৰে। পৰামৰ্শ প্ৰদানকাৰীক সময়ে সময়ে CDPত জড়িত কৰাৰ ব্যৱস্থা তেওঁলোকৰ বিকাশৰ বাবে অত্যন্ত আৱশ্যকীয় আৰু ইয়াক বিশেষজ্ঞৰ দ্বাৰা আলোচনা, ৱেবিনাৰ, সক্ষমতা বিকাশৰ অনলাইন পাঠ্যক্ৰম ইত্যাদি মাধ্যমৰ দ্বাৰা সম্পূৰ্ণ কৰিব পৰা যায়।

## 4.5 পৰামৰ্শ দানৰ ক্ষেত্ৰসমূহ

ওপৰত উল্লেখ কৰা ধৰণৰ পৰামৰ্শ দান ব্যৱস্থাৱলী প্ৰয়োগ কৰি বিভিন্ন ক্ষেত্ৰত পৰামৰ্শ দানৰ আধাৰ তৈয়াৰ কৰিব পৰা যায়। পৰামৰ্শ দান কাৰ্যসূচীৰ উদ্দেশ্য, অংশীদাৰসকলৰ আৱশ্যকতা আৰু পৃষ্ঠভূমিৰ ওপৰত নিৰ্ভৰ কৰি, যিকোনো ক্ষেত্ৰতে পৰামৰ্শ দানৰ সুবিধা আগবঢ়াব পৰা যায়। আলোচনাৰ বাবে আটাইতকৈ প্ৰাসংগিক পৰামৰ্শ দানৰ বিষয়সমূহ বিচাৰি উলিয়াবলৈ তলত দিয়া ক্ষেত্ৰসমূহ (তালিকা 4.4) উদাহৰণ হিচাপে ব্যৱহাৰ কৰিব পাৰি। এই চিহ্নিত ক্ষেত্ৰসমূহ NEP 2020ৰ সৈতে সংগতি ৰাখি, অন্য বৰ্ধিত ক্ষেত্ৰসমূহ চিনাক্ত কৰি কাৰ্যসূচীৰ ধাৰাবাহিকতাত এইবোৰক অন্তৰ্ভুক্ত কৰা হ'ব।

তালিকা 4.4: পৰামৰ্শ দানৰ ক্ষেত্ৰসমূহ আৰু সংজ্ঞা

| পৰামৰ্শ দানৰ ক্ষেত্ৰসমূহ | সংজ্ঞা |
|---|---|
| **শিক্ষাদানৰ পদ্ধতি বিষয়ক সামগ্ৰীৰ জ্ঞান (PCK) – বিদ্যালয়ৰ বিষয়/শিক্ষাক্ষেত্ৰ বিষয়বস্তু জনা আৰু বুজা** | PCK হৈছে শিক্ষকৰ বিষয় আৰু শিক্ষাদানৰ পদ্ধতি বিষয়ক জ্ঞান বৰ্ণনা কৰিবলৈ ব্যৱহাৰ কৰা বাক্যাংশ। বিষয়বস্তু জ্ঞানৰ অৰ্থ হ'ল গণিত, বিজ্ঞান, সমাজ বিজ্ঞান, কলা আদি দৰে নিৰ্দিষ্ট বিষয়/শিক্ষাক্ষেত্ৰ বিষয়বস্তুৰ লগত জড়িত তথ্য, নীতি, তত্ত্ব আৰু ধাৰণাসমূহ বুজি পোৱা। আনহাতে, শিক্ষাদানৰ পদ্ধতি বিষয়ক জ্ঞান হ'ল শিক্ষণ-শিকণ প্ৰক্ৰিয়াৰ সময়ত শিক্ষাৰ্থীক সহায় কৰিবলৈ শিক্ষক এজনে ব্যৱহাৰ কৰা পদ্ধতি আৰু কৌশল |

| | |
|---|---|
| **বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাজ্ঞান** | NEP 2020ত উল্লেখ কৰাৰ দৰে, 2025 চনৰ ভিতৰত প্ৰাথমিক বিদ্যালয়সমূহত সাৰ্বজনীন বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাজ্ঞান নিশ্চিত কৰা বিষয়টোৱে অগ্ৰাধিকাৰ লাভ কৰিছে। শিক্ষাৰ্থীসকল তৃতীয় শ্ৰেণী পোৱাৰ সময়ত অৰ্থপূৰ্ণ পঠন আৰু লিখনত সক্ষম হৈ উঠিব লাগিব আৰু সংখ্যাৰ ক্ষেত্ৰত বুনিয়াদী বোধগম্যতা বিকাশ কৰিব পাৰিব লাগিব। বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাজ্ঞান বিদ্যালয় বা শ্ৰেণীকোঠাৰ বাহিৰৰ পৰাও অৰ্জন কৰিব পাৰি। |
| **সমতাপূৰ্ণ আৰু সৰ্বাংগীন শিক্ষা** | NEP 2020এ সমতাপূৰ্ণ আৰু সৰ্বাংগীন শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু সকলো শিশুৱে গুণগত শিক্ষাৰ সুবিধা লাভ কৰিব লাগে বুলি থকা ধাৰণাটোক প্ৰসাৰিত কৰিছে। ইয়াত বঞ্চিত গোটসমূহে (মহিলা, ট্ৰান্সজেণ্ডাৰ গোট, অনুসূচিত জাতি আৰু জনজাতি, অ'বিচি, দিব্যাংগ আৰু অন্য বঞ্চিত গোট) উত্থাপন কৰা প্ৰত্যাহ্বানসমূহ বিবেচনা কৰা হৈছে। এই নীতিয়ে সকলো শিশুৰ বাবে এক সমাবেশীমূলক শিকণ পৰিৱেশ গঢ়ি তোলাটো নিশ্চিত কৰিছে। |
| **দক্ষতাভিত্তিক শিক্ষা** | দক্ষতাভিত্তিক শিক্ষা হৈছে এনে এক পদ্ধতি যি এক নিৰ্ধাৰিত পাঠ্যক্ৰম আৰু সময়সীমাৰ ভিত্তিত আগবাঢ়ি যোৱাতকৈ পৰ্যবেক্ষণ আৰু জুখিব পৰা মনোভাৱ, জ্ঞান আৰু দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দক্ষতাভিত্তিক শিক্ষাৰ লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলে যাতে তেওঁলোকৰ জ্ঞান বাস্তৱ জীৱনৰ পৰিস্থিতিত প্ৰয়োগ কৰাৰ ক্ষমতাৰ বিকাশ সাধন কৰিব পাৰে। |
| **গল্প কোৱা আৰু খেলা সামগ্ৰী ভিত্তিক শিক্ষণ** | NEP 2020 আৰু বুনিয়াদী স্তৰৰ বাবে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম সংৰচনা (NCFFS), 2022এ শিকণৰ প্ৰথমিক পৰ্যায়ত থকা শিশুসকলৰ বাবে কাহিনী কোৱা আৰু খেলা-ধুলাৰ সামগ্ৰী আধাৰিত শিক্ষাদান পদ্ধতি কাৰ্যকৰীকৰণৰ বাবে পৰামৰ্শ আগবঢ়াইছে। শিশুৱে প্ৰাৰম্ভিক পৰ্যায়ত আহৰণ কৰা ধাৰণাগত বোধশক্তি খেলা-ধুলাৰ সামগ্ৰী আধাৰিত শিক্ষা পদ্ধতিৰ দ্বাৰা শক্তিশালী কৰি তুলিব পাৰি। |
| **অভিজ্ঞতাভিত্তিক শিকণ** | NEP 2020এ অভিজ্ঞতা-আধাৰিত শিকণ পদ্ধতি গ্ৰহণ কৰাৰ পৰামৰ্শ দিছে, য'ত "প্ৰতিটো বিষয়ৰ মান্য পাঠদানৰ ভিতৰত ব্যৱহাৰিক শিকণ, কলা-সংহত আৰু ক্ৰীড়া-সংহত শিক্ষা আৰু কাহিনী কোৱাৰ ওপৰত আধাৰিত শিক্ষা দান পদ্ধতি সংহত ৰূপত অন্তৰ্ভুক্ত"। |
| **ভাৰতীয় জ্ঞান** | ভাৰতীয় জ্ঞান আৰু চিন্তাই জ্ঞান, প্ৰজ্ঞা আৰু সত্যৰ সন্ধানক সদায় শিক্ষাৰ অংগ বুলি গণ্য কৰি আহিছে। ভাৰতীয় প্ৰজ্ঞাত শিক্ষাৰ উদ্দেশ্য হৈছে ব্যক্তিৰ চূড়ান্ত আত্মোপলব্ধি আৰু মুক্তি, আৰু লগতে ব্যক্তিক জীৱনৰ বাবে প্ৰস্তুত কৰি তোলা। প্ৰাচীন ভাৰতীয় জ্ঞানৰ উপাদানসমূহ বিজ্ঞানসন্মতভাৱে আলোচনা কৰাৰ প্ৰচেষ্টা চলাব পাৰি। |
| **কাৰ্যব্যৱস্থা গৱেষণা** | কাৰ্যব্যৱস্থা গৱেষণা হৈছে এক প্ৰকাৰৰ পদ্ধতিগত অনুসন্ধান যি শ্ৰেণীকোঠা আৰু বিদ্যালয়ৰ নিৰ্দিষ্ট সমস্যাসমূহৰ সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কৌশলসমূহৰ বিষয়ে অধিক জানিবলৈ শিক্ষকসকলে ইয়াক পৰিচালনা কৰে আৰু শিক্ষণ-শিকণ পৰিৱেশত সিদ্ধান্ত লোৱাত সহায় কৰে। |

| | |
|---|---|
| নৈতিকতা, সততা আৰু সাংবিধানিক মূল্যবোধ | এটা ভাল শিক্ষা ব্যৱস্থা নীতি, নৈতিকতা আৰু সাংবিধানিক মূল্যবোধৰ দ্বাৰা পৰিচালিত হয় যি সহানুভূতি, আনৰ প্ৰতি সন্মান, পৰিষ্কাৰ-পৰিচ্ছন্নতা, শিষ্টাচাৰ, গণতান্ত্রিক মনোভাৱ, ৰাজহুৱা সম্পত্তিৰ প্ৰতি সন্মান, বৈজ্ঞানিক স্বভাৱ, স্বাধীনতা, দায়িত্ব, বহুত্ববাদ, সমতা আৰু ন্যায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। |
| ডিজিটেল শিক্ষা সাক্ষৰতা | NEP 2020এ সকলোকে গুণগত শিক্ষা প্ৰদানৰ বাবে প্ৰযুক্তিমূলক উত্তৰণৰ গুৰুত্ব স্বীকাৰ কৰে। সেই অনুসৰি, ডিজিটেল প্লেটফৰ্ম আৰু ICT ভিত্তিক শৈক্ষিক পদক্ষেপসমূহ অতি প্ৰয়োজনীয় আৰু ভৱিষ্যতৰ শৈক্ষিক পৰিৱেশৰ প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিবলৈ ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অতি প্ৰয়োজন। |
| বৃত্তিমূলক অভিজ্ঞতা আৰু কৌশল | NEP 2020এ বৃত্তিমূলক আৰু বিদ্যায়তনিক শিক্ষাৰ মাজত কোনো স্পষ্ট বিভাজন নথকাৰ ধাৰণাটোক উৎসাহিত কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ অনুসৰি বিষয় বাছি লোৱাৰ সুবিধা থাকিব, যাতে তেওঁলোকে নিজৰ পথ নিজেই বাছি ল'ব পাৰে। ইণ্টাৰ্ণশ্বিপৰ জৰিয়তে ই ছাত্ৰ-ছাত্ৰীসকলক কাঠমিস্ত্ৰী, মালী, মৃৎশিল্পী আৰু কাৰুশিল্পীকে ধৰি বিভিন্ন ক্ষেত্ৰৰ পেছাদাৰী বিশেষজ্ঞৰ সৈতে পৰিচয় কৰাই দিয়ে। |
| কলা-সংহত শিক্ষা | কলা-সংহত শিক্ষাক শিক্ষাদান পদ্ধতিত অন্তৰ্ভুক্ত কৰিলে শিশুসকলৰ বাবে এক সুখী আৰু আনন্দময় শিক্ষণ পৰিৱেশৰ সৃষ্টি হ'ব। ভাৰতীয় শিল্প আৰু সংস্কৃতিৰ একত্ৰীকৰণে শিক্ষাৰ ক্ষেত্ৰত ভাৰতীয় নীতি-নিয়ম আৰু মূল্যবোধ অক্ষুণ্ণ ৰাখিব আৰু শিক্ষা আৰু সংস্কৃতিৰ মাজৰ বান্ধোনক আৰু অধিক শক্তিশালী কৰিব, যিটো যিকোনো দেশৰ শিক্ষা ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ। |
| ক্ৰিয়া-সংহত শিক্ষা | NEP 2020ত ক্ৰীড়া-সংহত শৈক্ষিক পদ্ধতিৰ পৰামৰ্শ দিয়া হৈছে যি থলুৱা ক্ৰীড়াকে ধৰি শাৰীৰিক কাৰ্যকলাপ ব্যৱহাৰ কৰে। ই ছাত্ৰ-ছাত্ৰীসকলক সহযোগিতা, আত্ম-উদ্দেশ্য, আত্ম-নিৰ্দেশনা, আত্ম-অনুশাসন, দলীয় কাম আৰু দায়িত্বৰ দৰে দক্ষতা বিকাশ কৰাত সহায় কৰে। |
| সামাজিক সংযোগ | বিভিন্ন অধ্যয়নে ফলপ্ৰসূ শিকণৰ বাবে শিশুৰ শিক্ষা প্ৰক্ৰিয়াত সমাজক জড়িত কৰাৰ ধাৰণাটোক সমৰ্থন কৰিছে। সমাজ অৰ্থপূৰ্ণভাৱে জড়িত হ'লে শিশুৰ মাজত সাংস্কৃতিক সন্মানৰ ভাব গঢ়ি উঠিব আৰু সামাজিক-আৱেগিক শিকণ বৃদ্ধি কৰিব। ইয়াৰ দ্বাৰা শিশুৱে স্কুলৰ বাহিৰৰ সমাজৰ গতিশীলতাও শিকিবলৈও সক্ষম হ'ব। |
| এক বিংশ শতিকাৰ কৌশলসমূহ | ইয়াৰ দ্বাৰা উন্নয়নশীল সমাজ আৰু বিশ্বত ব্যক্তিৰ উন্নতিৰ প্ৰয়োজনীয়তা হিচাপে আত্মপ্ৰকাশ কৰা দক্ষতা বা ক্ষমতাৰ ব্যাপক পৰিসৰক বুজোৱা হৈছে। এই দক্ষতাসমূহৰ ভিতৰত আছে সৃষ্টিশীলতা, ডিজিটেল সাক্ষৰতা, সমস্যা সমাধান, যোগাযোগ, উদ্ভাৱন আৰু অভিযোজন ক্ষমতা আদি। নব্য প্ৰযুক্তিৰ উন্নতিৰ লগে লগে এই দক্ষতাসমূহ বিশ্ব নাগৰিক হিচাপে পৰিচিত হ'বলৈ অতিশয় গুৰুত্বপূৰ্ণ। |
| 360 ডিগ্ৰী মূল্যায়ন সৃষ্টি আৰু পৰিচালনা (সামগ্ৰিক মূল্যায়ন) | NEP 2020ত শিশুৰ বাবে 360 ডিগ্ৰী বহুমাত্ৰিক মূল্যায়নৰ পৰামৰ্শ দিয়া হৈছে। শিক্ষক, অভিভাৱক, সমনীয়াৰ দ্বাৰা আৰু আত্ম-মূল্যায়নৰ জৰিয়তে শিশুসকলক সামগ্ৰিকভাৱে মূল্যায়ন কৰা উচিত। ইয়াত চিন্তাশক্তিযুক্ত, আৱেগিক আৰু মনোদৈহিক ক্ৰিয়াকলাপ বিকাশৰ সকলো দিশ সামৰি লোৱা হৈছে। |

| | |
|---|---|
| **শিক্ষকসকলৰ মানসিক স্বাস্থ্য** | বৰ্তমানৰ শৈক্ষিক পৰিস্থিতিত শিক্ষকসকলে কেন্দ্ৰীয় ভূমিকা পালন কৰি আহিছে আৰু তেওঁলোকৰ বৃত্তিটো অতিশয় চাহিদাপূৰ্ণ হৈ পৰিছে। আৱেগিক দাবী, কৰ্ম-জীৱনৰ ভাৰসাম্য আৰু পাৰদৰ্শিতা প্ৰদৰ্শনৰ চাপ আদি হ'ল বিদ্যালয়ৰ শিক্ষকসকলৰ মানসিক স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলোৱা কিছুমান কাৰক। সেইকাৰণেই, বিদ্যালয়ত সুস্থ আৰু উদগণিমূলক শিকণ পৰিৱেশ সৃষ্টি কৰি শিক্ষকসকলৰ মানসিক স্বাস্থ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো অত্যন্ত প্ৰয়োজনীয়। |

## 4.6 পৰামৰ্শ দানমূলক আলাপ-আলোচনা

গঠনমূলক পৰামৰ্শ দানমূলক আলাপ-আলোচনা হৈছে এটা সফল পৰামৰ্শ দান সম্পৰ্কৰ মূল চাবিকাঠি যি পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰী উভয়কে উপকৃত কৰে; কিন্তু সময়ৰ লগে লগে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ মাজৰ সম্পৰ্ক বিকশিত হয়। সমগ্ৰ আলাপ-আলোচনাত পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ মাজৰ সম্পৰ্ক সামঞ্জস্যপূৰ্ণ আৰু বিশ্বাসযোগ্য হ'ব লাগে আৰু তেওঁলোকে পৰামৰ্শ দান সম্পৰ্কত অংশগ্ৰহণ কৰিবলৈ বাছি লোৱা কাৰণসমূহক গভীৰভাৱে বিৱেচনা কৰি ল'ব লাগে। পৰমৰ্শ দান কাৰ্যসূচীৰ লক্ষ্য নিৰ্ভৰ কৰে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰী উভয়ৰে পাৰস্পৰিক ক্ৰিয়াৰ ওপৰত। এই পৰস্পৰিক ক্ৰিয়াৰ সৈতে জড়িত বিষয়সমূহ হ'ল:

a. বিশ্বাস আৰু সৌদাৰ্য্যপূৰ্ণ সম্পৰ্ক গঢ়ি তোলা

b. লক্ষ্য নিৰ্ধাৰণৰ বাবে সামূহিক প্ৰচেষ্টা

c. পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ মাজত সঘন আলোচনা

d. ইজনে সিজনক প্ৰশংসা আৰু অনুপ্ৰাণিত কৰা

e. ব্যক্তিগত আৰু বৃত্তিগত বিকাশ

f. সহায়ক নিৰ্দেশনা আৰু মতামত

অধ্যায়
V

# পৰামৰ্শ দান কাৰ্যসূচীৰ উপাদানসমূহ



## অধ্যায় -V: পৰামৰ্শ দান কাৰ্যসূচীৰ উপাদানসমূহ

পৰামৰ্শ দান কাৰ্যসূচীৰ আৰ্হি অতি জটিল আৰু এইসমূহৰ আৰ্হি প্ৰস্তুত কৰাৰ সময়ত বহুতো দিশ বিৱেচনা কৰিবলগীয়া হৈছে। তলত দিয়া দিশসমূহে পৰামৰ্শ দান কাৰ্যসূচীসমূহৰ আৰ্হি প্ৰস্তুত আৰু ৰূপায়ণ দক্ষতাৰে সম্পন্ন কৰাত সহায় কৰিব পাৰে:

### 5.1 কাৰ্যসূচীৰ আৰ্হি প্ৰস্তুত আৰু পৰিকল্পনা

a. লক্ষ্য গোট (পৰামৰ্শ গ্ৰহণকাৰী)

b. পৰামৰ্শ দান কাৰ্যসূচীৰ প্ৰকৃতি

c. নিয়োজনৰ বাবে সম্ভাব্য পৰামৰ্শ প্ৰদানকাৰী

d. জড়িত হৈ থকা সকলো অংশীদাৰৰ বাবে দৃষ্টিভংগী, লক্ষ্য, আৰু আকাংক্ষিত ফলাফল (পৰামৰ্শ প্ৰদানকাৰী, পৰামৰ্শ গ্ৰহণকাৰী, প্ৰশাসক আদি)

e. বৈঠকসমূহৰ সময় আৰু পৌনঃপৌনিকতা

f. পৰামৰ্শ দান ক্ৰিয়াকলাপৰ শৈলী

g. কাৰ্যসূচী-সম্পৰ্কীয় তথ্য প্ৰচাৰ


h. নিৰীক্ষণ আৰু মূল্যায়ন

i. মতামত আৰু খতিয়ান গ্ৰহণ

#### 5.1.1 পৰামৰ্শ প্ৰদানকাৰীৰ অগ্ৰগতি

পৰামৰ্শ দান কাৰ্যসূচীত কেৱল পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ মাজতেই যে সম্পৰ্ক সৃষ্টি হয়, তেনে নহয়, পৰামৰ্শ প্ৰদানকাৰীয়ে এনে দায়িত্ব এৰি যাব পৰা সম্ভাৱনীয়তালৈ লক্ষ্য ৰাখি এই কাৰ্যসূচীৰ বাবে পৰামৰ্শ প্ৰদানকাৰীৰ উপলব্ধতাও নিশ্চিত কৰা হয়। বহনক্ষমতাক বৰ্তাই ৰাখিবলৈ পৰামৰ্শ দানৰ ব্যৱস্থাৱলীসমূহৰ আৰ্হি এনেদৰে প্ৰস্তুত কৰা হয়, যাতে ইয়াক চলাই ৰাখিবৰ বাবে কোনো বাহিৰা উৎসৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া নহয়। উদাহৰণস্বৰূপে, পৰামৰ্শ প্ৰদানকাৰীসকলে নিজেই এটা নিৰ্দিষ্ট স্তৰৰ প্ৰশিক্ষণ লাভ কৰাৰ পিছত নতুন পৰামৰ্শ প্ৰদানকাৰীসকলক প্ৰশিক্ষণ দিব পাৰে। এই ক্ষেত্ৰত চাৰিটা স্তৰৰ প্ৰক্ৰিয়াটো উদাহৰণস্বৰূপে আগবঢ়োৱা হ'ল –

পৰামৰ্শ দান কাৰ্যসূচীৰ অগ্ৰগতি প্ৰস্তুত কৰাৰ সময়ত এক পৰামৰ্শ প্ৰদানকাৰী সম্পৰ্কৰ অগ্ৰগতিৰ কথাটোও মনত ৰখা উচিত।




চিত্ৰ 5.1: পৰামৰ্শ প্ৰদানকাৰীৰ অগ্ৰগতি

## 5.2 কাৰ্যসূচী ব্যৱস্থাপনা

পৰামৰ্শ দান কাৰ্যসূচীৰ ফলপ্ৰসূ কাৰ্যকৰীকৰণৰ বাবে এটা কাৰ্যসূচী ব্যৱস্থাপনা গোট (PMU) বা প্ৰশাসকৰ দল এটা গঠন কৰা হ'ব য'ত নিম্নোল্লিখিত উপাদানসমূহ অন্তৰ্ভুক্ত হৈ থাকিব:

a. উপদেষ্টা গোট গঠন
b. কাৰ্যসূচী ব্যৱস্থাপনাৰ বাবে এটা ব্যৱস্থা
c. উন্নয়ন পৰিকল্পনা আৰু সম্পদৰ আৰ্হি প্ৰস্তুত
d. কাৰ্যসূচী নিৰীক্ষণৰ বাবে এটা ব্যৱস্থা
e. অংশীদাৰ, প্ৰতিষ্ঠান আৰু কাৰ্যসূচীৰ বাবে এটা মতামত প্ৰকাশৰ ব্যৱস্থা
f. মানৱ সম্পদ উন্নয়নৰ বাবে কৌশল
g. ফলপ্ৰসূ জনসংযোগ আৰু যোগাযোগৰ প্ৰচেষ্টা
h. কাৰ্যসূচী ৰূপায়ণৰ বাবে বাজেট আবণ্টন

## 5.3 কাৰ্যসূচী কাৰ্যকৰীকৰণ

মনত ৰাখিবলগীয়া পৰিচালন কাৰ্যসমূহ হ'ল:

a. পৰামৰ্শ প্ৰদানকাৰী, পৰামৰ্শ গ্ৰহণকাৰী, কাৰ্যসূচীত জড়িত কৰ্মচাৰী আৰু স্বেচ্ছাসেৱকৰ (যদিহে উপলব্ধ) এটা গোট গঢ়ি তোলা
b. সাম্ভাব্য পৰামৰ্শ প্ৰদানকাৰীসকলৰ পৰীক্ষণ আৰু পৰামৰ্শ গ্ৰহণকাৰীসকলৰ সত্যাপন
c. পৰামৰ্শ প্ৰদানকাৰী, পৰামৰ্শ গ্ৰহণকাৰী, কাৰ্যসূচীত জড়িত কৰ্মচাৰীৰ বাবে দিশ নিৰ্দেশনা আৰু প্ৰশিক্ষণ প্ৰদান

d. পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ মেপিং
e. প্ৰতিষ্ঠিত আধাৰমানৰ ভিতৰত পৰামৰ্শ প্ৰদানকাৰী, পৰামৰ্শ গ্ৰহণকাৰীৰ বাবে কাৰ্য্যকলাপ আৰু বৈঠকৰ পৰিকল্পনা কৰা
f. পৰামৰ্শ দান কাৰ্যসূচীৰ নিৰীক্ষণৰ বাবে সহযোগিতামূলক ব্যৱস্থা
g. সমগ্ৰ কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলৰ অৱদানক স্বীকৃতি দিয়া
h. পৰামৰ্শ প্ৰদানকাৰী, পৰামৰ্শ গ্ৰহণকাৰীসকলক তেওঁলোকৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰা

### 5.3.1 ভূমিকা আৰু দায়িত্ব

পৰামৰ্শ দান কাৰ্যসূচীৰ বিভিন্ন অংশীদাৰৰ ভূমিকা আৰু দায়িত্বৰ বিষয়ে তলত উল্লেখ কৰা হ'ল:

**তালিকা 5.1: অংশীদাৰসকল আৰু দায়িত্বসমূহ**

| অংশীদাৰসকল | দায়িত্বসমূহ |
|---|---|
| জ্যেষ্ঠ বিষয়াসকল/PMU | a. পৰামৰ্শ দানৰ প্ৰশিক্ষণ, কাৰ্যপ্ৰণালী আৰু পাঠ্যক্ৰমৰ আৰ্হি প্ৰস্তুত কৰা<br>b. পৰামৰ্শ প্ৰদানকাৰীৰ নিৰ্বাচন<br>c. পৰামৰ্শ প্ৰদানকাৰীসকলৰ দক্ষতা বিকাশ<br>d. পৰামৰ্শ প্ৰদানকাৰীসকলৰ অবিৰত দক্ষতা বিকাশৰ ক্ষেত্ৰত সহায়<br>e. মনোবল উচ্চ কৰি ৰাখিবলৈ বিশিষ্ট বক্তাসকলৰ পৰামৰ্শ-দান সম্পৰ্কীয় মতামত মতামত লিপিবদ্ধ আৰু বিনিময় কৰিবলৈ অনুৰোধ জনোৱা<br>f. কাৰ্যসূচীৰ ফলপ্ৰসূ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণ সুনিশ্চিত কৰা<br>g. কাৰ্যসূচীটোক নিৰীক্ষণ আৰু মূল্যায়ন কৰা |
| পৰামৰ্শ প্ৰদানকাৰী | a. পৰামৰ্শ প্ৰদানকাৰী প্ৰমাণপত্ৰ কাৰ্যসূচী সম্পূৰ্ণ কৰা<br>b. অন্য শিক্ষসকলৰ বাবে পৰামৰ্শ দান আৰ্হি আয়োজন আৰু সহজলভ্য কৰা<br>c. পৰামৰ্শ গ্ৰহণকাৰীসকলৰ পৰা তেওঁলোকৰ পৰামৰ্শ দান কৌশলৰ ওপৰত পৰামৰ্শ আৰু মতামত বিচৰা<br>d. সক্ষমতা বৃদ্ধিৰ বাবে অবিৰতভাৱে প্ৰশিক্ষণ/কৰ্মশালাত অংশগ্ৰহণ কৰা |
| পৰামৰ্শ গ্ৰহণকাৰী | a. পৰামৰ্শ দানৰ আন্তঃগাঁথনিত অংশগ্ৰহণ কৰা<br>b. অবিৰত পেছাদাৰী বিকাশৰ বাবে শিকা, বিনিময় কৰা, সমাধান কৰা আৰু সংযোগ স্থাপন কৰা |

### 5.3.2 পৰামৰ্শ দান কাৰ্যসূচীৰ বিভিন্ন স্তৰসমূহ কাৰ্যকৰী কৰাৰ বাবে পৰামৰ্শাৱলী

#### a. কাৰ্যসূচীৰ শুভাৰম্ভণি

i. পৰামৰ্শ প্ৰদানকাৰী হিচাপে পৰিগণিত হ'বলৈ সমগ্ৰ দেশ/ৰাজ্য/ব্যৱস্থাৱলীৰ লগত জড়িত পেছাদাৰী লোকসকলৰ বাবে এটা নিৰ্বাচন প্ৰক্ৰিয়াৰ আৰ্হি প্ৰস্তুত কৰা
ii. পৰামৰ্শ প্ৰদানকাৰী হিচাপে নিজকে পঞ্জীভূক্ত কৰিবলৈ নিৰ্দিষ্ট কৰা অৰ্হতাসমূহক ৰাজহুৱা কৰা
iii. ব্যৱস্থাৱলীৰ অন্তৰ্ভুক্ত অংশীদাৰসকলৰ অৰ্হতা আৰু নিৰ্বাচন সময়পঞ্জী প্ৰকাশ কৰা

**b. পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচনৰ প্ৰক্ৰিয়া (*পৰিশিষ্ট – II চাওঁক*)**

পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচনৰ বাবে নিম্নোল্লিখিত দুটা স্তৰ কাৰ্যকৰী কৰিব পৰা যায়:

i. স্তৰ 1 – অনলাইন শিকণ পৰিৱেশত আবেদনকাৰীৰ প্ৰত্যাহ্বান সমাধান কৰিব পৰা ক্ষমতাৰ মূল্যায়ন কৰিবৰলৈ আবেদন প্ৰ-পত্ৰত জনগাঁথনিগত বিৱৰণ আৰু কেছ ষ্টাডি বিচৰা হ'ব।

ii. স্তৰ 2 – যোগাযোগৰ দক্ষতা, প্ৰেৰণা যোগোৱাৰ ক্ষমতা, বিষয়বস্তুৰ ওপৰত জ্ঞান আদিৰ মূল্যায়নৰ বাবে এটা কথোপকথন/সাক্ষাৎকাৰ অনুষ্ঠিত কৰা হ'ব। এই সাক্ষাৎকাৰ প্ৰক্ৰিয়াটো বিশেষজ্ঞৰ এখন সমিতিৰ দ্বাৰা পৰিচালিত হ'ব। নিৰ্বাচিত আবেদনকাৰীসকলক পৰামৰ্শ দান প্লেটফৰ্মত পৰামৰ্শ প্ৰদানকাৰী হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব।

*বিশিষ্ট আৰু উৎকৃষ্ট পেছাদাৰীসকলক NMMৰ বাবে NCTEয়ে পোনপটীয়াকৈ তালিকাভুক্ত কৰি ল'ব।*

**c. পৰামৰ্শ প্ৰদানকাৰীৰ সক্ষমতা বিকাশ**

i. পৰামৰ্শ প্ৰদানকাৰীসকলৰ বাবে এনে কৰ্মশালাৰ আৰ্হি প্ৰস্তুত কৰাৰ মূল লক্ষ্য হ'ল ফলপ্ৰসূভাৱে পৰামৰ্শ দান কৰিবৰলৈ প্ৰয়োজনীয় ধাৰণা, দক্ষতা আৰু প্ৰযুক্তি-বিষয়ক জ্ঞান বৃদ্ধি কৰা, যেনে সহজ কৰি তোলাৰ দক্ষতা, গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰা, পৰামৰ্শ গ্ৰহণকাৰী গোটৰ মাজত এটা সংস্কৃতি গঢ়ি তোলা ইত্যাদি।

ii. পৰামৰ্শমূলক আলোচনা আৰম্ভ হোৱাৰ পূৰ্বে কৰ্মশালাৰ আয়োজন কৰা হ'ব, য'ত বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞসকলক তথ্যমূলক ভিডিঅ' আৰু পৰিকল্পিত কাৰ্য্যকলাপ আদিৰ জৰিয়তে দিক নিৰ্দেশনা/সামৰ্থ্য বিকাশৰ বাবে আমন্ত্ৰণ জনোৱা হ'ব।

**d. পৰামৰ্শ প্ৰদানকাৰী নিয়োজন প্ৰক্ৰিয়া**

i. পৰামৰ্শ দান প্লেটফৰ্মত পৰামৰ্শ প্ৰদানকাৰীসকলক নিয়োজন কৰাৰ নীতি-নিৰ্দেশনাসমূহ প্ৰস্তুত আৰু প্ৰকাশ (NMM পৰ্টেল/ম'বাইল এপ্লিকেশ্বন)

ii. পৰামৰ্শ প্ৰদানকাৰীসকলে প্ৰফাইল তৈয়াৰ কৰিব আৰু প্ৰয়োজনীয় তথ্যসমূহ প্ৰদান কৰিব

**e. পৰামৰ্শ গ্ৰহণকাৰী নিয়োজন প্ৰক্ৰিয়া**

i. পৰামৰ্শ দান প্লেটফৰ্মত পৰামৰ্শ গ্ৰহণকাৰীসকলক ভৰ্তি কৰাৰ নীতি-নিৰ্দেশনাসমূহ প্ৰস্তুত আৰু প্ৰকাশ

ii. পৰামৰ্শ গ্ৰহণকাৰী ভৰ্তি প্ৰক্ৰিয়াৰ অগ্ৰগতি জানিবৰলৈ তথ্যৰ খতিয়ান ৰাখিব

**f. পৰামৰ্শ দানৰ কাৰ্যকলাপসমূহ**

i. পৰামৰ্শ প্ৰদানকাৰীসকলে প্লেটফৰ্মত সমূহীয়া পৰামৰ্শ দান বৈঠকৰ সময় নিৰ্ধাৰণ আৰু এই বৈঠকসমূহ অনুষ্ঠিত কৰিব পাৰে।

ii. সেই প্লেটফৰ্মত পৰামৰ্শ গ্ৰহণকাৰীয়ে এনে সমূহীয়া পৰামৰ্শ দান বৈঠকসমূহ আৰু পৰামৰ্শ প্ৰদানকাৰীসকলক অনুসন্ধান কৰিব আৰু সেই বৈঠকসমূহ উপস্থিত থাকিবৰলৈ নিজৰ নামভৰ্তি কৰিব

iii. পৰামৰ্শ গ্ৰহণকাৰীসকলে তেওঁলোকৰ প্ৰশ্নৰ সৈতে ব্যক্তিগতভাৱেও কোনো বিষয়ৰ পৰামৰ্শ প্ৰদানকাৰীসকলক যোগাযোগ কৰিব পাৰে। পৰামৰ্শ গ্ৰহণকাৰী আৰু পৰামৰ্শ প্ৰদানকাৰীসকলে পৰামৰ্শ দান আলোচনাৰ বাবে সময় আৰু নিয়মাৱলীসমূহৰ ক্ষেত্ৰত পাৰস্পৰিকভাৱে সিদ্ধান্ত গ্ৰহণ কৰিব

iv. পৰামৰ্শ গ্ৰহণকাৰীসকলে তেওঁলোকৰ পৰামৰ্শ প্ৰদানকাৰীসকলক নিজস্ব মতামত আগবঢ়াব আৰু ৰেটিং প্ৰদান কৰিব

*তথ্য আৰু প্ৰযুক্তিৰ দলটোৱে নিয়োজন বা পৰামৰ্শ দান আলোচনাৰ সৈতে জড়িত যিকোনো কাৰিকৰী ত্ৰুটি সমাধান কৰাত সহায় কৰিব।*

### g. পৰামৰ্শ দান আৰু মূল্যায়ন

i. প্লেটফৰ্মত পৰামৰ্শ দান ব্যৱস্থাক অনুসৰণ কৰিব আৰু প্ৰয়োজন সাপেক্ষে মাহিলী/ত্ৰিমাসিক প্ৰতিবেদন প্ৰস্তুত কৰিব

ii. পৰামৰ্শ দান কাৰ্যসূচী বিশ্লেষণ কৰিবলৈ সকলো প্ৰতিবেদনৰ অগ্ৰগতিৰ তথ্য ৰাখিব আৰু সংকলিত কৰিব আৰু প্ৰয়োজন অনুসৰি অধিক সক্ষম কৰি তোলা ব্যৱস্থাৰ পৰামৰ্শ দিব।

## 5.4 কাৰ্যসূচীৰ মূল্যায়ন

পৰামৰ্শ দান ব্যৱস্থা মূল্যায়ন কৰি গুণগত মানদণ্ডৰ অবিৰত উন্নীতকৰণৰ বাবে নিম্নোল্লিখিত প্ৰয়োজনীয়তাসমূহ আগবঢ়োৱা হ'ল:

a. কাৰ্যসূচীসমূহৰ অগ্ৰগতি পৰিমাপ কৰিবৰ বাবে এক পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব

b. কাৰ্যসূচীসমূহৰ আকাংক্ষিত ফলাফল পৰিমাপ কৰিবৰ বাবে এটা প্ৰক্ৰিয়া উদ্ভাৱন কৰিব লাগিব

c. কাৰ্যসূচীসমূহৰ মূল্যায়ন, ফলাফল আৰু প্ৰসাৰৰ এক ব্যাপক প্ৰতিবেদন প্ৰস্তুত কৰিব লাগিব।

নিম্নোল্লিখিত তিনিটা মূল্যায়নৰ দ্বাৰা কোনো এটা কাৰ্যসূচীৰ সফলতাৰ মানদণ্ড পৰিমাপ কৰিব পৰা যাব:




চিত্ৰ 5.2: পৰামৰ্শ দানৰ মূল্যায়ন মেট্ৰিকসমূহ

**a. সুগমতা:** পৰামৰ্শ দান কাৰ্যসূচীয়ে যিসকলক সেৰা আগবঢ়াব খুজিছিল, সেইসকলৰ সকলোকে সামৰি লৈছেনে?

কোনো কাৰ্যসূচীৰ মূল্যায়ন কৰাৰ সময়ত সুগমতা আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ। বিভিন্ন স্তৰৰ সকলো সদস্যই পৰামৰ্শ দানৰ সুবিধা লাভ কৰিব লাগে কাৰণ ই নিৰ্দিষ্ট আৰু ব্যাপক পেছাদাৰী বিকাশত জড়িত হোৱাৰ সুযোগ প্ৰদান কৰে। মজুত তথ্যকোষত থকা অংশীদাৰৰ সংখ্যাৰ বিশালতা চাই এই সূচকটোৰ মূল্যায়ন কৰা উচিত। ইয়াত সমাবেশীতা, বৈচিত্ৰ্য, পৰিমাপ্যতা, ভাষা আৰু সুগমতাৰ দৰে গুৰুত্বপূৰ্ণ উপাদানসমূহ অন্তৰ্ভুক্ত কৰিব লাগে যিবোৰ এখন বৈচিত্ৰ্যপূৰ্ণ দেশত ইয়াৰ সফল ৰূপায়ণৰ বাবে প্ৰয়োজনীয়।

যদিও কাৰ্যসূচীয়ে পৰামৰ্শ দানৰ অংশীদাৰসকলৰ বাবে এক প্ৰয়োজনীয় বা বৈকল্পিক অংশগ্ৰহণৰ সুযোগ প্ৰদান কৰে, তেনেহ'লে এইটো প্ৰশ্ন সোধা গুৰুত্বপূৰ্ণ হ'ব – “এই কাৰ্যসূচীসমূহত যিসকলে অধিকভাৱে অংশগ্ৰহণ কৰিছে, সেইসকল অংশীদাৰেই সৰ্বাধিক লাভৱান হ'ব নেকি?“ ইয়াৰ বাবে পৰামৰ্শদাতা কাৰ্যসূচী নিৰ্দেশনাভিত্তিক আৰু পছন্দভিত্তিক, এই দুয়োটোৰে মিশ্ৰণ হ'ব লাগে। যিকোনো ব্যৱস্থাত নতুন পদ্ধতিসমূহ অন্তৰ্ভুক্ত কৰাটো প্ৰত্যাহ্বানজনক আৰু প্ৰয়োজন অনুসৰি উপলব্ধতা আৰু সুলভতা নিশ্চিত কৰাৰ ব্যৱস্থাসমূহ ৰূপায়ণ কৰিব লাগিব।

**b. সন্তুষ্টি:** এই কাৰ্যসূচীক লৈ পৰামৰ্শ প্ৰদানকাৰী, পৰামৰ্শ গ্ৰহণকাৰী আৰু তেওঁলোকৰ নিজৰ প্ৰতিষ্ঠান/বিদ্যালয় কিমান সুখী?

এই মেট্ৰিকে পৰামৰ্শ দান নিৰ্দেশনাৰ গুণগত মানদণ্ডৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। কাৰ্যসূচীৰ ধাৰাবাহিকতা আৰু চাহিদা নিশ্চিত কৰিবলৈ সকলো অংশগ্ৰহণকাৰী অংশীদাৰৰ সন্তুষ্টি অতি প্ৰয়োজনীয়। পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ সন্তুষ্টি সম্বন্ধে সময়ে সময়ে কৰা জৰীপৰ জৰিয়তে এই কাৰ্যসূচীয়ে তেওঁলোকৰ পেছাদাৰী জীৱনত কি অৱদান আগবঢ়াইছে আৰু তেওঁলোকে বিনিয়োগ কৰা সময়ৰ পৰা কি লাভ অৰ্জন কৰিছে সেয়া পৰিমাপ কৰিব পাৰি। অংশীদাৰসকলৰ সন্তুষ্টি দুটা পৃথক মেট্ৰিকৰ পৰা জুখিব পাৰি –

i. সহজলভ্য ক্ৰিয়াকলাপৰ গুণগত মানদণ্ড - ইয়াৰ দ্বাৰা নিশ্চিত কৰা হয় যে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীয়ে পৰামৰ্শ দানৰ পাৰস্পৰিক কথোপকথনৰ গাঁথনি উপভোগ কৰি আছে আৰু এই কাৰ্য্যকলাপত ব্যয় কৰা সময় বৃদ্ধি কৰাৰ বাবে দুয়োপক্ষ অতিশয় আগ্ৰহী আৰু সন্মত।

ii. পাৰস্পৰিক ক্ৰিয়াকলাপৰ যোগেদি আগবঢ়োৱা বিষয়বস্তুৰ মানদণ্ড - এই পাৰস্পৰিক ক্ৰিয়াকলাপৰ সময়ত প্ৰদান কৰা বিষয়বস্তুৱে অংশীদাৰসকলৰ পেছাদাৰী জীৱনত অৱদান যোগোৱাটো নিশ্চিত কৰিবলৈ এই কাম কৰা হৈছে। ই অংশীদাৰসকলৰ বিদ্যমান জ্ঞানৰ আধাৰৰ সৈতে সম্পৰ্কিত হোৱাৰ লগতে তেওঁলোকে বুজি পোৱা ধৰণৰ হ'ব লাগে আৰু একে সময়তে তেওঁলোকৰ চিন্তাধাৰাক নতুন দিশলৈ প্ৰসাৰিত কৰিব পৰাকৈ যথেষ্ট প্ৰত্যাহ্বানজনক হ'ব লাগে।

**c. প্ৰভাৱ:** প্ৰতিষ্ঠান/বিদ্যালয়সমূহৰ ওপৰত এই কাৰ্যসূচীসমূহৰ প্ৰভাৱ কি?

এই মেট্ৰিকটোৱে পৰামৰ্শ দান ব্যৱস্থাসমূহৰ প্ৰভাৱ মূল্যায়ন কৰে আৰু ইয়াৰ পৰিমাপ কৰাটো বেছ কঠিন। পৰামৰ্শ দান কাৰ্যসূচীৰ উদ্দেশ্যৰ ওপৰত নিৰ্ভৰ কৰি ছাত্ৰ-ছাত্ৰীৰ ওপৰত ইয়াৰ প্ৰভাৱ,

বিদ্যালয়ৰ সংস্কৃতিত পৰিৱৰ্তন আদি মূল্যায়ন কৰিবলগীয়া হ'ব পাৰে। যদিও পৰিমাপৰ বাবে এইটো এটা দীৰ্ঘম্যাদী মেট্ৰিক আৰু কাৰ্যসূচীৰ প্ৰাৰম্ভিক পৰ্যায়ত এয়া সম্ভৱ হৈ নুঠিবও পাৰে, কিন্তু দৈনন্দিন অনুশীলনৰ ওপৰত প্ৰভাৱ সম্পৰ্কে মতামত গ্ৰহণে এনে কাৰ্যসূচীক লক্ষ্যত উপনীত হোৱাৰ সঠিক পথত আগুৱাই যাবলৈ সহায় কৰিব পাৰে।

দীৰ্ঘম্যাদীভাৱে কাৰ্যসূচীৰ সফলতা আৰু ইয়াক জাৰী ৰখাৰ সিদ্ধান্ত, কাৰ্যসূচীয়ে সৃষ্টি কৰা প্ৰভাৱৰ ওপৰত ভিত্তি কৰি লোৱা উচিত। যদিও পৰামৰ্শ দান কাৰ্যসূচী নিৰ্দিষ্ট সময় চলোৱাৰ পিছতহে ইয়াক পৰিমাপ কৰিব পাৰি, তথাপিও ই কাৰ্যসূচীৰ সফলতাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সূচক। বিদ্যালয়ৰ উন্নতি, নতুন কৰ্ম সংস্কৃতিলৈ ৰূপান্তৰৰ প্ৰস্তুতি, শিকণ ফলাফলৰ উন্নতি আদিৰ প্ৰভাৱ জুখিবলৈ সঠিক সফলতাৰ সূচক ব্যৱহাৰ কৰিব লাগে আৰু কাৰ্যসূচীত পৰিৱৰ্তন আনিব পৰাকৈ এই কাম সঘনাই কৰিব লাগে। এই সন্দৰ্ভত কেইটামান উদাহৰণ আগবঢ়োৱা হ'ল:

**তালিকা 5.2: উদ্দেশ্য আৰু প্ৰভাৱৰ সূচক**

| পৰামৰ্শ দান কাৰ্যসূচীৰ উদ্দেশ্য | ব্যৱহাৰ কৰিব পৰা প্ৰভাৱৰ সূচক |
|---|---|
| সেৱাত ভৰ্তি হোৱাৰ পূৰ্বে শিক্ষকসকলক কৰ্মশক্তিলৈ ৰূপান্তৰ সহজ কৰি তুলিবলৈ তেওঁলোকক সেৱাৰত শিক্ষকৰ দ্বাৰা পৰামৰ্শ দান কৰা হ'ব | a) কৰ্মত যোগদান কৰাৰ লগে লগে শিক্ষকৰ সন্তুষ্টিৰ হাৰ বৃদ্ধি<br>b) নতুন শিক্ষকৰ দ্বাৰা শিক্ষাদান কৰা শিক্ষাৰ্থীৰ শিক্ষণ ফলাফলৰ হাৰ বৃদ্ধি<br>c) নতুন শিক্ষকৰ দ্বাৰা শিক্ষাদান কৰা শিক্ষাৰ্থীৰ সন্তুষ্টিৰ স্তৰৰ হাৰ বৃদ্ধি<br>d) সেৱাৰত শিক্ষক-পৰামৰ্শ প্ৰদানকাৰীসকলৰ ক্ষেত্ৰত পাৰদৰ্শিতাৰ সূচকসমূহৰ হাৰ বৃদ্ধি |
| বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাজ্ঞানত ছাত্ৰ-ছাত্ৰীৰ শিকণ ফলাফল বৃদ্ধি কৰিবলৈ এটা ক্লাষ্টাৰৰ শিক্ষকসকলে সতীৰ্থ-পৰামৰ্শ দান চক্ৰ গঠন কৰে | a) বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাজ্ঞানৰ মূল্যায়নত শিক্ষাৰ্থীৰ সাফল্যৰ হাৰ বৃদ্ধি<br>b) উপযুক্ত শিক্ষণ-শিকণ সামগ্ৰীৰ ব্যৱহাৰ আৰু শ্ৰেণীকোঠাৰ পৰ্যবেক্ষণ সময়ত লক্ষ্য কৰা পাৰদৰ্শিতাৰ হাৰ বৃদ্ধি<br>c) শিক্ষকৰ সন্তুষ্টি আৰু সম্প্ৰদায় বোধৰ অনুভৱৰ শতকৰা হাৰ বৃদ্ধি |

NMM যদিও SDG 4 (গুণগত শিক্ষা)ৰ পৰা অনুপ্ৰাণিত, কিন্তু ই SDG ৰূপায়ণৰ সময়সীমাৰ গণ্ডীত সীমাবদ্ধ নহয়। ব্যৱস্থাটোৰ ভিতৰত পৰামৰ্শ দানৰ কাৰণে গতিশীল আৰু নিৰৱিচ্ছিন্ন প্ৰক্ৰিয়া এটা সৃষ্টি কৰাৰ উদ্দেশ্যে লৈ এই অভিযানৰ সূচনা কৰা হৈছিল। ওপৰত উল্লেখ কৰা প্ৰভাৱ সূচকসমূহে পৰামৰ্শ দান কাৰ্যসূচীৰ উদ্দেশ্য আৰু আকাংক্ষিত লক্ষ্যসমূহ সময় সময়ে পুনৰীক্ষণ কৰাত সহায় কৰিব।

পৰিৱৰ্তনৰ সূচনা কৰিবলৈ ইতিবাচক পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়াসত, সকলো অংশীদাৰৰ অৱদানে ইতিবাচক প্ৰভাৱ বিস্তাৰ কৰে আৰু এনে কাৰ্যত জড়িত সকলোকে পুৰস্কৃত আৰু উৎসাহিত কৰা উচিত। ইয়াৰ অন্য সুবিধাসমূহৰ উপৰিও, এনে পৰামৰ্শ দান কাৰ্যসূচীয়ে কঢ়িয়াই অনা পৰিৱৰ্তন আৰু ইতিবাচক প্ৰভাৱৰ ওপৰত স্থায়ীভাৱে মনোনিৱেশ কৰাটো সুনিশ্চিত কৰিব পৰা হ'ব। শেষত ভাৰতবৰ্ষত শিক্ষাৰ ক্ষেত্ৰত ইতিবাচক পৰিৱৰ্তন আনিব পৰা সম্ভাৱনাৰ ওপৰত ভিত্তি কৰি এটা পৰামৰ্শ দান কাৰ্যসূচীৰ মূল্যায়ন কৰা উচিত।

## 5.5 প্ৰতিষ্ঠানিকীকৰণ

পৰামৰ্শ দান হৈছে প্ৰতিষ্ঠানিক, সাংগঠনিক, আৰু ব্যক্তিগত পেছাদাৰী লক্ষ্যত উপনীত হোৱাৰ এক উত্তম উপায়। ই পৰিৱেশ তন্ত্ৰৰ বৰ্তমানৰ সম্পদসমূহৰ সহায় লৈ ব্যৱস্থাটোৰ সামূহিক মূল্য প্ৰদানৰ উন্নতি সাধন কৰে আৰু শিক্ষা ব্যৱস্থাৰ সকলো স্তৰতে ইয়াক এক অপৰিহাৰ্য কাৰ্য্যকলাপ হিচাপে গণ্য কৰা উচিত। এই অত্যাৱশ্যকীয় কাৰ্যটো এক অবিৰত প্ৰক্ৰিয়া হ'ব লাগে, আৰু ইয়াক সকলো অংশীদাৰৰ দৈনন্দিন অনুশীলনত সংযোজিত কৰা উচিত।

এটা পৰামৰ্শ দান কাৰ্যসূচীয়ে আৰম্ভণিতে অংশীদাৰসকলৰ মাজত ব্যাপক সন্তুষ্টিৰ সৃষ্টি কৰিব পাৰে কাৰণ ইয়াৰ হিতাধিকাৰীসকলৰ মাজত সৌহাৰ্দৰ অনুভৱ হয়। কিন্তু পৰামৰ্শ দান কাৰ্যসূচী এটা ৰূপায়ণ কৰিবলৈ পৰামৰ্শ প্ৰদানকাৰী, পৰামৰ্শ গ্ৰহণকাৰী আৰু প্ৰশাসনৰ বহু সময় আৰু কষ্টৰ প্ৰয়োজন হয়। এনে কাৰ্যসূচী চলি থাকিবলৈ হ'লে পৰামৰ্শ দান কাৰ্যসূচীটোৰ প্ৰতিষ্ঠানিকীকৰণ কৰিব লাগিব।

কোনো সংগঠন বা সংস্কৃতিত কিবা এটা পৰম্পৰা বা নিয়ম হিচাপে প্ৰতিষ্ঠা কৰা কাৰ্য্যক প্ৰতিষ্ঠানিকীকৰণ বোলে। পৰামৰ্শ দান কাৰ্যসূচীৰ সকলো গাঁথনি প্ৰতিষ্ঠানিক অনুশীলন আৰু সুবিধাৰ সৈতে সংযোজিত কৰিব লাগিব যাতে ই উল্লেখযোগ্য পৰিসৰত বহনক্ষমভাৱে কাম কৰিব পাৰে। যিকোনো স্তৰতে পৰামৰ্শ দানক সফলতাৰে প্ৰতিষ্ঠানিকীকৰণ কৰাৰ দুটা উপায় আছে।

## 5.6 উৎসাহ প্ৰদান

এই কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে অনা-আৰ্থিকভাৱে উৎসাহ প্ৰদান কৰা হয়, যি পৰামৰ্শ প্ৰদানকাৰী, পৰামৰ্শ গ্ৰহণকাৰী আৰু তেওঁলোকৰ নিজৰ প্ৰতিষ্ঠানক শিক্ষা ব্যৱস্থাৰ বৰ্তমানৰ গাঁথনিৰ ভিতৰত লাভৱান হোৱাত সহায় কৰে।

পৰামৰ্শ প্ৰদানকাৰী বা পৰামৰ্শ গ্ৰহণকাৰীসকলক কেনেকৈ উৎসাহিত কৰিব পাৰি তাৰ কিছুমান উদাহৰণ তলত দিয়া হ'ল:

**তালিকা 5.3: উৎসাহৰ প্ৰকাৰসমূহ**

| উদাহৰণ নং | উৎসাহৰ প্ৰকাৰ | বিৱৰণ |
|---|---|---|
| **উদাহৰণ 1** | পৰামৰ্শ প্ৰদানকাৰীৰ বাবে সুযোগ-সুবিধা | a) শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা পৰামৰ্শ প্ৰদানকাৰীৰ বাবে এটা উল্লেখযোগ্য প্ৰতিষ্ঠানৰ পৰা নেতৃত্ব বিকাশৰ পাঠ্যক্ৰম লাভ কৰাৰ সুযোগ<br>b) NMMক শিক্ষকৰ ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ডৰ সৈতে সংযোজন |
| **উদাহৰণ 2** | উত্তম প্ৰদৰ্শনকাৰী পৰামৰ্শ প্ৰদানকাৰীক স্বীকৃতি | a) প্ৰশংসা পত্ৰ<br>b) স্পটলাইট যেনে- ৱেবছাইটত প্ৰকাশ কৰা, শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা পৰামৰ্শ প্ৰদানকাৰী আদিৰ কাহিনী গুৰুত্বসহকাৰে প্ৰচাৰ কৰা<br>c) NMMৰ ওপৰত বছৰৰ শেষৰ আলোচনা চক্ৰত উক্ত পদ্ধতিসমূহ প্ৰদৰ্শনৰ সুযোগ |

উৎকৃষ্ট প্ৰদৰ্শন কৰা পৰামৰ্শ গ্ৰহণকাৰীসকলকো স্বীকৃতি দি প্ৰশংসাৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব।

## 5.7 পৰামৰ্শ দান কাৰ্যসূচীৰ প্ৰত্যাহ্বানসমূহ

কোনো পৰামৰ্শ দান কাৰ্যসূচীয়েই প্ৰত্যাহ্বানৰ পৰা মুক্ত নহয়। পৰামৰ্শ দান কাৰ্যসূচীৰ আৰ্হি প্ৰস্তুত আৰু ৰূপায়ণত বহুতো প্ৰত্যাহ্বানৰ আহি পৰিব পাৰে। কিন্তু এই প্ৰত্যাহ্বানসমূহৰ বিষয়ে আমি সচেতন হ'লে ইয়াক সহজ পদ্ধতিৰে সমাধান কৰিব পৰা যায়।

### 5.7.1 প্ৰত্যাশাৰ লগত অমিল হোৱা

যিকোনো পৰামৰ্শ দান ব্যৱস্থা গঢ়ি তোলাৰ এটা অপৰিহাৰ্য উপাদান হ'ল ইয়াৰ সৈতে জড়িত সকলো অংশীদাৰৰ বাবে লক্ষ্য আৰু স্পষ্ট প্ৰত্যাশা নিৰ্ধাৰণ কৰা। লক্ষ্য নিৰ্ধাৰণ আৰু প্ৰত্যাশাক একাকাৰ কৰাটো এটা প্ৰত্যাহ্বান হৈ পৰিব পাৰে, যদিহে বিশেষকৈ পৰামৰ্শ প্ৰদানকাৰী বা পৰামৰ্শ গ্ৰহণকাৰীয়ে পৰামৰ্শ দানৰ কাৰ্যসূচীৰ পৰা তেওঁলোকে কি লাভ কৰিব বিচাৰে সেই বিষয়ে স্পষ্ট নহয়।

এই বাধা সম্পূৰ্ণৰূপে এৰাই চলিবলৈ সমগ্ৰ পৰামৰ্শ দান কাৰ্যসূচীৰ সময়চোৱাত প্ৰত্যাশাৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো অতিশয় প্ৰয়োজনীয় হৈ পৰে আৰু যাতে এইক্ষেত্ৰত সকলো সমাযোজিত হৈ থাকে তাৰ বাবে সমস্যা প্ৰতিৰোধ ব্যৱস্থাৱলী প্ৰৱৰ্তন কৰাটো অতি প্ৰয়োজনীয় হৈ পৰে।

### 5.7.2 অনিচ্ছুক পৰামৰ্শ গ্ৰহণকাৰী

যদিও পৰামৰ্শ গ্ৰহণকাৰীসকলে পৰামৰ্শ দান কাৰ্যসূচীত অংশগ্ৰহণ কৰা আৰু ইয়াৰ পৰা সৰ্বাধিক লাভ কৰাটো গুৰুত্বপূৰ্ণ, তথাপিও তেওঁলোকক এই কাৰ্যৰ সৈতে সম্পৰ্কিত হৈ থাকিবলৈ উৎসাহিত কৰাটো অতি প্ৰয়োজনীয়। এনে বহু অন্তৰ্নিহিত কাৰণ থাকিব পাৰে যাৰ ফলত পৰামৰ্শ গ্ৰহণকাৰী অনিচ্ছুক হৈ পৰিব পাৰে। ফলস্বৰূপে পৰামৰ্শ প্ৰদানকাৰী-পৰামৰ্শ গ্ৰহণকাৰীৰ পাৰস্পৰিক সম্বন্ধৰ মানদণ্ড প্ৰভাৱিত হয় আৰু বহু কাৰকৰ অৱদান অথলে যায়। পৰামৰ্শ প্ৰদানকাৰীয়ে এনে অনিচ্ছুক পৰামৰ্শ গ্ৰহণকাৰীক পৰামৰ্শ দান কাৰ্যসূচীৰ পৰা সৰ্বাধিক সুবিধা লাভ কৰিবলৈ অনুপ্ৰাণিত আৰু উৎসাহিত কৰিব লাগে।

### 5.7.3 পৰামৰ্শ প্ৰদানকাৰীৰ মাজত প্ৰেৰণাৰ অভাৱ

পৰামৰ্শ দান কাৰ্যসূচীসমূহৰ বাবে উপযুক্ত সংখ্যক পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচন কৰা কাৰ্যটো হ'ল এটা মূল প্ৰত্যাহ্বান। তাৰ লগতে পৰামৰ্শ প্ৰদানকাৰীসকলৰ লাভ কৰা অনুপ্ৰেৰণা আৰু তেওঁলোকৰ বিশেষজ্ঞতাও অতিশয় গুৰুত্বপূৰ্ণ। অনুপ্ৰেৰণাৰ অভাৱে পৰামৰ্শ প্ৰদানকাৰীসকলক কম উপযোগী আৰু কম ফলপ্ৰসূ কৰি তুলিব। ইয়াৰ ফলত পৰামৰ্শ দানৰ সম্পৰ্ক বিফল হ'ব আৰু ফলাফল নিম্নগামী হৈ পৰিব।

গতিকে কাৰ্যসূচীৰ আৰম্ভণিতে উপযুক্ত পৰামৰ্শ প্ৰদানকাৰী বাছনি কৰাটো গুৰুত্বপূৰ্ণ হৈ পৰে। ইয়াৰ লগতে পৰামৰ্শ প্ৰদানকাৰীসকলক সঠিক প্ৰশিক্ষণ দিয়া আৰু সমগ্ৰ প্ৰক্ৰিয়াটোৰ সময়কালত তেওঁলোকৰ সৈতে মত বিনিময় কৰাটোও গুৰুত্বপূৰ্ণ হৈ পৰে।

### 5.7.4 অত্যাধিক আৰু পৰ্যাপ্তহীন গাঁথনি

পৰামৰ্শ গ্ৰহণকাৰীসকলৰ ব্যক্তিগত প্ৰয়োজনীয়তাক চিনাক্ত কৰাটো গুৰুত্বপূৰ্ণ। কিছুমান পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীয়ে বিভিন্ন সঁজুলি আৰু সম্পদ ব্যৱহাৰ কৰাৰ সুবিধা লাভ কৰাৰ শলাগ ল'ব, আনহাতে আন যদিহে কিছুমানে সেইবোৰ ব্যৱহাৰ কৰিবলৈ দিয়া হয়, তেনেহ'লে তেওঁলোকে হেঁচা অনুভৱ কৰিব পাৰে। মূল কথাটো হ'ল কাৰ্যসূচীৰ আৰ্হি প্ৰস্তুত কৰোতে এনেদৰে ভাৰসাম্য ৰক্ষা কৰাৰ উপায় বিচাৰি উলিয়াব লাগে যাতে পৰামৰ্শ প্ৰদানকাৰী/পৰামৰ্শ গ্ৰহণকাৰীসকলে তেওঁলোকৰ প্ৰয়োজন আৰু সুবিধা অনুসৰি সম্পদসমূহ ব্যৱহাৰৰ সুযোগ লাভ কৰিব পাৰে।

### 5.7.5 উপেক্ষিত পৰীক্ষণ স্থান

পৰামৰ্শ দান কাৰ্যসূচীৰ স্পষ্ট পৰীক্ষণ স্থানে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীসকলক কাৰ্যসূচীৰ এটা সুনিৰ্দিষ্ট আৰম্ভণি, মধ্য আৰু শেষ সম্পৰ্কে নিৰ্দেশনা প্ৰদান কৰে। ইয়াৰ ফলত পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰী উভয়ৰে সন্তুষ্টি বৃদ্ধি পায়। উদাহৰণস্বৰূপে, পৰামৰ্শ দান সম্পৰ্ক ফলপ্ৰসূভাৱে বন্ধ নহ'লে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীসকলে অসন্তুষ্টি, বিভ্ৰান্তি অনুভৱ কৰিব পাৰে আৰু শিকণসমূহ কেনেকৈ আগবঢ়াব লাগে সেই বিষয়ে নিশ্চিত নহয়।

### 5.7.6 পৰামৰ্শ দান সন্দৰ্ভত থকা ভ্ৰান্ত ধাৰণাসমূহ

পৰামৰ্শ দান সম্পৰ্কে থকা কিছুমান সাধাৰণ ভুল ধাৰণাই বাধাৰ সৃষ্টি কৰিব পাৰে। পৰামৰ্শ দানৰ বিষয়ে কিছুমান ব্যাপক ভ্ৰান্তিয়ে বাধাৰ সৃষ্টি কৰিব পাৰে আৰু অংশগ্ৰহণকাৰীসকলক অভিজ্ঞতাৰ পৰা সৰ্বাধিক লাভ কৰিবলৈ নিৰুৎসাহিত কৰিব পাৰে। তলত কিছুমান প্ৰচলিত বিভ্ৰান্তিৰ বিষয়ে উল্লেখ কৰা হ'ল:

- "পৰামৰ্শ দান এটা সময়-খৰচী প্ৰক্ৰিয়া"
- "কেৰিয়াৰ বা ব্যক্তিগত জীৱনৰ বাবে পৰামৰ্শ দানৰ কোনো মূল্য নাই"
- "পৰামৰ্শ দানে কেৱল পৰামৰ্শ গ্ৰহণকাৰীসকলহে উপকৃত কৰে, পৰামৰ্শ প্ৰদানকাৰীসকল নহয়"

কাৰ্যসূচীৰ আৰম্ভণিতে সুনিৰ্দিষ্ট ভূমিকা, দায়িত্ব আৰু ফলাফলৰ সৈতে স্পষ্ট প্ৰত্যাশাসমূহ নিৰ্ধাৰণ কৰিলে এই ভুল বুজাবুজিসমূহ দূৰ কৰাত সহায় হয়। সঠিক পৰিকল্পনা আৰু সাহাৰ্যৰ দ্বাৰা পৰামৰ্শ দান কাৰ্যসূচী দীৰ্ঘদিন ধৰি চলাই নিব আৰু ইয়াৰ প্ৰভাৱ স্থায়ী কৰি তুলিব পাৰি। এবাৰ কাৰ্যসূচীয়ে গতি লাভ কৰিলেই পৰামৰ্শ দানৰ সংস্কৃতি গঢ় লৈ উঠিব আৰু আনুষ্ঠানিক কাৰ্যসূচীৰ সমান্তৰালভাৱে অনানুষ্ঠানিক পৰামৰ্শ দান ব্যৱস্থাও শক্তিশালী হৈ পৰিব।

### 5.7.7 দুৰ্লভ/অনুপযুক্ত পৰামৰ্শ দান


যিকোনো পৰামৰ্শ দানৰ গাঁথনিৰ আৰ্হি পৰামৰ্শ দানৰ পাৰস্পৰিক ক্ৰিয়াকলাপৰ সুলভতাক মনত ৰাখি প্ৰস্তুত কৰিব লাগে। উদাহৰণস্বৰূপে, বিদ্যালয়ৰ ভিতৰত পৰামৰ্শ দান কৰাটো ব্যক্তিগতভাৱে আৰু এটা নিৰ্দিষ্ট অন্তৰালত হ'ব পাৰে যাতে সকলো পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ বাবে ই সহজে উপলব্ধ হয়। কিন্তু দেশজোৰা পৰামৰ্শ দান কাৰ্যসূচীৰ লক্ষ্য পূৰণৰ বাবে প্ৰযুক্তি মঞ্চৰ দৰে বৃহৎ আন্তঃগাঁথনিৰ প্ৰয়োজন হ'ব পাৰে। পদ্ধতি আৰু মাধ্যমৰ আৰ্হি প্ৰস্তুত কৰাৰ সময়ত বহুবিষয়ক পদ্ধতি ব্যৱহাৰ কৰি পৰামৰ্শ দান অধিক সুলভ কৰিব পাৰি।

## 5.8 অভিযোগ নিবাৰণ ব্যৱস্থাৱলী

NMM সম্পৰ্কীয় অভিযোগসমূহ অধিক স্বচ্ছতাৰে পৰিচালনা আৰু সমাধানৰ বাবে NCTEএ এখন অভিযোগ নিবাৰণ সমিতি গঠন কৰিব। পৰামৰ্শ প্ৰদানকাৰী/পৰামৰ্শ গ্ৰহণকাৰীয়ে মুখামুখি হোৱা সমস্যাসমূহ সমাধানৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰাত ই সহায়ক হ'ব। ইয়াৰ দ্বাৰা পৰামৰ্শ প্ৰদানকাৰী/পৰামৰ্শ গ্ৰহণকাৰীসকলে তেওঁলোকৰ উদ্বেগ আৰু পৰামৰ্শসমূহ বিনিময় কৰাৰ সুযোগ লাভ কৰিব যাতে পৰামৰ্শ দান ব্যৱস্থাটো তেওঁলোকৰ প্ৰয়োজনীয়তাৰ প্ৰতি অধিক সংবেদনশীল হৈ উঠে।

অধ্যায় VI

# ৰাষ্ট্ৰীয় পৰামৰ্শ দান আন্তঃগাঁথনি



## অধ্যায় -VI: ৰাষ্ট্ৰীয় পৰামৰ্শ দান আন্তঃগাঁথনি

### 6.1 পৰিচয়

NMMৰ লক্ষ্য হৈছে ব্যাপক পৰিসৰত পৰামৰ্শ দান সফলতাৰে কাৰ্যকৰী কৰা আৰু এই প্ৰযুক্তিক সক্ষম কৰি তোলাটো অত্যন্ত গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰীয় পৰামৰ্শ দান আন্তঃগাঁথনি (NMI)ৰ কল্পনা মুক্ত-উৎস গোটভিত্তিক নিৰ্মাণৰ আধাৰৰ এটা সমষ্টিৰ ৰূপত কৰা হৈছে, যি NDEARৰ অনুৰূপ আৰু ইয়াক বিস্তাৰযোগ্য আৰু নিৰ্ভৰযোগ্যকৈ নিৰ্মাণ কৰা হৈছে। বৰ্তমান সময়ত পৰামৰ্শ দানৰ সমাধান/ব্যৱস্থাৱলীসমূহ আগবঢ়োৱাৰ বাবে কোনো মুক্ত প্ৰট'কল সংজ্ঞায়িত কৰা হোৱা নাই বাবে বহু বিচ্ছিন্ন আৰু খণ্ডিত পৰামৰ্শ দান কাৰ্যসূচীৰ উপস্থিতি লক্ষ্য কৰিব পাৰি। পৰামৰ্শ গ্ৰহণকাৰীসকলে এজন পৰামৰ্শ প্ৰদানকাৰী বিচাৰিবলৈ বিভিন্ন উৎস বা ব্যৱস্থা ব্যৱহাৰ কৰি আছে। NMIএ এই অভাৱ দূৰ কৰাৰ লক্ষ্যৰে Beckn DSEP প্ৰট'কলত প্ৰণয়ন কৰা এটা সংহত পৰামৰ্শ দান ইণ্টাৰফেচ (UMI) সংজ্ঞায়িত আৰু সক্ষম কৰি তুলিছে। UMIৰ লক্ষ্য হৈছে বিভিন্ন পৰামৰ্শ দান সেৱা আৰু সমাধানৰ আন্তঃকাৰ্য্যক্ষমতা সক্ষম কৰা, যাৰ ফলত মুক্ত প্ৰথাগত পদ্ধতি/বিতং নিৰ্দেশনা আৰু এটা ইণ্টাৰফেচৰ জৰিয়তে বিভিন্ন সেৱাসমূহৰ ব্যৱহাৰ কৰি পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ দান কাৰ্যসূচীসমূহ বিচাৰি উলিওৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা যাব। উদ্ভাৱন, বৈচিত্ৰ্য আৰু প্ৰসংগভিত্তিকতা আনিবলৈ পৰিৱেশ তন্ত্ৰ সক্ৰিয় কৰি তোলাটো অতি প্ৰয়োজনীয়। UMIএ এটা সংহত পৰামৰ্শ দান নেটৱৰ্ক (UMN) সৃষ্টি সম্ভৱ কৰি তুলিব, য'ত বিভিন্ন পৰিৱেশ তন্ত্ৰৰ অংশীদাৰসকলে সমাধানসমূহ ব্যৱহাৰ আৰু সৃষ্টি কৰিব পাৰিব আৰু পৰামৰ্শ দান ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁলোকৰ সমাধান/সেৱাসমূহ আগবঢ়াব পাৰিব।

NMIৰ উদ্দেশ্য হৈছে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰী উভয়ৰে বাবে সহজে পৰামৰ্শ দান সেৱা প্ৰদান আৰু সমাধান গ্ৰহণ কৰাটো নিশ্চিত কৰা। ইয়াৰ আৰ্হি প্ৰস্তুতিৰ প্ৰতিটো পৰ্যায়তে নীতি আৰু প্ৰযুক্তিৰ উপাদানসমূহকে ধৰি এই বৈশিষ্ট্যসমূহক শক্তিশালী কৰি তোলা হৈছে।

### 6.2 আৰ্হি নীতিসমূহ

এই খণ্ডত বুনিয়াদী নীতি আৰু উত্তম পদ্ধতিসমূহৰ ৰূপৰেখা দাঙি ধৰি NMIৰ ডিজিটেল আন্তঃগাঁথনিমূলক দিশসমূহৰ ওপৰত গুৰুত্ব দিয়া হৈছে:




চিত্ৰ 6.1: ৰাষ্ট্ৰীয় পৰামৰ্শ দান আন্তঃগাঁথনিৰ আৰ্হি নীতি

a. **ক্ষুদ্রসেৱাৰ ব্যৱস্থা:** বিস্তাৰ আৰু বৈচিত্র্যৰ সমাধান কৰিবলৈ হ'লে, গোটভিত্তিক সেৱাসমূহক প্রয়োজন অনুসৰি একত্রিত আৰু পৃথক কৰিব পাৰি। ই পৰিৱৰ্তিত প্রয়োজন আৰু প্রসংগ অনুসৰি শিথিলভাৱে ক্ষুদ্রসেৱাৰ লগত সংযোগ কৰি কাৰ্য্যকাৰিতাৰ বিৱৰ্তন শক্তিশালী কৰি তোলে।

b. **নিৰাপদ আৰু নিৰ্ভৰযোগ্য:** সুৰক্ষা আৰু গোপনীয়তা ব্যৱস্থাপনা কৰাটো গুৰুত্বপূৰ্ণ আৰু সেয়েহে, ই আৰ্হিৰ এটা গুৰুত্বপূৰ্ণ অংশ। ইয়াৰ ব্যৱহাৰকাৰীসকলৰ বাবে তথ্যৰ সুৰক্ষা আৰু গোপনীয়তা নিশ্চিত কৰাৰ লগতে তথ্য সক্ষমতা প্রদান কৰিবলৈ আন্তঃগাঁথনিটো ডিজাইন কৰা হৈছে।

c. **মুক্ত-মান:** আৰ্হিটোৱে যাতে বিভিন্ন ব্যৱহাৰ সমৰ্থন কৰিব পাৰে, তাৰবাবে আন্তঃগাঁথনিৰ আৰ্হি প্রস্তুতিৰ বাবে মুক্ত প্রামাণিক আৰু আন্তঃকাৰ্য্যক্ষমতা অপৰিহাৰ্য। NMIক মুক্ত প্রট'কল আৰু APIসমূহ ব্যৱহাৰ কৰি নিৰ্মাণ কৰা হৈছে যি নিৰ্দিষ্ট প্লেটফৰ্মসমূহ, নে'টৱৰ্ক প্রযুক্তিসমূহ বা ভাষাসমূহৰ প্রতি কোনো গুৰুত্ব নিদিয়াকৈ আন্তঃকাৰ্য্যকাৰিতা সুনিশ্চিত কৰিব। ইয়াক আন্তঃকাৰ্য্যক্ষমতা প্রদান কৰিব পৰা মানৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হৈছে। গতিকে ই মুক্ত APIসমূহে একেলগে কাম কৰিবলৈ ভিন্নসুৰী প্রযুক্তিৰ ওপৰত নিৰ্মিত পৰামৰ্শ দানৰ এক বহল পৰিসৰক সমৰ্থন কৰিব।

d. **বিস্তাৰযোগ্য আৰু দৃঢ়:** পৰিস্থিতিতন্ত্রটো বৃহৎ সংখ্যক ব্যৱহাৰকাৰীৰ বাবে বিস্তাৰ কৰিব পৰাকৈ, কাৰ্য্যসমূহৰ বিস্তাৰযোগ্যতাক প্রামাণিকীকৰণ আৰু আনুভূমিক বিস্তাৰৰ দ্বাৰা সুনিশ্চিত কৰা হ'ব।

e. **পৰ্যবেক্ষণযোগ্যতা:** আন্তঃগাঁথনিত পৰামৰ্শ দানৰ পাৰস্পৰিক ক্রিয়াক কেন্দ্র কৰি বিনিময় কৰা মূল্যৱান তথ্যসমূহ টেলিমেট্রিৰ জৰিয়তে নিৰীক্ষণ কৰা হ'ব। ইয়াক পৰামৰ্শ গ্রহণকাৰী/পৰামৰ্শ প্রদানকাৰীৰ চাৰিওফালে ঘটি থকা সকলো পৰিঘটনা ধৰি ৰাখিবলৈ প্রস্তুত কৰা হৈছে আৰু সেইসমূহ উপভোগ আৰু বিশ্লেষণৰ বাবে উপলব্ধ কৰা হৈছে।

f. **বিশ্বাসযোগ্য প্লেটফৰ্ম:** এই আন্তঃগাঁথনিৰ লক্ষ্য হৈছে দুয়োটা পক্ষৰ বাবে ব্যৱহাৰিক আৰু উদ্দেশ্যপ্রণোদিত পৰামৰ্শ দান অভিজ্ঞতাৰ এক বিশ্বাসযোগ্য মঞ্চ হিচাপে – পৰামৰ্শ প্রদানকাৰী আৰু পৰামৰ্শ গ্রহণকাৰীসকল প্রয়োজনীয় সুবিধা আগবঢ়োৱা। এইটো বিশ্বাসযোগ্য পঞ্জীয়নসমূহৰ সহায় লৈ আৰু প্রমাণিত আৰু নিশ্চিতকৃত পৰামৰ্শ প্রদানকাৰীসকলক প্লেটফৰ্মত থকাটো নিশ্চিত কৰিবলৈ পৰামৰ্শ প্রদানকাৰীসকলৰ নিযুক্তিৰ ক্ষেত্রত যথাযথ পৰিশ্রম কৰি কৰা হয়।

g. **বিকেন্দ্রীকৃত আৰু বণ্টিত:** এই গাঁথনিটোৰ আৰ্হি প্রয়োগ আৰু সমাধানসমূহক বণ্টিত বিশ্বাসযোগ্য সত্তাসমূহ/ভঁৰালসমূহৰ পৰা তথ্য সুলভ আৰু বিনিময় কৰাৰ বাবে সামৰ্থবান কৰি তুলিবলৈ প্রস্তুত কৰা হৈছে যিটো নে'টৱৰ্কৰ অংশ।

h. **প্লেটফৰ্ম চিন্তাধাৰা:** এই আন্তঃগাঁথনিয়ে অংশীদাৰসকলৰ পৰিস্থিতিতন্ত্ৰক (সমাধান প্রদানকাৰী) ৰাষ্ট্রীয় পৰ্যায়ত কাম কৰাৰ বাবে তেওঁলোকৰ সমাধান/সেৱাসমূহ সৃষ্টি আৰু সম্প্রসাৰণ কৰিবলৈ অনুমতি দিয়ে।

i. **সংহত, কিন্তু একৰূপী নহয়:** আন্তঃগাঁথনিসমূহ মুক্ত মানদণ্ডৰ ওপৰত ভিত্তি কৰি গঢ়ি তোলা হৈছে যি সংহত কামৰ সুবিধা প্রদান কৰাৰ লগতে বৈচিত্রময় সমাধানসমূহক একেলগে কাম কৰিবলৈ সক্ষম কৰি তোলে।

j. **পৰিৱেশতন্ত্ৰক সক্ষম কৰা:** UMIএ পৰামৰ্শ দানৰ সমাধান/প্রয়োগসমূহৰ এটা পৰিস্থিতিতন্ত্র গঢ়ি তোলে, যিয়ে বিভিন্ন সঞ্চায়াগাৰৰ তথ্যসমূহক একেলগে কাম কৰিব পৰাকৈ সাজু কৰি তোলে আৰু ব্যৱহাৰকাৰীৰ বাবে এক সুচল কৰ্মস্থানৰ সৃষ্টি কৰে।

k. **সম্প্রসাৰণযোগ্যতা:** এই আন্তঃগাঁথনি এনেদৰে নিৰ্মাণ কৰা হৈছে যাতে নতুন সক্ষমতা/সত্তাসমূহে

নেটৱৰ্কত সহজেই অংশগ্ৰহণ কৰিব কৰিব পাৰে। বিশদ নিৰ্দেশনাসমূহ পালন কৰিলে নতুন সত্তাসমূহে নেটৱৰ্কৰ বৰ্তমানৰ ক্ষমতা আৰু সুবিধাসমূহৰ সুযোগ গ্ৰহণ পাৰিব।

**I. আৰ্হিৰে সমাবেশী:**

**i.** ব্যৱহাৰকাৰীৰ ভেটি


এই আন্তঃগাঁথনিয়ে ব্যৱহাৰকাৰীৰ প্ৰাসংগিক আৰু বৈচিত্ৰ্যপূৰ্ণ প্ৰয়োজনীয়তাসমূহ পূৰণৰ বাবে সমাধানসমূহ প্ৰস্তুত কৰি তুলিবলৈ সক্ষম কৰে, উদাহৰণস্বৰূপে, বিভিন্ন প্লেটফৰ্মত – ফোন, ৱেব, বিভিন্ন ভাষা আদি।

**ii.** প্ৰণালী আৰু প্ৰক্ৰিয়াসমূহ

এই আন্তঃগাঁথনি বৰ্তমান সময়ত বিদ্যমান প্ৰয়োগসমূহ, সমাধানসমূহ, আৰু বিষয়বস্তুকে ধৰি বিভিন্ন ব্যৱস্থাপ্ৰণালী আৰু প্ৰক্ৰিয়াসমূহক সংযোগ আৰু উদ্গণি যোগাবলৈ প্ৰস্তুত কৰা হৈছে।

## 6.3 পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ ক্ৰিয়াকলাপ সক্ষমকৰণ


NMIৰ এটা মূল উদ্দেশ্য হৈছে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ মাজত নিৰৱচ্ছিন্ন সামঞ্জস্যপূৰ্ণ আৰু সামঞ্জস্যহীন পৰামৰ্শ দানৰ পাৰস্পৰিক ক্ৰিয়াকলাপক সক্ষম কৰি তোলা। পাৰস্পৰিক ক্ৰিয়াকলাপসমূহ সাৰ্বজনীন অনুসন্ধান আৰু বিশ্বাসৰ দ্বাৰা সবল কৰি তোলা হয় আৰু ই হ'ল এটা মতামত-আধাৰিত ব্যৱস্থা। প্ৰযুক্তিমূলক আন্তঃগাঁথনিত তলত দিয়া 6 টা মূল কাৰ্য্য সক্ষম কৰা হ'ব –




চিত্ৰ 6.2: প্ৰযুক্তিৰ আন্তঃগাঁথনিত সক্ষমিত মূল কাৰ্য্যসমূহ

## 6.4 প্ৰযুক্তিমূলক উপাদানসমূহ

আৰ্হি নীতিসমূহ মনত ৰাখি, NMIএ বিভিন্ন প্ৰযুক্তিমূলক উপাদান আগবঢ়াইছে যি ইয়াৰ ব্যৱহাৰকাৰীসকলৰ বাবে একাধিক পৰামৰ্শ দানৰ সমাধান আগবঢ়ায়।




চিত্ৰ 6.3: সংহত পৰামৰ্শ দান নেটৱৰ্ক (UMW) – উপাদান পৰ্যায়ৰ দৃশ্য

a. **পৰামৰ্শ গ্ৰহণকাৰী ইণ্টাৰফেচ (এপ/ৱেবছাইট/অন্য উপায়সমূহ)** – পৰামৰ্শ গ্ৰহণকাৰীসকলে তেওঁলোকৰ আগ্ৰহ আৰু প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি পৰামৰ্শ প্ৰদানকাৰী আৰু বৈঠকৰ অনুসন্ধান কৰিবলৈ এই ইণ্টাৰফেচ ব্যৱহাৰ কৰিব পাৰে। তেওঁলোকে আগ্ৰহী পৰামৰ্শ দান কাৰ্যসূচীত নামভৰ্তি কৰিব পাৰে।

b. **পৰামৰ্শ প্ৰদানকাৰী ইণ্টাৰফেচ (এপ/ৱেবছাইট/অন্য উপায়সমূহ)** – পৰামৰ্শ প্ৰদানকাৰীসকলে পৰামৰ্শ গ্ৰহণকাৰীসকলৰ সৈতে তেওঁলোকৰ কথোপকথন/বৈঠকৰ পৰিকল্পনা কৰিবলৈ এই ইণ্টাৰফেচ ব্যৱহাৰ কৰে। তেওঁলোকে বিভিন্ন পাৰস্পৰিক ক্ৰিয়া-কলাপৰ তথ্য আৰু বিশ্লেষণো লাভ কৰিব পাৰে।

c. **পৰামৰ্শ দানৰ বৰ্গীকৰণ** – ৰাষ্ট্ৰীয় আন্তঃগাঁথনিৰ অংশ হিচাপে এটা ৰাষ্ট্ৰীয় পৰামৰ্শ বৰ্গীকৰণ বিকশিত আৰু সন্নিৱিষ্ট কৰা হ'ব। এই শ্ৰেণীবিভাজনে মূল দিশসমূহ যেনে পৰামৰ্শ প্ৰদানকাৰীৰ বৈশিষ্ট্য, পৰামৰ্শ দানৰ ক্ষেত্ৰ, আৰু পাৰস্পৰিক ক্ৰিয়াকলাপৰ মাধ্যমসমূহক সামৰি ল'ব।

d. **সংহত পৰামৰ্শ দান ইণ্টাৰফেচ (UMI) প্ৰৱেশ পথ** – UMIএ একাধিক পৰামৰ্শ দান সেৱা/সমাধানৰ আন্তঃকাৰ্যক্ষমতা সবল কৰি তুলিব, যাৰ ফলত একাধিক সেৱাৰ মাজেৰে পৰামৰ্শ প্ৰদানকাৰী/কাৰ্যক্ৰম আৱিষ্কাৰৰ পথ মুকলি হ'ব।

e. **এপৰ পঞ্জী** – ইয়াৰ ভিতৰত সকলো মোবাইল এপ, ৱেব পৰ্টেল, আৰু ইণ্টাৰফেচ ব্যৱহাৰ কৰা অন্য সমাধানৰ এটা পঞ্জী অন্তৰ্ভুক্ত হৈ আছে।

f. **সেৱাৰ পঞ্জী** – ইয়াত পৰামৰ্শ দান প্ৰণালীসমূহৰ এটা পঞ্জী অন্তৰ্ভুক্ত হৈ থাকে, যিটো গেটৱেটোলৈ গ্ৰাহকভুক্ত হৈ থাকে।

g. **বাহ্যিক পঞ্জী** – ইয়াত পৰিস্থিতিতন্ত্ৰৰ সত্যাপিত পৰামৰ্শ প্ৰদানকাৰীৰ বিভিন্ন বিকেন্দ্ৰীকৃত বিশ্বাসযোগ্য পঞ্জীসমূহ (শৈক্ষিক সংস্থা, ৰাজ্যিক বিভাগ আৰু CSOৰ পৰা) অন্তৰ্ভুক্ত হৈ থাকে।

**h. পৰামৰ্শ দান সেৱা:** আন্তঃগাঁথনিত ক্ষুদ্ৰসেৱাসমূহে পৰামৰ্শ প্ৰদানকাৰীসকলক তেওঁলোকৰ বৈঠকৰ পৰিকল্পনা কৰাটো সক্ষম কৰিব তুলিব আৰু পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীসকলৰ মাজত গুৰুত্বপূৰ্ণ পাৰস্পৰিক ক্ৰিয়া-কলাপ সক্ষম কৰিব।

## 6.5 সংহত পৰামৰ্শ দান ইণ্টাৰফেচ

UMI হৈছে Beckon DSEP বিস্তাৰিত নিৰ্দেশনাৰে নিৰ্মিত এটা নে'টৱৰ্ক ইণ্টাৰফেচ। এই নেটৱৰ্কে বিভিন্ন প্ৰদানকাৰী আৰু গ্ৰাহকক নিৰৱচ্ছিন্নভাৱে যোগাযোগ কৰিবলৈ অনুমতি দিয়ে।

### 6.5.1 আৱিষ্কাৰযোগ্যতা

পৰামৰ্শ প্ৰদানকাৰীয়ে তেওঁলোকৰ ডিভাইচত কোনটো পৰামৰ্শ দান এপ্লিকেশ্বন ইনষ্টল কৰিছে সেয়া নিৰ্বিশেষে, সকলো পৰামৰ্শ প্ৰদানকাৰী (অভিজ্ঞ সম্পদ ব্যক্তি/অৱসৰপ্ৰাপ্ত অধ্যাপক/শিক্ষক আদি) এটা ইণ্টাৰফেচত দৃশ্যমান আৰু সুলভ হৈ উঠিব। ই ব্যৱহাৰকাৰীসকলক সম্পদৰ সৈতে সংযোগ কৰিবলৈ একাধিক এপ্লিকেশ্বন ইনষ্টল কৰাৰ পৰিৱৰ্তে এখন প্লেটফৰ্মত পৰামৰ্শ দানৰ এটা বৃহৎ গোটৰ লগত সংযোগ কৰাৰ অনুমতি দিব।

### 6.5.2 বিশ্বাস

ফলপ্ৰসূ পৰামৰ্শ দানৰ পাৰস্পৰিক ক্ৰিয়া-কলাপ তেতিয়াহে সম্ভৱ হয় যেতিয়া প্লেটফৰ্মত জড়িত সকলোৰে মাজত বিশ্বাস স্থাপন হয়। বিভিন্ন শিক্ষানুষ্ঠান আৰু ৰাজ্যিক বিভাগৰ দ্বাৰা বিশ্বাসযোগ্য পৰামৰ্শ প্ৰদানকাৰীৰ পঞ্জীয়নৰ জৰিয়তে এই বিশ্বাসক শক্তিশালী কৰি তোলা হ'ব। সকলো পৰামৰ্শ প্ৰদানকাৰীৰ সংক্ষিপ্ত জীৱনপঞ্জীৰ সত্যাসত্য নিৰূপণ কৰিব পৰা প্ৰমাণপত্ৰসমূহ প্লেটফৰ্মত উপলব্ধ কৰি তেওঁলোকৰ বিশ্বাসযোগ্যতা বৃদ্ধি কৰা হ'ব।

## 6.6 সংহত পৰামৰ্শ দান নেটৱৰ্ক

NMIৰ অবিৰত বিকাশ, ব্যৱহাৰ আৰু উন্নতিৰ বাবে পৰিস্থিতিতন্ত্ৰৰ পদ্ধতিৰ প্ৰতি লক্ষ্য ৰখা হ'ব। উদ্ভাৱন, বৈচিত্ৰ্য আৰু অৰ্থবহতা নিশ্চিত কৰিবলৈ পৰিস্থিতিতন্ত্ৰ সক্ৰিয় কৰাটো অতি প্ৰয়োজনীয়। বিভিন্ন পৰিস্থিতিতন্ত্ৰৰ কাৰকক NMIৰ পৰা লাভান্বিত হ'বলৈ আৰু অৰিহণা যোগাবলৈ UMNএ অনুঘটক হিচাপে কাম কৰিব। এনে আন্তঃগাঁথনিয়ে অংশীদাৰসকলক ব্যৱহাৰ কৰিবলৈ, সমাধান গঢ়ি তুলিবলৈ আৰু পৰামৰ্শ দানৰ ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁলোকৰ সমাধান/সেৱাসমূহ সম্প্ৰসাৰণৰ অনুমতি দিব। মানসিকতাৰ ব্যাপক পৰিৱৰ্তনৰ ফলশ্ৰুতিৰ জৰিয়তে এই কথা সুনিশ্চিত কৰিবলৈ চেষ্টা কৰা হৈছে যে এই প্লেটফৰ্মখন এখন সৰ্বাংগীন, একেধৰণৰ, একক সমাধান হিচাপে নিৰ্মাণ কৰা হোৱা নাই।

এই নেটৱৰ্কটো গঢ়ি তুলিবলৈ আৰু বৰ্তাই ৰাখিবলৈ সকলো প্ৰাসংগিক অংশীদাৰৰ লগত অবিৰতভাৱে প্ৰচেষ্টা চলোৱা হ'ব। আন্তঃগাঁথনিৰ প্ৰযুক্তিগত আৰ্হি, য'ত নিৰ্মাণৰ বাবে ব্যৱহৃত উপাদান আৰু মুক্ত প্ৰ'টকল জড়িত হৈ থাকিব, সিয়েই এই নেটৱৰ্কটোক আগুৱাই লৈ যাব।

## 6.7 প্লেটফৰ্ম ব্যৱস্থাপন

NMIক শক্তিশালী কৰি তুলিব পৰা এটা পৰামৰ্শ দান কাৰ্যসূচীৰ বাবে আকাংক্ষিত ফলাফল লাভ কৰিবলৈ ফলপ্ৰসূ প্ৰশাসনৰ প্ৰয়োজন হয়। সুশাসনৰ বাবে তলত দিয়া মাপকাঠী আৰু প্ৰশ্নসমূহৰ ওপৰত গুৰুত্ব দিব লাগিব।

তালিকা 6.1: অৰ্হতা আৰু প্ৰশ্নাৱলী

| মাপকাঠী | প্ৰশ্নাৱলী |
|---|---|
| **যথাৰ্থতা** | • আপুনি কেনেকৈ নিশ্চিত কৰে যে ব্যৱহাৰকাৰীৰ স্থানীয় আৰু আৰ্থ-সামাজিক অৱস্থাৰ সৈতে কাৰিকৰী আন্তঃগাঁথনি সামঞ্জস্যপূৰ্ণ আৰু উপযুক্ত?<br>• আপুনি কেনেকৈ নিশ্চিত কৰে যে প্লেটফৰ্মৰ পাৰস্পৰিক ক্ৰিয়া-কলাপক গঠনমূলক পাৰস্পৰিক ক্ৰিয়াৰ ওপৰত ভিত্তি কৰি নিৰ্মাণ কৰা হৈছে?<br>• আপুনি কেনেকৈ নিশ্চিত কৰে যে আন্তঃগাঁথনিৰ পৰা অৰ্জন কৰা সুবিধাৰ জৰিয়তে কাৰ্যসূচীৰ স্বত্বাধিকাৰীসকলে উপযুক্ত মতামত গ্ৰহণ ব্যৱস্থা উপলব্ধ কৰিব পাৰিছে? |
| **বহনক্ষমতা** | • প্লেটফৰ্ম, তাৰিখ ইত্যাদিৰ স্বত্বাধিকাৰ কোন?<br>• আপুনি কেনেদৰে নিশ্চিত কৰে যে প্লেটফৰ্মসমূহ ফলপ্ৰসূভাৱে ব্যৱহাৰ হৈছে আৰু উপযুক্ত মতামতসমূহ বিবেচনা কৰা হৈছে? ইয়াত প্ৰশিক্ষণ কাৰ্যসূচীসমূহ আৰু মতামত গ্ৰহণৰ ব্যৱস্থাৱলী অন্তৰ্ভুক্ত হৈ আছে। |
| **ক্ৰমবিকাশৰ ক্ষমতা** | • আপুনি কেনেকৈ নিশ্চিত কৰে যে বহুতো উপাদানে সম্পদসমূহৰ প্ৰতি (উদাহৰণস্বৰূপে, ডাটা, চফ্টৱেৰ, বিষয়বস্তু ইত্যাদি) অবিহণা আগবঢ়ায়?<br>• সেৱাৰ আবিষ্কাৰ আৰু ব্যৱহাৰ আপুনি কেনেকৈ সক্ষম কৰি তুলিব?<br>• প্লেটফৰ্মৰ সম্প্ৰসাৰণক আপুনি কেনেকৈ সক্ষম কৰি তুলিব? |

অধ্যায়
VII

# যাত্ৰা আৰু আগুৱাই যোৱাৰ পথ



## অধ্যায় -VII: যাত্ৰা আৰু আগুৱাই যোৱাৰ পথ

### 7.1 ৰাষ্ট্ৰীয় পৰামৰ্শ দান অভিযান (NMM)ৰ যাত্ৰা

ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ আদেশ মৰ্মে 2021-22 বৰ্ষৰ কেন্দ্ৰীয় বাজেটত NMMৰ ঘোষণা কৰা হৈছিল। শিক্ষা মন্ত্ৰালয়ে এই কাম সম্পূৰ্ণ কৰাৰ দায়িত্ব NCTEৰ হাতত অৰ্পণ কৰে। NMM পদ্ধতিৰ বিকাশৰ বাবে ইতিমধ্যে যথেষ্ঠ গৱেষণা কৰা হৈছে। বিভিন্ন অংশীদাৰৰ পৰা পৰামৰ্শ/মতামত আমন্ত্ৰণ জনোৱাৰ উদ্দেশ্য আগত ৰাখি পৰামৰ্শ দানৰ ব্লু-বুকৰ প্ৰাৰম্ভিক খচৰা 2021 চনৰ নৱেম্বৰ মাহত NCTE ৱেবছাইট আৰু MyGov পৰ্টেলত প্ৰকাশ কৰা হৈছিল। ইয়াৰ পিছতে সমগ্ৰ দেশৰ শিক্ষাবিদ, শিক্ষা প্ৰশাসক, বিদ্যালয়, বিশ্ববিদ্যালয়, শিক্ষক প্ৰশিক্ষক, SCERT, DIET, অধ্যক্ষ, শিক্ষক, এনজিঅ’ আৰু অন্য অংশীদাৰসকলৰ সৈতে 15 খন মুকলি আলোচনা সভা অনুষ্ঠিত হৈছিল যাতে নিম্ন পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈ পৰামৰ্শ দানৰ ব্লু-বুক প্ৰস্তুত কৰাৰ বাবে সমল/ধাৰণা লাভ কৰিব পৰা যায় (পৰিশিষ্ট-IV চাওক)।

NCTEএ 2022 চনৰ 29 জুলাইত সমগ্ৰ দেশৰ 30 খন কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিদ্যালয় (15 কেন্দ্ৰীয় বিদ্যালয়, 10 খন নৱোদয় বিদ্যালয় আৰু 5 খন চিবিএছই বিদ্যালয়)ত পাইলট পদ্ধতিত NMMৰ শুভাৰম্ভ কৰে। 30 গৰাকী বিদ্যালয়ৰ অধ্যক্ষ আৰু ন’ডাল বিষয়াৰ সৈতে NMMৰ ওপৰত দুদিনীয়া দিশ নিৰ্দেশনাৰ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। NCTEএ বিভিন্ন ক্ষেত্ৰৰ 60 জন পৰামৰ্শ প্ৰদানকাৰীক নিয়োগ কৰিছে। এই 60 জন নিৰ্বাচিত পৰামৰ্শ প্ৰদানকাৰীৰ বাবে দুদিনীয়া সক্ষমতা বিকাশ কৰ্মশালাৰো আয়োজন কৰা হৈছিল। NMM ৱেব পৰ্টেল (পৰিশিষ্ট V চাওক) আৰম্ভ কৰা হৈছিল যি আৱিষ্কাৰ, বিশ্বাস আৰু গঠনমূলক মতামতৰ ওপৰত ভিত্তি কৰি ফলপ্ৰসূ পৰামৰ্শদাতা অধিবেশন পৰিচালনাৰ বাবে এটা ইণ্টাৰফেচ ৰূপে কাম কৰে। পৰামৰ্শ প্ৰদানকাৰীসকলক পৰামৰ্শ দানৰ বিষয়ে ফলপ্ৰসূ আৰু কাৰ্যক্ষম পৰামৰ্শ দিয়াৰ বাবে বিভিন্ন মডিউল প্ৰস্তুত কৰা হৈছে।

ওপৰত উল্লেখ কৰা আভ্যন্তৰীণ আলোচনা, 15 খন মুকলি আলোচনা সভা, পাইলট অধ্যয়নৰ পৰা পোৱা সমল, অন্য অংশীদাৰসকলৰ সৈতে আলোচনা আৰু সম্প্ৰসাৰণমূলক কাৰ্যসূচীৰ পৰা লাভ কৰা মতামত/পৰামৰ্শসমূহ অন্তৰ্ভুক্ত কৰাৰ পিছত NMMৰ ওপৰত এই ব্লু-বুকখন চূড়ান্ত কৰা হৈছে। NMMৰ ৰূপায়ণ, নিৰীক্ষণ আৰু বিশ্লেষণৰ সুবিধাৰ বাবে NCTEত নেশ্যনেল চেণ্টাৰ ফৰ টিচাৰ কোৱালিটি (NCTQ) নামৰ এটা ডিজিটেল প্লেটফৰ্ম স্থাপন কৰা হৈছে। এই NCTQৰ দ্বাৰা UMI পৰিচালিত হ’ব।

### 7.2 আগুৱাই যোৱাৰ পথ

শিক্ষকসকলৰ পেছাদাৰী উন্নয়ন আৰু বিকাশৰ বাবে NMM হৈছে এক অমূল্য পদক্ষেপ। পৰামৰ্শ প্ৰদানকাৰীসকলৰ ভূমিকা হ’ল পৰামৰ্শ গ্ৰহণকাৰীসকলক পথ প্ৰদৰ্শন, সমৰ্থন আৰু বিশেষজ্ঞতা প্ৰদান কৰা। ই হৈছে জ্ঞানৰ বিনিময়, সহযোগিতা আৰু চিন্তা-চৰ্চাৰ এক মঞ্চ। NMMৰ বাবে ৰূপায়ণ পৰিকল্পনা তলত দিয়া ধৰণে ধাৰণা কৰা হৈছে।

**পৰামৰ্শ প্ৰদান সমাধান সৃষ্টি/পৰামৰ্শ গ্ৰহণকাৰীক একত্ৰীকৰণ**

- কাৰ্যসূচীৰ সমল/সহযোগী সামগ্ৰীসমূহ, SoP ইত্যাদি প্ৰস্তুত, যি পৰামৰ্শ প্ৰদান কাৰ্যসূচীসমূহত সহায় কৰিব

**NMM কাৰ্যসূচীৰ উন্মোচন**

- 1000 গৰাকী পৰামৰ্শ প্ৰদানকাৰীৰ এটা গোট সৃষ্টি
- পৰামৰ্শ প্ৰদানকাৰীৰ বাবে পৰামৰ্শ প্ৰদান সমলৰ সৃষ্টি/অনুবাদ
- KRPসকল/পৰামৰ্শ প্ৰদানকাৰীসকলৰ সক্ষমতা বিকাশ
- ৰাষ্ট্ৰীয় বটা/প্ৰমাণ পত্ৰ/NPSTৰ লগত সংযোগ কৰি পৰামৰ্শ প্ৰদানকাৰীসকলক অনা-আৰ্থিক উৎসাহ প্ৰদান কৰা হ'ব।

**NCTEৰ দ্বাৰা গৱেষণা আৰু পুনৰীক্ষণ**

- কাৰ্যসূচীৰ অবিৰত মূল্যায়ন
- পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ মতামত গ্ৰহণ

চিত্ৰ 7.1: আগুৱাই যোৱাৰ পথ

## গ্ৰন্থপঞ্জী

Hansman, C. A. (Ed.). (2002). Critical perspectives on mentoring: Trends and issues. ERIC Clearinghouse on Adult, Career, and Vocational Education, Center on Education and Training for Employment, College of Education, the Ohio State University.

Knowles, M. S. (1980). The modern practice of adult education: From pedagogy to andragogy. Englewood Cliffs, NJ: Cambridge Adult Education.

Kukreja, S., Arora, R., Mahajan, R., & Singh, T. (2020). Mentorship Program: Modern Outlook of Traditional Knowledge. International Journal of Applied and Basic Medical Research, 10(2), 65–67. https://doi.org/10.4103/ijabmr.IJABMR_109_20

Ministry of Human Resource Development. (2020, July 29). National Education Policy 2020. www.Education.Gov.In; Government of India.

https://www.education.gov.in/sites/upload_files/mhrd/files/NEP_Final_English_0.pdf#page=29&zoom=100,97,630

National Institute of Technical Teachers Training and Research. (2020, September). Making Mentoring Relevant: NEP 2020 PERSPECTIVE. NITTTR (nitttrc.ac.in); National Institue of Technical Teachers Tranining and Research. Retrived from ReportonMakingMentoring.pdf (nitttrchd.ac.in)

National University of Educational Planning and Administration (NUEPA) New Delhi, Teachers in the Education System, How We Manage the Teacher Workforce in India. (2016).http://www.niepa.ac.in/download/Research/Teachers_in_the_Indian_Education_System.pdf

National University Of Educational Planning And Administration (NUEPA) (2014) School Leadership Development National Program Design and Curriculum Framework. National University of Educational Planning and Administration (NUEPA). https://www.education.gov.in/en/sites/upload_files/mhrd/files/upload_document/SLDP_Framework_NCSL_NUEPA.pdf

Parsloe, E., & Leedham, M. (2009). Coaching and mentoring: Practical conversations to improve learning. Kogan Page Publishers. Retrieved from https://rb.gy/9e732

Soka Gakkai. (2020). The Oneness of Mentor and Disciple. Soka Gakkai (Global).

https://www.sokaglobal.org/resources/study-materials/buddhist-concepts/the-oneness-of-mentor-and-disciple.html#:~:text=In%20Buddhism%2C%20which%20is%20concerned,to%20free%20them%20from%20suffering

Together Platform. "Mentor Handbook." Together Platform, https://www.togetherplatform.com/handbook/mentor. Accessed 16 Aug. 2021.

# পৰিশিষ্টসমূহ

**I. পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচনৰ আন্তঃগাঁথনিমূলক আৰ্হি:**

পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচনৰ আৰ্হিৰ পৰামৰ্শাৱলী

**II. পৰামৰ্শ প্ৰদানকাৰীৰ ভূমিকা আৰু দায়িত্ব**

পৰামৰ্শ দান কাৰ্যসূচীৰ বাবে পৰামৰ্শ প্ৰদানকাৰীৰ ভূমিকা আৰু দায়িত্বৰ তালিকা প্ৰস্তুত কৰাৰ সময়ত পৰামৰ্শৰ বাবে এটা নমুনা আহিলা

**III. NMMৰ 15 খন মুকলি আলোচনা সভা**

**IV. NMM ৱেব পৰ্টেল**

*পৰিশিষ্ট- I*

*পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচনৰ আন্তঃগাঁথনিমূলক আৰ্হি*

## পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচন

*এটা পৰামৰ্শ দান কাৰ্যসূচীৰ বাবে*

***উদ্দেশ্য:*** এটা পৰামৰ্শ দান কাৰ্যসূচীৰ বাবে পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচন কৰিবলৈ এক বাছনি প্ৰক্ৰিয়া সৃষ্টি আৰু প্ৰয়োগ

***এইসকলৰ বাবে প্ৰস্তুত:***

কাৰ্যসূচী প্ৰস্তুতকাৰী

কাৰ্যসূচী পৰিচালক

এজন আদৰ্শ পৰামৰ্শ প্ৰদানকাৰীৰ থাকিব লগা নিৰ্দিষ্ট গুণসমূহ যাতে পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰী উভয়ে সেই সম্পৰ্কৰ পৰা সৰ্বাধিক লাভ অৰ্জন কৰিব পাৰে।

### পৰামৰ্শকাৰীৰ গুণসমূহ

- বৈচিত্ৰ্যৰ প্ৰতি সজাগতা
- ফলপ্ৰসু যোগাযোগ
- সহানুভূতিশীলতা
- অভিজ্ঞতা
- নমনীয়তা
- উৎসাহবৰ্ধক
- নেতৃত্ব-প্ৰদানকাৰী গুণ
- বিশেষজ্ঞতা
- চিন্তা-চৰ্চা
- সমালোচনাত্মক চিন্তাধাৰা
- সৃষ্টিশীলতা

পৰীক্ষণ প্ৰক্ৰিয়া ব্যৱহাৰ কৰি সাম্ভাব্য পৰামৰ্শ প্ৰদানকাৰীৰ মাজত এই বৈশিষ্ট্যসমূহ বিচাৰিব লাগে। কাৰ্যসূচীটো কি পৰিসৰত কাৰ্যকৰী কৰিব লাগিব সেয়া মনত ৰাখি বাছনি প্ৰক্ৰিয়াটোৰ আৰ্হি প্ৰস্তুত কৰিব লাগিব। উপলব্ধ সম্পদ আৰু আবেদনকাৰীৰ গোটৰ আকাৰৰ ওপৰত নিৰ্ভৰ কৰি এটা নিৰ্বাচন প্ৰক্ৰিয়াত প্ৰযুক্তি-আধাৰিত তথ্য সংগ্ৰহ পদ্ধতি আৰু ব্যক্তিগত কাৰ্যকলাপ আৰু সাক্ষাৎকাৰৰ সংমিশ্ৰণ কৰিব লাগিব।

## পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচন

*এটা পৰামৰ্শ দান কাৰ্যসূচীৰ বাবে*

### আবেদন প্ৰ-পত্ৰ



জনগাঁথনি, পূৰ্বৰ অভিজ্ঞতা, বিশেষজ্ঞতাৰ প্ৰমাণ আদিৰ তথ্য সংগ্ৰহ কৰিবলৈ এক প্ৰাৰম্ভিক আবেদন পত্ৰ ব্যৱহাৰ কৰিব লাগে। অনলাইন শিকণ পৰিবেশৰ প্ৰত্যাহ্বানসমূহৰ সমাধানৰ ক্ষেত্ৰত পৰামৰ্শ প্ৰদানকাৰীৰ পদ্ধতি/সক্ষমতা মূল্যায়ন কৰিবলৈ আবেদন প্ৰ-পত্ৰত কেছ অধ্যয়নো অন্তৰ্ভূক্ত কৰিব পাৰি। এই প্ৰ-পত্ৰখন আবেদনকাৰী মূল্যায়নৰ বাবে ব্যৱহাৰ কৰা একমাত্ৰ আহিলা হ'ব পাৰে (বৃহৎ পৰিসৰৰ কাৰ্যসূচী; কম সম্পদৰ উপলব্ধতা) বা সাক্ষাৎকাৰৰ সৈতে সংযুক্তভাবে ব্যৱহাৰ কৰি পাৰি (ক্ষুদ্ৰ পৰিসৰৰ কাৰ্যসূচী; উচ্চ সম্পদৰ উপলব্ধতা)।

### আলোচনা/সাক্ষাৎকাৰ



সাক্ষাৎকাৰে আবেদনকাৰীক অধিক ভালদৰে বুজিবলৈ আৰু আবেদন পত্ৰই পৰীক্ষা কৰিব নোৱাৰা দক্ষতাসমূহ বিশ্লেষণ কৰাত সহায় কৰিব পাৰে। ইয়াত এনে প্ৰশ্ন থাকিব পাৰে যি আবেদনকাৰীৰ আদান-প্ৰদান সম্পৰ্কীয় গুণসমূহ, যেনে মনোযোগিতা, সক্ৰিয়তা, বিশ্লেষণাত্মক যুক্তি আদি, পৰীক্ষা কৰে।

অনলাইন প্ৰ-পত্ৰ, সহযোগিতামূলক ডাটাবেছ ব্যৱস্থাপনা ব্যৱস্থা, ভিডিঅ' কনফাৰেন্সিং সঁজুলিৰ সহায়ত এপ্লিকেশ্বনসমূহ উপস্থাপন, মূল্যায়ন আৰু বিশ্লেষণ কৰিব পাৰি।

## পৰামৰ্শ প্ৰদানকাৰী নিৰ্বাচন

*এটা পৰামৰ্শ দান কাৰ্যসূচীৰ বাবে*

**জনগাঁথনিগত**

- নাম
- যোগাযোগৰ তথ্য (ফোন নং, ঠিকনা, ইমেইল)
- ভাষা দক্ষতা
- অনুমোদিত প্ৰতিষ্ঠান (নাম, চহৰ, ৰাজ্য, দেশ)

**জ্ঞান আৰু বিশেষজ্ঞতা**

- দক্ষতা পৰীক্ষা কৰিবলৈ পৰামৰ্শ প্ৰদান কাৰ্যসূচীৰ নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত আধাৰিত প্ৰশ্নাৱলী
- শিক্ষণ বা শিকণৰ জৰিয়তে পৰামৰ্শ প্ৰদান কাৰ্যসূচীৰ বিষয়বস্তুৰ সৈতে জড়িত হোৱাৰ পূৰ্বৰ অভিজ্ঞতাৰ প্ৰমাণ
- প্ৰাসংগিক বঁটা, সন্মান, ক্ষেত্ৰখনত লাভ কৰা সাফল্য

**মনযোগ আৰু চিন্তাশীলতা**

পৰামৰ্শ প্ৰদান কাৰ্যসূচীৰ জৰিয়তে সমাধান কৰিবলগীয়া প্ৰাসংগিক সমস্যসমূহৰ ওপৰত কৰা কেছ অধ্যয়ন।

অনুসৰণমূলক প্ৰশ্নসমূহ বহু-বৈকল্পিক বা বিষয়ভিত্তিক হ'ব পাৰে, আবেদন প্ৰ-পত্ৰত বা ব্যক্তিগতভাৱে সোধা হ'ব পাৰে, ইয়াৰ যোগেদি এইসমূহ সক্ষমতা পৰীক্ষা কৰিব:

- প্ৰত্যাহ্বান চিনাক্ত কৰা,
- উপযুক্ত সহযোগিতা ডিজাইন কৰা,
- পৰামৰ্শ আৰু মতামত প্ৰদান নিৰ্ণয়,
- সমস্যা সমাধান কৰা,
- ভিন্ন নেতৃত্ব শৈলী উপলব্ধ কৰা,
- মতানৈক্য আৰু নিষ্ক্ৰিয়তা নিয়ন্ত্ৰণ কৰা,
- উত্তৰ নজনা প্ৰশ্নসমূহ পৰিচালনা কৰা।

**অভিজ্ঞতা**

- বৰ্তমানৰ দায়িত্ব/পদবী
- নিৰ্দিষ্ট ক্ষেত্ৰত কাম কৰাৰ অভিজ্ঞতা
- বৰ্তমানৰ দায়িত্বত কাম কৰাৰ অভিজ্ঞতা

**সক্ৰিয়তা**

তেওঁলোক কিয় পৰামৰ্শ প্ৰদানকাৰী হ'ব বিচাৰে সেই বিষয়ে স্পষ্ট বাখ্যা বিচৰা সাক্ষাৎকাৰ প্ৰশ্ন/ৰচনা

- এই কাৰ্যসূচীটোৰ বাবে আবেদন কৰাৰ উদ্দেশ্য কি?
- তেওঁলোকে এই কাৰ্যসূচীটোত কি নতুন সংযোজন কৰিব পাৰিব?
- তেওঁলোক এই কাৰ্যসূচীটোৰ পৰা কেনেকৈ লাভান্বিত হ'ব?
- এই কাৰ্যসূচীটোৰ পৰা শিক্ষা ব্যৱস্থা কেনেকৈ লাভান্বিত হ'ব বুলি তেওঁলোকে ভাবে?

**প্ৰেৰণাদায়ক আৰু অনুঘটকীয়**

তেওঁলোকৰ দলটোক কিদৰে অবিৰত শিকণ আৰু উন্নতিৰ দিশে অনুপ্ৰাণিত কৰিব, ভিডিঅ' প্ৰম্পট/সাক্ষাৎকাৰৰ প্ৰশ্নসমূহৰ দ্বাৰা সেই বিষয়ে স্পষ্ট বিশ্লেষণ বিচৰা। উত্তৰসমূহে আবেদনকাৰীৰ এইসমূহ সক্ষমতা পৰীক্ষা কৰিব:

- স্পষ্ট ভাষণ
- শাৰীৰিক ভাষাৰ উপযুক্ত ব্যৱহাৰ
- প্ৰশ্নৰ উত্তৰ দিবলৈ যথোপযুক্ত বৰ্ণনা
- প্ৰতিফলিত চিন্তাধাৰা প্ৰদৰ্শন
- উদ্দীপনাযুক্ত ভাষণ
- প্ৰেৰণাদায়ক কাহিনী কথন

*পৰিশিষ্ট- II*

*পৰামৰ্শ প্ৰদানকাৰীৰ ভূমিকা আৰু দায়িত্বসমূহ*


## পৰামৰ্শ প্ৰদানকাৰীৰ ভূমিকা আৰু দায়িত্বসমূহ

*এটা পৰামৰ্শ দান কাৰ্যসূচীৰ বাবে*

**উদ্দেশ্য:** এক সফল পৰামৰ্শ দানমূলক সম্পৰ্ক সৃষ্টিৰ বাবে পৰামৰ্শ প্ৰদানকাৰী ভূমিকা আৰু দায়িত্ব চিনাক্ত কৰা


### ভূমিকা

পৰামৰ্শ প্ৰদানকাৰীয়ে পৰামৰ্শ গ্ৰহণকাৰীৰ লগত আলোচনা কৰা নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত নিৰ্ভৰ কৰি পৰামৰ্শ গ্ৰহণকাৰীসকলক দিক-নিৰ্দেশনা, পৰামৰ্শ, মতামত আৰু সহযোগিতা প্ৰদান কৰে।



প্ৰস্তুতি সমৰ্থন উন্নতি

- পৰামৰ্শ গ্ৰহণকাৰীসকলক নিয়মীয়াকৈ সাক্ষাত কৰা আৰু পৰামৰ্শ দান শেষ হোৱাৰ সময়লৈকে সম্পৰ্কটো প্ৰতিপালন কৰাৰ প্ৰতিশ্ৰুতি
- সুৰক্ষিত আৰু সহযোগিতামূলক পৰিবেশৰ সৃষ্টি আৰু পৰামৰ্শ প্ৰদানকাৰী আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ সীমাবদ্ধতাক সন্মান কৰি পৰামৰ্শ প্ৰদানকাৰীৰে বিশ্বাসযোগ্য সম্পৰ্ক নিৰ্মাণ
- পৰামৰ্শ গ্ৰহণকাৰীকেন্দ্ৰিক সম্পৰ্কৰ পৰিবেশ এটা সৃষ্টি কৰা, য'ত পৰামৰ্শ প্ৰদানকাৰীসকলে তেওঁলোকৰ বিকাশ, উন্নয়ন আৰু কেৰিয়াৰ পৰিকল্পনাৰ দায়িত্ব লয়
- পৰামৰ্শ গ্ৰহণকাৰী আৰু পৰামৰ্শ দান ক্ৰিয়াকলাপৰ তত্বাবধায়কৰ সৈতে এক স্পষ্ট যোগাযোগ



প্ৰস্তুতি সমৰ্থন উন্নতি

- পৰামৰ্শ গ্ৰহণকাৰীসকলৰ সৈতে সম্পৰ্ক ৰক্ষাৰ বাবে তেওঁলোকৰ স্পষ্ট লক্ষ্য আৰু উদ্দেশ্য নিৰ্ধাৰণ কৰা আৰু তেওঁলোকৰ দূৰদৃষ্টিৰ ওপৰত ভিত্তি কৰি এক কাৰ্য পৰিকল্পনাৰ অনুসৰণ কৰি তেওঁলোকক পথ প্ৰদৰ্শন কৰা
- নিজৰ অভিজ্ঞতা বিশ্লেষণ কৰি আৰু পৰামৰ্শ গ্ৰহণকাৰীসকলৰ বাবে বিশেষজ্ঞতা বিনিময় কৰিবলৈ প্ৰাসংগিক উদাহৰণসমূহ উল্লেখ কৰা

## পৰামৰ্শ প্ৰদানকাৰীৰ ভূমিকা আৰু দায়িত্বসমূহ

*এটা পৰামৰ্শ দান কাৰ্যসূচীৰ বাবে*

- কোনো সমস্যাক কেন্দ্ৰ কৰি চিন্তাশীল আলোচনাৰে পৰামৰ্শ প্ৰদানকাৰীৰ গোটসমূহক উৎসাহিত কৰি পৰামৰ্শ প্ৰদান বৈঠকসমূহ সহজসাধ্য কৰি তোলা
- বিভিন্ন পৰামৰ্শ গ্ৰহণকাৰীৰ ভিন্ন মতাদৰ্শক বুজা আৰু উৎসাহিত কৰা
- সংঘাতক চিনাক্ত কৰা আৰু তাৰ ওপৰত সাৱধানেৰে কাম কৰা, পৰামৰ্শ গ্ৰহণকাৰীৰ সৈতে উদ্ভৱ হোৱা পাৰ্থক্যসমূহৰ ওপৰত আলোচনা আৰম্ভ কৰা
- সমস্যাটোৰ বিষয়ে তেওঁলোকৰ মতামত স্পষ্ট কৰিবলৈ অনুসন্ধানমূলক প্ৰশ্ন ("কেনেকৈ" আৰু "কি" আদিৰে আৰম্ভ হোৱা প্ৰশ্ন) সোধা
- সক্ৰিয়ভাৱে পৰামৰ্শ গ্ৰহণকাৰীক শুনা আৰু পৰামৰ্শ গ্ৰহণকাৰীৰ যে মতামত শুনা হৈছে সেয়া তেওঁলোকক অনুভৱ কৰিবলৈ দিয়া
- পৰামৰ্শ গ্ৰহণকাৰীক সুবিধাজনক প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ দি উন্নতিৰ দিশত আগুৱাই যাবলৈ আৰু বৰ্তমানৰ সমস্যাসমূহৰ সমাধানৰ লগতে ভৱিষ্যতে তেনে সমস্যাৰে মোকাবিলা কৰাৰ কৌশল বিকশিত কৰিবলৈ শক্তিশালী কৰি তোলা
- পৰামৰ্শ প্ৰদানকাৰীৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি ভিন্ন পৰামৰ্শ গ্ৰহণকাৰীৰ কাৰণে পৃথক সহযোগিতা আগবঢ়োৱা
- সৎ, বাধাহীন, ইতিবাচক আৰু গঠনমূলক মতামত প্ৰকাশ কৰা
- পেছাদাৰী বিকাশৰ কাৰ্যকলাপসমূহ চিনাক্ত কৰাত পৰামৰ্শ গ্ৰহণকাৰীক সহায় কৰা, প্ৰয়োজন অনুসৰি উপযুক্ত সম্পদ আৰু অন্য পৰামৰ্শ প্ৰদানকাৰীৰ সতে সংযোগ আৰু নেটৱৰ্কিং কৰি দিয়া
- পৰামৰ্শ প্ৰদানকাৰীক তেওঁলোকৰ সহ-সৃষ্ট কৰ্ম পন্থাৰ ক্ষেত্ৰত দায়বদ্ধ কৰি তোলা আৰু সেই কাৰ্য পন্থাসমূহ নিয়মীয়াকৈ পৰ্যালোচনা কৰা




- তেওঁলোকৰ বৃত্তি আৰু পৰামৰ্শ প্ৰদানৰ দায়িত্বসমূহৰ মাজত কাৰ্যকৰীভাৱে সময় ব্যৱস্থাপনা কৰা
- প্ৰশিক্ষণ, মতামত চক্ৰ আদিৰ যোগেদি পেছাদাৰী বিকাশৰ সৈতে জড়িত হৈ পৰামৰ্শ প্ৰদান কৌশলসমূহ উন্নত কৰা

*পৰিশিষ্ট - III*

## *NMMৰ বাবে অনুষ্ঠিত 15 খন মুকলি আলোচনা সভা*


### NMMৰ বাবে অনুষ্ঠিত 15 খন মুকলি আলোচনা সভা

| ক্ৰমিক নং | প্ৰতিষ্ঠান/বিশ্ববিদ্যালয়ৰ নাম | আলোচনাৰ পদ্ধতি | তাৰিখ | সামৰি লোৱা ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চল |
|---|---|---|---|---|
| 1. | কটন বিশ্ববিদ্যালয় গুৱাহাটী, অসম | শাৰীৰিক | 16.11.2021 | অসম, পশ্চিম বংগ, অৰুণাচল প্ৰদেশ |
| 2. | SCERT গেংটক, ছিকিম | মিশ্ৰিত | 10.12.2021 | ছিকিম, মিজোৰাম |
| 3. | SCERT জম্মু আৰু কাশ্মীৰ | মিশ্ৰিত | 13.12.2021 | জম্মু-কাশ্মীৰ আৰু লাডাখ |
| 4. | SCERT পাটনা, বিহাৰ | মিশ্ৰিত | 15.12.2021 | বিহাৰ, ঝাৰখণ্ড |
| 5. | দিল্লী বিশ্ববিদ্যালয়ৰ | শাৰীৰিক | 16.12.2021 | দিল্লী, হাৰিয়ানা |
| 6. | বনস্থলী বিদ্যাপীঠ, ৰাজস্থান | মিশ্ৰিত | 17.12.2021 | ৰাজস্থান |
| 7. | ওছমানিয়া বিশ্ববিদ্যালয়, হায়দৰাবাদ | মিশ্ৰিত | 18.12.2021 | তেলেংগানা, অন্ধ্ৰ প্ৰদেশ |
| 8. | SCERT পুনে, মহাৰাষ্ট্ৰ | মিশ্ৰিত | 28.12.2021 | মহাৰাষ্ট্ৰ, গোৱা |
| 9. | ভাৰতীয় শিক্ষক শিক্ষা প্ৰতিষ্ঠান, গান্ধীনগৰ, গুজৰাট | শাৰীৰিক | 30.12.2021 | গুজৰাট |
| 10. | বেনাৰস হিন্দু বিশ্ববিদ্যালয় বাৰাণসী, উত্তৰ প্ৰদেশ | মিশ্ৰিত | 12.01.2022 | উত্তৰ প্ৰদেশ |
| 11. | SCERT ভূপাল, মধ্যপ্ৰদেশ | মিশ্ৰিত | 17.01.2022 | মধ্যপ্ৰদেশ |
| 12. | SCERT হিমাচল প্ৰদেশ | মিশ্ৰিত | 20.01.2022 | হিমাচল প্ৰদেশ |
| 13. | SCERT পঞ্জাব | মিশ্ৰিত | 24.01.2022 | পঞ্জাব |
| 14. | হাৰিয়ানা কেন্দ্ৰীয় বিশ্ববিদ্যালয় | মিশ্ৰিত | 04.03.2022 | হাৰিয়ানা আৰু চণ্ডীগড় |
| 15. | বিদ্যালয় শিক্ষা সঞ্চালকালয় পুডুচেৰী | শাৰীৰিক | 07.03.2022 | পুডুচেৰী |

*পৰিশিষ্ট - IV*
*NMM* ৱেব পৰ্টেল

## NMMৰ বাবে ৱেব পৰ্টেল
## পৰামৰ্শ প্ৰদানকাৰীৰ বাবে

### 1. লগ ইন



## 2. মোৰ প্ৰফাইল



Sangita Pradhan

★★★★★

### Language(s) Known

| Sr. No. | Language | Speak | Read | Write |
|---|---|---|---|---|
| 1. | Hindi | ☑ | ☑ | ☑ |
| 2. | Marathi | ☑ | ☑ | ☑ |
| 3. | English | ☑ | ☑ | ☑ |

| | |
|---|---|
| Registration No. | MTR000064 |
| Full Name | Sangita Pradhan |
| Email | sangita********@gmail.com |
| Contact Number | 954******* |
| Gender | Female |
| Address | Ganganagar, Rajasthan |
| **Languages** | **English** |
| **Role** | **Teacher (Primary)** |
| **Area of Mentoring** | **Instructional Leadership Skills - Social Science** |
| **Professional Experience (in years)** | **15+** |

### About Yourself

Credited with extensive experience and professionalism having numerous key responsibilities in the field of education. Around 20 years of experience as an art educator. Always been passionate about teaching, focussed on vigorous planning & implementation at both State and National levels in various capacities. More..

### Current Work Status

Working

### Name of the organisation/school


(If retired, please mention the name of the school/organisation last worked at)

**Kendriya Vidyalaya, Ganganagar**

Click Here to Update your Profile

## 1. পৰামৰ্শ গ্ৰহণকাৰীৰ পঞ্জীয়ন

NMMৰ বাবে ৱেব পৰ্টেল
পৰামৰ্শ গ্ৰহণকাৰীৰ বাবে



## 2. পৰামৰ্শ গ্ৰহণকাৰীৰ প্ৰফাইল



### Mentee Profile

Basic Information | Language Proficiency | Mentoring Required For

| | | | |
|---|---|---|---|
| Registration No. | 4 | | |
| First Name* | Somit | Last Name | Mishra |
| Gender* | Male | Email ID* | ncte.mentee@gmail.com |
| Mobile Number * | 888888888 | State* | ASSAM |
| District / City* | GUWAHATI | Pin Code* | 781022 |
| Organisation Type* | Central Board of Secondary Education ( CBSE ) | Name of the School/Institutions* | Kendriya Vidyalaya, Khanapar |
| Your Experience in years* | 6-8 | | |
| Language* | English x Dogri x + Add | | |
| Stage* | Primary x Select | | |
| Role* | Teacher (Primary) x Teacher (Upper Primary) x Teacher (Secondary) x + Add | | |

Update

## 3. পৰামৰ্শ গ্ৰহণকাৰীৰ বাবে ফীডবেক

Somit Mishra

### Feedback for Mentor: Sangeeta Pradhan (Instructional Leadership Skills-Social Science)

**On a Scale of I to V, V being the highest**

| Sr. No. | Questions | V | VI | III | II | I |
|---|---|---|---|---|---|---|
| 1. | How effective was the mentor in providing guidance and support during your interactions? | 0 | 0 | 0 | 0 | 0 |
| 2. | How much did the mentor challenge you to think critically and independently? | 0 | 0 | 0 | 0 | 0 |
| 3. | How effective was the mentor in providing guidance and support during your interactions? | 0 | 0 | 0 | 0 | 0 |
| 4. | To what extent was the mentor able to create a comfortable and safe environment for open communication and learning? | 0 | 0 | 0 | 0 | 0 |
| 5. | Refrain from encouraging mentees to ask questions during the discussion | 0 | 0 | 0 | 0 | 0 |

**Other Remarks (If any)**

It was an insightful learning experience. The mentor was supportive throughout the session.

राष्ट्रीय अध्यापक शिक्षा परिषद्
( भारत सरकार का एक सांविधिक निकाय )

National Council for Teacher Education
(A Statutory Body of the Government of India)

By e-mail / Hand / Speed Post / Fax

File No. NCTE-Acad013/3/2021-Academic Section-HQ 20th September 2021

**OFFICE ORDER**

In supersession to office order of even number dated 31st August 2021, a Committee is constituted to work out the modalities for the creation of a national document and an online platform for Mentoring in Teacher Education at National Council for Teacher Education (NCTE) under National Mission for Mentoring. The details of the committee are given below:

| S. No. | Name and Organization | Designation |
|---|---|---|
| 1. | **Prof. S.C. Roy,**<br>North Eastern Regional Institute of Education, Shillong | Chairperson |
| 2. | **Dr. Ashok Pandey,**<br>Director, Ahlcon International School, Mayur Vihar Phase 1 Delhi | Member |
| 3. | **Prof. Sharad Sinha,**<br>NCERT | Member |
| 4. | **Ms. Kalpana Kapoor**<br>Educationist, Mentor and Leadership Coach | Member |
| 5. | **Shri Sushant Tharappan**<br>Head, Infosys Leadership Institute | Member |
| 6. | **Shri Jagdish Babu,**<br>Chief Operating Officer, Ekstep Foundation. | Member |
| 7. | **Shri Sanjay Purohit,**<br>Chief Curator, Societal Platform | Member |
| 8. | **Dr. Amina Charania,**<br>Associate Professor,<br>Tata Institute of Social Sciences, Mumbai | Member |
| 9. | **Ms. Khushboo Awasthi**<br>Chief Operating Officer, ShikshaLokam. | Member |
| 10. | **Shri Sushil Bhardwaj**<br>State co-ordinator, Punjab | Member |
| 11. | **Shri Abhimanyu Yadav,**<br>Section Officer, National Council of Teacher Education, New Delhi | Convener |

Cont. 2/-

जी-7, सेक्टर-10, द्वारका, नई दिल्ली -110075
G-7, Sector-10, Dwarka, New Delhi - 110075
Phone : +91-11-20893266, Fax : +91-11-20893270 Email : ms@ncte-india.org
Website : www.ncte.gov.in

| | | |
|---|---|---|
| 12. | **Ms. Monika Mishra**<br>Academic Consultant, NCTE | Co-convener |
| 13. | **Ms. Shailla Draboo**<br>Academic Consultant, NCTE | Co-convener |

**2. The Terms of Reference (ToR):**

i. Various sub-committees may be formed from among these members by the chairperson of the committee as per need.
ii. Identification of the focus areas and structured planning for mentoring including formulation of programmatic norms for the effective implementation of the mission as per the directive of NEP 2020.
iii. Formulation of norms for cross linking of experts from school to college.
iv. Review of data and membership received through digital consultation /institutional consultation.
v. Development of the manual on National Mission on Mentoring (NMM) containing guidelines for the prospective mentors and mentees which may be adapted/ adopted by the states /UTs in their own chapters of State Mentoring Mission.
vi. Setting up of Data Strategy Center for the NMM, at the national and regional levels in the headquarters of the National Council for Teachers Education (NCTE).
vii. Preparation of the short term and long-term mentoring manual on Indian languages and subjects specifically for underrepresented population targets groups etc.
viii. Formulation of guidelines for tapping up the potential of senior experienced and retired teachers and also include experts drawn from different sections of societies including professionals from different sectors such as engineering, medical, subject expert teachers, defense personnel, craft persons, trade persons music and dance practitioners etc.
ix. Developing and designing of platform for mentoring including matching of mentor and mentees, agreement and certainty matrix.
x. Chalking out the strategies for reaching out to the target audience of NMM, monitoring and their communication process.
xi. The detailed plan of Action on pilot run of NMM and development of the framework for the national level pool of mentors and mentees.
xii. The Chairperson of the Committee may co-opt other experts to the committee as per need.

2. The committee is expected to submit the complete report along with a plan of Action within a period of 3 months from 31st August 2021.

Cont. 3/-

-3-

3. The NCTE shall provide secretarial assistance for holding of virtual and face to face meetings of the committee and arrangements for payments of TA /DA /Sitting charges as per NCTE norms.

This has the approval of the competent authority.

**(Kesang Y. Sherpa, IRS)**
**Member Secretary, NCTE**

**Copy to:**

1. PS/SO to CP/MS for information please.
2. Deputy Secretary /Under Secretary GA/Academics/Accounts, NCTE
3. Copy to all members etc.
4. Guard /Office file.

**দফা 15.11, NEP 2020**

**উৎকৃষ্ট মানৰ বয়স্ক আৰু অৱসৰপ্ৰাপ্ত শিক্ষকসকলৰ জৰিয়তে National Mission for Mentoring প্ৰতিষ্ঠা কৰা হ'ব। যিসকলে শিক্ষানুষ্ঠানৰ শিক্ষকসকলৰ হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী বৃত্তিগত অৰ্হতা বৃদ্ধিৰ শিক্ষা দিব।**

**Language consultancy and translation facilitated by**

**National Translation Mission**

**Central Institute of Indian Languages, Mysore**

**ৰাষ্ট্ৰীয় শিক্ষক শিক্ষা পৰিষদ**

**(ভাৰত চৰকাৰৰ এক বিধিগত সংস্থা)**

**National Council for Teacher Education**

**(A Statutory Body of the Government of India)**